# ASSAM
# LEGISLATIVE ASSEMBLY
## Debates

REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

सत्यमेव जयते

## OFFICIAL REPORT

SECOND SESSION OF THE ASSAM LEGISLAIVE ASSEMBLY ASSEMBLED AFTER THE NIN.T.H GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

ADJOURNED JULY-AUGUST SESSION INCLUDING BUDGET SESSION 1991

## (Budget Session)

Volume-II
No. 4
Dated, the 12th September, 1991

# ASSAM
# LEGISLATIVE ASSEMBLY
# Debates

REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

सत्यमेव जयते

## OFFICIAL REPORT

SECOND SESSION OF THE ASSAM LEGISLAIVE ASSEMBLY ASSEMBLED AFTER THE NIN.T.H GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

ADJOURNED JULY-AUGUST SESSION INCLUDING BUDGET SESSION 1991

## (Budget Session)

Volume—II
No. 4
Dated, the 12th September, 1991

**Price Rs.** 30.00

Adjourned July-August Session Including
Budget Session, 1991

## Volume II No. 4

Dated, the 12th September, 1991

## CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions & Answers | 1 |
| | (a) Starred Questions and Answers | |
| | (b) Short Notice Questions and Answers | |
| | (c) Unstarred Questions and Answers | |
| 2. | Discussion during Zero hour | 65 |
| 3. | Statement by the Chief Minister | 82 |
| 4. | Call attention | 94 |
| 5. | Matter Under Rule 301 | 99 |
| 6. | General Discussion on the Budget | 105 |
| 7. | Adjournment | 136 |
| 8. | Annexure | 137 |

Adjourned July-August Session Including
Budget Session, 1991

## Volume II No. 4

Dated, the 12th September, 1991

CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions & Answers | 1 |
| | (a) Starred Questions and Answers | |
| | (b) Short Notice Questions and Answers | |
| | (c) Unstarred Questions and Answers | |
| 2. | Discussion during Zero hour | 65 |
| 3. | Statement by the Chief Minister | 82 |
| 4. | Call attention | 94 |
| 5. | Matter Under Rule 301 | 99 |
| 6. | General Discussion on the Budget | 105 |
| 7. | Adjournment | 136 |
| 8. | Annexure | 137 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Thursday, the 12th September 1991.

The House met at 9 A.M in the Assembly Chamber, Dispur on 12th September 1991 with Mr. Speaker in the Chair.

## STARRED
## QUESTIONS & ANSWERS
(To which oral answers were given)

**বিষয় : ৰিলিফ চাউল দাইল চুৰি ।**

শ্ৰী নজমুল হকে সুধিছে :

মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :—

ক) ১৯৯১ চনৰ ৩১ জুলাই তাৰিখত গোৱালপাৰা জিলাৰ লক্ষীপুৰ ৰাজহ চক্ৰৰ অধীনত চুনাৰী বজাৰত কলচাভাঙা গাওঁ পঞ্চায়তৰ বন্যা পীড়িত ৰাইজৰ ৰিলিফৰ চাউল আৰু দালি চুৰি কৰি আত্মসাৎ কৰা ব্যক্তিসকল আজিলৈকে গ্ৰেপ্তাৰ নোহোৱাৰ কাৰণ কি ?

খ) চাউল চুৰিৰ ঘটনা সন্দৰ্ভত চুনাৰী আৰক্ষী বিষয়া আৰু জিলাৰ অতিৰিক্ত উপায়ুক্ত মহোদয়ৰ তদন্তৰ প্ৰতিবেদন সদনক দাখিল কৰিব নে ?

একে সময়তে খৰমুজা বজাৰত ৰিলিফৰ চাউল আৰু দালি চুৰ হোৱা ঘটনাত গোৱালপাৰা পশ্চিম সমষ্টিৰ প্ৰাক্তন বিধায়ক শ্বেখ ছামান আলীৰ ঘৰৰ পৰা ৫ বেগ চাউল আৰু ৩৫ কেজি দালি উদ্ধাৰ কৰা কথা সচানে ?

ঘ) মৰমুজাত চুৰি হোৱা ৰিলিফৰ চাউল আৰু দালিৰ উদ্ধাৰ কৰা কাৰ্য্যত খৰমুজা আৰক্ষী বিষয়াৰ তদন্তৰ পূৰ্ণ প্ৰতিবেদন দাখিল কৰিব।

৬১। ক) উপায়ুক্তৰ প্ৰতিবেদন মতে ৰিলিফৰ সামগ্ৰী চুৰি বা আত্মসাৎ নোহোৱাত গ্ৰেপ্তাৰৰ প্ৰশ্ন নুঠে।

খ) ওপৰৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

গ) আৰু (ঘ) এই সম্পৰ্কে প্ৰতিবেদন এতিয়াও পোৱা হোৱা নাই।

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে

শ্ৰীনজমুল হক :—মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা জিলাৰ অতিৰিক্ত উপায়ুক্তই যি তদন্ত কৰিছিল আৰু তাৰ বাহিৰেও বৰ্ত্তমান যি জন উপায়ুক্ত আছে তেওঁ নিজে গৈ লগতে লক্ষীপুৰৰ এচ, চি আৰু বিভাগীয় মূৰব্বী সকলে এই তদন্ত কৰিছিল। যিখিনি তদন্ত বাকী আছিল সেইখিনিও ১ সপ্তাহৰ ভিতৰতে কৰাৰ কথা আছিল। কিন্তু বাকী তদন্ত হোৱা নাই। বাকী তদন্ত সোনকালে কৰাৰ বাবে মন্ত্ৰী মহোদয়ে আশ্বাস দিবনে ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য সকলে বিচৰাৰ দৰে গোটেই বিষয়টো পুনৰ তদন্ত কৰাৰ বাবে ব্যৱস্থা কৰিম।

ডাঃ কমলা কলিতা :—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, প্ৰশ্ন কৰ্ত্তাৰ (ক) প্ৰশ্নৰ যিটো প্ৰশ্ন কৰিছে সেই সম্পৰ্কত উপায়ুক্তই দিয়া প্ৰতিবেদন সদনত দাখিল কৰিবনে ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, মই ইতিমধ্যে জনাইছো যে, উপায়ুক্তৰ প্ৰতিবেদনৰ ওপৰত ইখিনি কথা কোৱা হৈছে। তথাপি প্ৰশ্নকৰ্ত্তা আমাৰ মাননীয় নজমুল হক দেৱে বিচৰা মতে এই গোটেই ঘটনাতো পুনৰ তদন্ত কৰাৰ বাবে বিবেচনা কৰিম।

ডাঃকমলা কলিতাঃ অধ্যক্ষ মহোদয়, প্ৰশ্ন কৰ্ত্তা মাননীয় সদস্যই প্ৰতিবেদন

সদনত দাখিল কৰাৰ কাৰণে অনুৰোধ জনাইছে। এতিয়া তদন্ত কৰাতো বেলেগ কথা কিন্তু প্ৰতিবেদন সদনত কিয় দিয়া হোৱা নাই জনাবনে ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ): অধ্যক্ষ মহোদয়, উপায়ুক্তই প্ৰতিবেদনত জনাইছে যে, তাত কোনো চুৰি বা আত্মসাৎ হোৱা নাই বাবে গেপ্তাৰ হোৱা নাই। উপায়ুক্তৰ তদন্তৰ ৰিপোৰ্ট জনাব পাৰিম।

শ্ৰীভৰত চন্দ্ৰ নৰহ: অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, প্ৰাক্তন বিধায়ক শ্বেখ ছামান আলীৰ ঘৰৰ পৰা ৫ বেগ চাউল আৰু ৩৫ কেজি দালি উদ্ধাৰ কৰা কথাটো সচানে ? আৰু এই প্ৰাক্তন বিধায়ক শ্বেখ ছামান আলী যোৱা নিৰ্ব্বাচনত কোন পাৰ্টিৰ পৰা ঠিয় হৈছিল জনাবনে ?

শ্ৰী মুকুট শৰ্ম্মা ( মন্ত্ৰী ): অধ্যক্ষ মহোদয়, তেওঁ কোন পাৰ্টিৰ পৰা উঠিছিল মই নাজানো। যিহেতুকে উপায়ুক্তই সেই সম্পৰ্কত প্ৰতিবেদন পঠোৱা নাই সেই কাৰণে আজি মই সদনত একো জনাব নোৱাৰিম।

শ্ৰীনজমুল হক: অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিববিচাৰিছো যে, চাউল চুৰি সম্পৰ্কত চুনাৰী আৰক্ষী বিষয়াই আৰু খৰমুজা আৰক্ষী বিষয়াই থানাৰ পৰা যি ডব্লিউ, টি মেচেজ পঠাইছিল তাৰ ওপৰত কি ব্যৱস্থা ললে জনাবনে ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ): অধ্যক্ষ মহোদয়, এই গোটেই ঘটনাতো পুনৰ তদন্ত কৰিব লাগিব আৰু তদন্তৰ ৰিপোৰ্ট মই সদনত দাখিল কৰিম।

শ্ৰীআলাউদ্দিন সৰকাৰ: অধ্যক্ষ মহোদয়, এই ঘটনা সম্পৰ্কত আৰক্ষী বিভাগে তদন্ত কৰাৰ পিচত উপায়ুক্তই তদন্ত কৰিবনে। গতিকে আৰক্ষী বিভাগৰ পৰা দিয়া তদন্তৰ ৰিপোৰ্ট সদনত দাখিল কৰিবনেকি ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ): অধ্যক্ষ মহোদয়, আমি আৰক্ষী বিভাগৰ ৰিপোৰ্টৰ কৈ উপায়ুক্তৰ ৰিপোৰ্টৰ বেছি নিৰ্ভৰ কৰিম।

## বিষয় : কৰ্ম্মচাৰীৰ বৰ্খাস্ত ।

শ্ৰী শশ কমল সন্দিকৈয়ে সুধিছে :

* ৬২। মাননীয় নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) নামৰূপ হিন্দুস্থান সাৰ নিগম কৰ্তৃপক্ষই ৬৯৩ জন কৰ্ম্মী প্ৰয়োজনতকৈ অধিক বুলি বৰ্খাস্ত কৰিবৰ ব্যৱস্থা কৰিছে, এই বিষয়ে ৰাজ্য চৰকাৰ অবগত নে ?

খ) ১৯৮৯ চনত হিন্দুস্থান সাৰ নিগম কৰ্তৃপক্ষই নতুনকৈ চতুৰ্থ শ্ৰেণী চাকৰিত মকৰল কৰিবৰ বাবে প্ৰায় ২০০০ যুৱকক নিয়োগ বিনিময় কেন্দ্ৰৰ যোগেদি আমন্ত্ৰন কৰি বাচনি পৰীক্ষা লৈছিল এই তথ্য ৰাজ্য চৰকাৰে জানেনে ?

গ) উপৰোক্ত বাচনি পৰীক্ষাৰ ফলাফল ঘোষনা নকৰাত স্থানীয় নিবনুৱা যুৱকৰ মাজত তীব্ৰ অসন্তোষ গঢ় লৈ উঠাৰ বিষয়ে চৰকাৰ অবগত নে ?

শ্ৰীছিলভিয়াচ কন্দপান (মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) শ্ৰম ও নিয়োগ বিভাগৰ অবগত ।

খ) হয় ।

গ) হয় ।

শ্ৰীশশ কমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটোৰ (ক) অংশৰ উত্তৰটো মই ভালদৰে শুনা নাই । মন্ত্ৰী মহোদয়ে পুনৰ পঢ়ি দিবনেকি ?

শ্ৰীচিলভিয়াচ কন্দপান, শ্ৰম মন্ত্ৰী : মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো শ্ৰম ও নিয়োগ বিভাগৰ অবগত ।

শ্ৰীশশ কমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, এই চৰকাৰে শপত গ্ৰহণ কৰিয়েই ঘোষণা কৰিছিল যে প্ৰতি বছৰত ২ লাখ মানুহক মানে নিবনুৱাক চাকৰি দিব । কিন্তু এতিয়া এটা বিভাগে ৬৯৩ জন কৰ্ম্মচাৰীক চাকৰিৰ পৰা বৰ্খাস্ত কৰিব বিচাৰিছে— চৰকাৰে এই ক্ষেত্ৰত কিবা ব্যৱস্থা গ্ৰহন

কৰিবনে ? মন্ত্ৰী মহোদয়ে হয়তো কব যে সেইটো কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠান কিন্তু ইয়াত ৰাজ্য খনৰ নিবনুৱাৰ কথা জড়িত হৈ আছে। সেয়ে মই জানিব বিচাৰিছো যে চৰকাৰে কি ব্যৱস্থা লব খুজিছে ?

শ্ৰীচিলভিয়াচ কন্দপান (মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ঠিক কথাই কৈছে যে এই অনুষ্ঠানটো এটা কেন্দ্ৰীয় চৰকাৰৰ অনুষ্ঠান। আমি ইতিমধ্যে জানিব পাৰিছো যে সাৰ নিগমৰ হায়াৰ অথৰিটিয়ে নিয়োগ কৰা বন্ধ কৰিছে। কিন্তু আমাৰ চৰকাৰ ইয়াত ক্ষান্ত নেথাকিব।

শ্ৰীশশ কমল সন্দিকৈঃ মাননীয় অধ্যক্ষ মহোদয়, আমি জানিব পাৰিছো যে যোৱা ৬-৭-৯১ তাৰিখে বহা বোৰ্ড অব ডাইৰেক্টৰচৰ সভাত এই কৰ্ম্মচাৰী থিনি ছাটাই কৰাৰ সিদ্ধান্ত লৈছে ? কি ভিত্তিত এই সিদ্ধান্ত লৈছে ? উক্ত নিগমত ৫৩০ জন অফিচাৰ আৰু ২৪৯০ জন কৰ্ম্মচাৰী আছে। ইকনমিকেলী ভায়েবোল কৰিবৰ কাৰণে বোৰ্ডে ৫৩০ জন অফিচাৰৰ পৰা বৃদ্ধি কৰি ৫৫১ জন কৰিবলৈ লৈছে আৰু কৰ্ম্মচাৰী কমাই ১৭৫৪ জন কৰিব বিচৰা হৈছে। দেখা গৈছে কেন্দ্ৰীয় চৰকাৰে অসমৰ নিবনুৱা বৃদ্ধি কৰি বাহিৰৰ পৰা উচ্চপদস্থ বিষয়া আনি জাপি দিব খুজিছে। এই ক্ষেত্ৰত চৰকাৰে নীতিগত ভাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীচিলভিয়াচ কন্দপান (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনৰ আশংকা মতে আমি আমাৰ চৰকাৰৰ তৰফৰ পৰা বিষয়টোৰ সম্পৰ্কত চালি-জাৰি চাই ব্যৱস্থা লোৱা হব।

শ্ৰীহিৰণ্য বৰা: মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে এই অস্থায়ী কৰ্ম্মচাৰী সকলক কি ভিত্তিত নিয়োগ কৰা হৈছিল আৰু দেখিব খুজিছে ?

শ্ৰীচিলভিয়াচ কন্দপান: (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, কি ভিত্তিত এই কৰ্ম্মচাৰী সকলক নিয়োগ কৰা হৈছিল আৰু কিয় এতিয়া ছাটাই কৰিব বিচৰা হৈছে এই বিষয়ে তদন্ত কৰা হব।

শ্ৰীশশ কমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰ্ম্মচাৰী সকলে তাত নিয়োগৰ কাৰণে ধৰ্ম্মঘট কৰিছে আৰু তাত পুলিচেও একচন লৈ আছে ইয়াৰ কিবা ব্যৱস্থা লবনে ?

শ্ৰীচিলভিয়াচ কন্দপান, ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰ্মচাৰী সকলৰ ওপৰত যাতে পুলিচে হাৰাশাষ্টি নকৰে তাৰ ব্যৱস্থা লোৱা হব।

শ্ৰীনগেন শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, যি সকল কৰ্ম্মচাৰীক চাটাই কৰিবলৈ বিচৰা হৈছে সেই সকলে কিমান দিন কাম কৰিছে জনাবনে ?

শ্ৰীচিলভিয়াচ কন্দপান ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, এইটো খবৰ মোৰ হাতত নাই। পিছত জনোৱা হব।

শ্ৰীনগেন শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, ১৮০ দিন কাম কৰাৰ পিচত কোনো শ্ৰমিকক ছাটাই কৰিব নোৱাৰে, এই কথাটো চৰকাৰে জানেনে ?

শ্ৰীচিলভিয়াচ কন্দপান ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, চৰকাৰে নিশ্চয় জানে।

## ৰিষয় ঃ জিলা ভিত্তিত খাদ্য সামগ্ৰী আবণ্টন।

শ্ৰীজয়নাথ শৰ্ম্মা য়ে সুধিছে ঃ

* ৬৩ মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৯০ চনৰ ডিচেম্বৰ মাহৰ পৰা ১৯৯১ চনৰ আগষ্ট মাহলৈ কোন কোন জিলাত কিমান পৰিমানৰ চাউল, দাইল, নিমখ, ৰেপচিদ অইল, আটা, চেনি আদিৰ আৱণ্টন দিয়া হৈছে ?

খ) উক্ত সময় চোৱাৰ ভিতৰত প্ৰতি মাহত উক্ত প্ৰতি বিধ সামগ্ৰীৰ দাম, গুৱাহাটী, তেজপুৰ, মঙ্গলদৈ, ধুবুৰী, শিলচৰ, ডিব্ৰুগড়, যোৰহাট আৰু ডিফূৰ কিমান আছিল।

গ) নিমখৰ দাম চৰকাৰে অলপতে নিৰ্দ্ধাৰন কৰি দিছিল নেকি ?

ঘ) যদি দিছিল, কি ভিত্তিত আৰু কি হাৰত নিৰ্দ্ধাৰণ কৰিছিল ?

ঙ) প্ৰতি কিলোত দুই টকা হাৰত চাউলৰ বিতৰণৰ বাবে চৰকাৰে প্ৰস্তুত কৰা কিবা আচঁনি আছে নেকি? যদি আছে, আচঁনিখন কি আৰু কেতিয়াৰ পৰা ৰূপায়ন হ'ব?

ডাঃ অৰ্ধেন্দু দে, (খাদ্য আৰু সামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

৬৩। ক) ১৯৯০ চনৰ ডিচেম্বৰ মাহৰ পৰা ১৯৯১ চনৰ আগষ্ট মাহলৈ চাউল, চেনী, ঘেহু (চৰকাৰে উপায়ুক্ত/মহকুমাধি পতি সকললৈ ঘেহু আকাৰত আবণ্টন কৰে আৰু তেওঁলোকে ঘেহু মিলত দি আটা আকাৰত ৰাজহুৱা বিতৰণৰ যোগেদি বিতৰণ কৰে) আদিৰ আবণ্টিত পৰিমান Annexure 'A' দিয়া ধৰণে আছিল।

গ) হয়।

ঘ) উৎপাদিত অঞ্চলৰ বৰ্ত্তমান নিমখৰ পইকাৰী মূল্য, পৰিবহন বাবদ মঞ্জুৰী ব্যয় আৰু আন আন দিশ বিবেচনাৰ ভিত্তিত নিমখৰ দাম তিনিটা মণ্ডলত ক্ৰমে প্ৰতি কিলোত ১·১১ টকা, ১·১৩ টকা আৰু ১·১৫ টকা হাৰত নিৰ্দ্ধাৰণ কয়া হয়।

ঙ) দাৰিদ্ৰ সীমাৰেখাৰ তলত থকা পৰিয়ালৰ প্ৰত্যেকটো প্ৰাপ্তবয়স্ক ব্যক্তিক প্ৰতি মাহে ১৫ কিলো চাউল ২/- (দুই) টকা হাৰত যোগান দিয়াৰ আচঁনি চৰকাৰে ঘোষনা কৰিছে। উক্ত আচঁনিখন কাৰ্য্যকৰী কৰিবলৈ প্ৰাৰম্ভিক কাম হাতত লোৱা হৈছে।

(খাদ্য আৰু অসামৰিক মন্ত্ৰী ডাঃ অৰ্দ্ধেন্দু কুমাৰ দেই প্ৰশ্নৰ উত্তৰৰ লগত দিয়া বিতৰণৰ দীঘলীয়া তালিকা পঢ়িবলৈ আৰম্ভ কৰাত ভালেকেইজন মাননীয় সদস্যই পঢ়িব লাগে বা পঢ়িব নেলাগে ইত্যাদি মন্তব্য দিয়ে সদনত অলপ গন্দগোল হয়।

ডাঃঅৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এই তথ্য সদনৰ মেজত দাখিল কৰিবলৈ কোৱা নাই কাৰণে মই পঢ়ি দিব লাগিব।

শ্ৰীজয়নাথ শৰ্ম্মা : গোটেইখিনি পঢ়ি দিব লাগিব। পঢ়ি যাওক।

শ্ৰীদিলীপ শইকীয়া সোনোৱাল : অধ্যক্ষ মহোদয়, জিলা ভিত্তিত পঢ়ি দিব লাগে।

মাননীয় অধ্যক্ষ : মাননীয় মন্ত্ৰীয়ে এইটো হাউচত দাখিল কৰিব। এতিয়া পঢ়িবলৈ গলে বহুত সময় নষ্ট হব।

ডাঃঅৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : মাননীয় অধ্যক্ষই কৈছে যেতিয়া মই এইটো হাউচত দাখিল কৰিম।

শ্ৰীভৰত নৰহ : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে নিমখৰ দামৰ ক্ষেত্ৰত কৈছে যে অসমক তিনিটা মণ্ডলত ভাগ কৰি ক্ৰমে কিলোত ১.১১ টকা ১.১৩ টকা আৰু ১.১৫ টকা হাৰত নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে। মই জনাত নিমখৰ দাম গোলাঘাটত ১.৫০ টকা আৰু লক্ষীমপুৰত ১.৬০ টকা হিচাপত বিক্ৰী কৰা হৈছে।

ডাঃঅৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : মাননীয়, অধ্যক্ষ মহোদয়, মানননীয় সদস্য গৰাকীয়ে যি কথা কৈছে তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো। এই অভিযোগটো মই অনুসন্ধান কৰিম। কোনো ব্যৱসায়ীয়ে চৰকাৰে বান্ধি দিয়া দামতকৈ বেছি ললে তাৰ ওপৰত ব্যৱস্থা লোৱা হব।

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, নিমখৰ দাম নিৰ্দ্ধাৰণ কৰিছে? ১.১১ পইচা ১.১৩ পইচা। কি ভিত্তিত এনে দাম নিৰ্দ্ধাৰণ কৰিছে? এজন দুখীয়া মানুহে আধাকিলো নিমখ কিনিবলৈ হলে কিমান দাম দিব? বা ১ কিলো কিনোতেও ১.১১ পইচা বা ১.১৩ পইচা দিব নেকি? বেপাৰীয়ে ১.১৫ পইচাকৈয়ে লব। এজন চুইপাৰ, চকীদাৰে আধাকিলো নিমখত কি দাম দিব? এই নিৰ্দ্ধাৰণ কৰা হৈছে ব্যৱসায়ী সকলক অধিক লাভৰ সুবিধা দিয়াৰ কাৰণেই।

ডাঃঅৰ্দ্ধেন্দূ কুমাৰ দে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এটা

ভাল পইণ্ট ৰেইজ কৰিছে। চৰকাৰে নিমখৰ দাম নিৰ্দ্ধাৰণ কৰোতে কুইণ্টল হিচাবত নিৰ্দ্ধাৰণ কৰে—কিলো হিচাবত নকৰে। পিচত হিচাব কৰি উলিয়াওতে এনেদৰে দাম পৰেগৈ। গ্ৰাহকে নিদ্ধাৰণ কৰি দিয়াৰ নেট দামটোকে দিব লাগিব।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, কথাটো হল যে নেকষ্ট পইচাটো দিব লাগে, অৰ্থাৎ ১.১১ পইচা, ১.১২, ১.১৩, ১.১১৪, ১.১১৫ পইচা দিব লাগে। কিন্তু গ্ৰাহক ৰাইজক ১.১১ পইচা দেখুৱাইছে। গ্ৰাহকে নিমখ ১.১৫ পইচা দিয়েই কিনিব লাগিব। বেচিকটো কি আছিল? সম্ভৱ কোনো গ্ৰাহকে কুইণ্টল হিচাপে নিমখ কিনি নানে। খুব বেচি ৫ কেজি আনিব পাৰে। বাৱসায়ী সকলক সুবিধা দিয়াৰ কাৰণে নিমখৰ দাম প্ৰতি কিলোট ১.১১ পইচা কৰিছিল নেকি? ২ নম্বৰ কথা হল আজিৰ দিনত গুৱাহটোত কৰবাত মানুহে ১.১১ পইচাত নিমখ কিনিছে নেকি?

ডাঃঅৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই ১ নম্বৰ প্ৰশ্নটো কৈছোৱেই যে ১.১২ পইচা, ১.১৩ পইচা হব পাৰে এইটো কথা কোৱা নাই। ১.১১ পইচাৰ প্ৰতি কেজিত হলে আধাকেজি কিনিবলৈ হলে যিটো দাম হব তাৰ নেকষ্টটো দি কিনিব লাগিব। তেখেতে ২ নম্বৰ যিটো কৰিছে সেইটোত মই বিতংকৈ পঢ়ি দিব বিচাৰিলো। সেইকাৰণে মই পুণৰ পঢ়ি দিছোঁ।

1. As for price of naked salt of 75 kgs bag.

| Zone-'A' | Zone-'B' | Zone (C) |
|---|---|---|
| Rs. 15.50 | 15·50 | 15·50 |

2. Cost of SDP bag

| | | |
|---|---|---|
| 7·00 | 7·00 | 7·00 |

3. Cost of loading plus incidental per bag.

| | | |
|---|---|---|
| 3·00 | 3·00 | 3·00 |

4. Railway freight

| | | |
|---|---|---|
| 28·80 | 29·78 | 31·50 |

5. Cost of unloading

| | | |
|---|---|---|
| .50 | .50 | .50 |

6. Shortage a/c transit losses at the rate of 3·/. on 1 to 4

| | | |
|---|---|---|
| 1·62 | 1·66 | 1·71 |

7. Ex-Rly Yard price :

| | | |
|---|---|---|
| 56·12 | 57·44 | 59·21 |

8. Add. 2.5·/. profit on 7 above

| | | |
|---|---|---|
| 1.40 | 1.43 | 1.48 |

9. Ex. Rly Yard wholesale price

| | | |
|---|---|---|
| 57.52 | 58.87 | 60.69 |

10. Surface transport to Godown...........

শ্রীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই প্ৰশ্নটো পঢ়ি দিলে বহুত সময় গুচি যাব।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় সদস্যজনে প্ৰশ্ন তুলি আছে যেতিয়া মই পঢ়ি দিবই লাগিব।

শ্রীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, ভিত্তি মানে দাম নহয়। প্ৰশ্নটোৰ উত্তৰ দিলে ভাল হয়। দীঘলীয়া হব পাৰে সেইবোৰ বহুতো সদস্যই আপত্তি কৰিব পাৰে। মোৰ প্ৰশ্ন হৈছে এই ১.১১ পইচা নিমখৰ দামকিয় কৰিলে ? কোনবা ব্যৱসায়ীৰ স্থবিধাৰ কাৰণে দুখীয়া গ্ৰাহক সকলৰ পৰা ১.১৫ পইচাকৈ লোৱাৰ কাৰণে এইটো কৰিছে নেকি ? নে কাৰো-বাৰ লগত গোপন বুজা-বুজিত এইটো কৰিলে ?

শ্রীভৰত চন্দ্ৰ নৰহ : মাননীয় অধ্যক্ষ মহোদয়, এটা প্ৰশ্নৰ কাৰণে যদি ৪৫ মিনিট সময় যায় তেনিহলে বহুতো প্ৰশ্ন উঠি যাব।

শ্রীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে তেখেতে কাৰোবাক অসমৰ বাহিৰৰ নিমখ আনিবলৈ দিছে নেকি ?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ( যোগান মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে তেনেকুৱা প্ৰশ্ন কৰিলে আমাৰ অস্থবিধা আছে। কি কাৰণত এইটো কৰিব লগীয়া হল মই কৈ আছো।

শ্রীগিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, আপুনি বহুবাৰ ৰুলিং দিছে এটা চাপলিমেনটেৰী সংখ্যা ৫ টাৰ বেচি হব নেলাগে। এইটো কৰবাত ব্যতিক্ৰম হব পাৰে নেকি ?

মাননীয় অধ্যক্ষ : ব্যতিক্ৰম হব পাৰে। তেখেতৰ প্ৰশ্নটো দীঙলীয়া হৈ আছে। তেখেতে ক্লিয়েৰিফিকেচন বিচাৰিছে।

( Speech not corrected )

**বিষয়ঃ বান পীড়িতৰ বাবে ৰবি শস্যৰ বীজ।**

শ্ৰীনিজামুদ্দিন খানে শুধিছে ঃ

*৬৫ মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চলিত বছৰত বান পীড়িতৰ বাবে ৰবি শস্যৰ বীজ দিয়া হ'ব নে?

খ) যদি হয়, কোন জিলাত কিমান পৰিমানৰ বীজ দিয়া হ'ব?

গ) এই বীজ মুকলি বজাৰৰ পৰা সংগ্ৰহ কৰিবনে, কৃষি গবেষণাগাৰ সমূহৰ পৰা সংগ্ৰহ কৰিব?

ঘ) বতৰৰ লগে লগে এই বীজ বিতৰণ কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীমতী চৈয়াদা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে।

৬৫ ক) হয়, দিয়াৰ ব্যৱস্থা কৰা হৈছে।

খ) প্ৰতিখন জিলাত বিতৰণ কৰিব লগীয়া প্ৰস্তাবিত বীজ আৱণ্টনৰ তালিকা সদনৰ মজিয়াত দিয়া হ'ল। (Annexure (B)

গ) মুকলি বজাৰ আৰু কৃষি গবেষনাগাৰৰ পৰা সংগ্ৰহ কৰা নহয়। বীজ সমূহ কেৱল অসম বীজ নিগমৰ জৰিয়তে সংগ্ৰহ কৰা হয়।

ঘ) হয়, কৰা হ'ব।

শ্ৰীনিজামুদ্দিন খান ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই মাননীয়া মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো যে বান পীড়িত ৰাইজক বীজ দিওতে কিমান টকাৰ বীজ দিয়া হ'ল। সকলো খেতিয়কক বীজ দিয়া হ'ব নে?

শ্ৰীমতী চৈয়াদা আনোৱাৰা টাইমুৰ (কৃষি বিভাগৰ মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সদনৰ মজিয়াত যিখন তালিকা দিয়া হৈছে সেই মতে হ'ব। ১ কোটি ৮৬ লাখ টকাৰ বীজ বিতৰণ কৰা হ'ব আৰু বান বিধ্বস্ত অঞ্চলত

যি ধৰণে সাহায্য বিচৰা হৈছে তেখেত সকলে যি ধৰণে তালিকা দিছে প্ৰত্যেক অঞ্চলতে সেই মতে দিয়া হব।

দেৱান জয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয় বীজবোৰ বানপ্ৰীড়িত অঞ্চলতে দিয়া হব নে বানপানী নোহোৱা অঞ্চলতো দিয়া হব। মাটিমাহ আদি শস্যৰ বীজ যেতিয়া যোগান ধৰা হৈছিল তেতিয়া বহুত ঠাইত বীজ সময়মতে গৈ নাপালে। সেই বীজ বোৰ খাদ্য হিচাবে বা বীজ হিচাবে ব্যৱহাৰ কৰা নহয়। সময়মতে বীজবোৰ দিব পৰা যায় তাৰ কাৰণে মন্ত্ৰী মহোদয়ই আমাক আশ্বাস দিব নেকি ?

শ্ৰীমতী চৈয়াদা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বান পীড়িত অঞ্চলত সময়মতে দিবৰ কাৰণে সময় বান্ধি দিয়া হৈছিল। সেইদৰে ৰবি শস্যৰ সময়ও বান্ধি দিয়া হৈছে। চেপ্তেম্বৰ মাহত মাটিমাহ, সৰিয়হ দিয়া হয়। ১৫ চেপ্তেম্বৰৰ পৰা পিচৰ সময়লৈকে বান্ধি দিয়া হৈছে আৰু অক্টোবৰ মাহত গৰম গুটি দিয়া হয় আৰু জানুৱাৰী মাহত আলু আদিৰ বীজ দিয়া হয়। এই বীজ বিলাক যাতে সময়মতে দিয়া হয় তাৰ কাৰণে চোকা দৃষ্টি ৰখা হব।

শ্ৰীজয়নাল আবেদিন : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়াই কৈছে যে, সময় বান্ধি দিয়া মতে খাৰিফ শস্য দিয়া হব সেই মতে পাব। কিন্তু বান্ধি দিয়া সময়মতে খাৰিফ শস্য বা ৰবি শস্য পাবগৈ নে নাপায়।

শ্ৰীমতী চৈয়াদা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, বীজ খিনি সময়মতে পাবৰ কাৰণে নিশ্চয় চকু ৰখা হব।

শ্ৰীগিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, বীজ নিগমৰ কাৰবাৰবোৰ মই ভালকৈ জানো। বীজবিলাক ঠিকাদাৰৰ জৰিয়তে সংগ্ৰহ কৰে নেকি ?

শ্ৰীমতী চৈয়াদা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ঠিকাদাৰৰ পৰা কৰা নহয়। বীজ নিগমৰ পৰা কৰা হয়।

বিষয়ঃ—খৰাং অঞ্চল আৰু সাহাৰ্য্য

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, বীজবোৰ যদি নিগমৰ হয় কেনে ধৰণৰ যোগান ধৰি ঠিকাদাৰক দিয়া হয়?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বীজ নিগমৰ জৰিয়তে কৰা হয়।

(৬৬ নং প্ৰশ্ন কি হল? ভইচ)

মাননীয় অধ্যক্ষ ঃ ৬৬ প্ৰশ্ন উত্তৰ কৰোতে বেলেগ বিভাগৰ পৰা আহে। বিভাগৰ মন্ত্ৰীৰ ওচৰত দাখিল কৰা নাই বাবে উত্থাপন কৰিব পৰা নহল।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, ৬৫ নং প্ৰশ্নৰ উত্তৰত কৈছে যে তেখেত এজন অভিজ্ঞ মন্ত্ৰী হিচাবে কৈছো আৰু অনুৰোধ কৰিছে— বীজবোৰ বিতৰণ কৰোতে বাম পীড়িত অঞ্চলত সময়মতে পায় তাৰ কাৰণে যেন চিন্তা কৰে।

শ্ৰীবিনোদ গোৱালা য়ে সুধিছে ঃ

* ৬৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) সৰুপথাৰ সমষ্টিত ধনশিৰি মহকুমাত অভূতপূৰ্ব্ব খৰাং অৱস্থাৰ বিষয়ে চৰকাৰ অৱগত নে?

খ) যদি অৱগত, তেন্তে খৰাং বতৰত ক্ষতিগ্ৰস্ত খেতিয়ক সকলৰ বাবে চৰকাৰে মুঠ কিমান টকাৰ কৃষি সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিছে?

গ) উক্ত সাহাৰ্য্যৰ কাৰণে কি কি সামগ্ৰী দিয়াৰ ব্যৱস্থা কৰিব?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে।

৬৭ ক) হয় চৰকাৰ অৱগত আছে।

খ) খৰাং বতৰত ক্ষতিগ্ৰস্ত খেতিয়ক সকলৰ বাবে সৰ্ব্বমুঠ ৩৯,৫৮৮১৩ টকাৰ সাহাৰ্য্য আচঁনি প্ৰস্তুত কৰি ৰাজহ বিভাগৰ পৰা মঞ্জুৰী বিচৰা হৈছে।

গ) উক্ত সাহাৰ্য্যৰ কাৰণে ৰাজহ বিভাগৰ পৰা টকা পালে নিম্নলিখিত সামগ্ৰী বিলাক দিয়া হব

| | |
|---|---|
| ঘেঁহু | ২৭৭৬·১৬ কুঃ |
| সৰিয়হ | ৩৪৭·০২ কুঃ |
| মটৰ | ১২১৪·৫৭ কুঃ |
| ট্ৰেক্টৰেৰে হালবোৱা | ২০০ হেঃ মাটি |

শ্ৰীবিনোদ গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়াই জনাব-নেকি ইতিমধ্যে অসমৰ গোলাঘাট জিলাৰ সৰু পথাৰত প্ৰত্যেক বাৰতে খৰাং হব পাৰে। বহুতো খেতিয়কে কৃষিৰ সময়ত খেতি বাতি সময়মতে কৰিব নোৱাৰিলে ৩৯ হেজাৰ টকাৰ সাহাৰ্য্যৰ আচঁনি প্ৰস্তুত কি বীজ দিব এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব লাগে আৰু যি সময়ত কৃষকে এতিয়াও ৰুব পৰা নাই সেই সকলৰ কাৰণে কি ব্যৱস্থা কৰিছে?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, হেজাৰ নহয় লাখ হে। ৰাজহ বিভাগৰ পৰা আচঁনি প্ৰস্তুত কৰিছো। সৰু পথাৰৰ কাৰণে এতিয়ালৈকে মঞ্জুৰী পোৱা নাই। খৰাং বতৰত কি বীজ দিয়া হব সেই কথা আগতে কোৱা হৈছে।

শ্ৰীনগেন শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, খৰাং বতৰৰ কাৰণে কি আচঁনি লোৱা হৈছে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ৰাজহ বিভাগক টানি অনুৰোধ কৰিছো সেই চেংচন মতে জনাব পাৰিম।

শ্ৰীবিনোদ গোৱালা ঃ মাননীয় অধ্যক্ষ মহোদয়, খৰাং পীড়িত অঞ্চলত ৮০ লাখ টকা চেংচন কৰা হৈছিল বুলি কৈছে। ৮০ লাখৰ ভিতৰত ৬০ লাখ কৰা হৈছে এই বিষয়ে জনাব নেকি ?

শ্ৰীমতী আনোৱাৰা টাইমুৰ ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মোৰ মনত নাই।

শ্ৰীবিনোদ গোৱালা ঃ মাননীয় অধ্যক্ষ মহোদয়, গোলাঘাট বাসী ৰাইজে দাবী জনাইছে যে খৰাং পিড়ীত অঞ্চলত সাহাৰ্য্য দিয়াৰ কথা আছিল যদিও জিলাৰ উপায়ুক্ত বা মহকুমাৰ জৰিয়তে দিয়াৰ কথা আছিল কি এতিয়া-লৈকে দিয়া নাই। গতিকে সোনকালে দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মই আগতে জনাই দিছো।

শ্ৰীন সিং ৰং পি ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বছৰ বিভাগে সময়মতে নকৰাত ১২ দিন লেট হৈ গৈছে। কাৰ্বি আংলং ক খৰাং অঞ্চল বুলি ঘোষনা কৰা হৈছে মন্ত্ৰী মহোদয়ে এই বিষয়ে জনাবনে।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া-লৈকে ঘোষনা কৰা হোৱা নাই।

## বিষয় ঃ আই টি, আই য়েৰ স্থান।

শ্ৰীপ্ৰণব কুমাৰ নাথে জিজ্ঞাস কৰছেন ঃ

* ৬৮ মাননীয় শ্ৰম বিভাগেৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জানাবেন কি ?

ক) প্ৰস্তাৱিত কৰিমগঞ্জ আই, টি, আই টি বৰ্ত্তমান অৰ্থ বছৰে কৰিমগঞ্জ জিলায় স্থানান্তৰিত কৰা হবে কি ?

খ) শ্রী কোনা হতে এবং ইয়াৰ জন্য চুড়া স্থান নির্দ্ধারন সম্পর্কে কোনরূপ সির্দ্ধান্ত নেওয়া হয়েছে কি ?

গ) সমগ্র করিমগঞ্জ জিলার মধ্যৱৰ্ত্তী স্থান নিলাম বাজাৰে স্থানান্তরের জায়গা নির্দ্ধারন করবেন কি ?

শ্রী ছিলভিয়াচ কন্দপান, ( মন্ত্রী ) উত্তৰ দিয়েছেন :

৬৮। ক) করিমগঞ্জও, আই, টি, আই, বর্ত্তমান আর্থিক বৎসরে অর্থাৎ ১৯৯১-৯২ এর মধ্যে স্থানান্তরিত করিবার জন্য সকল প্রকার ব্যৱস্থা নেওয়া হইয়াছে। এবং সচিবালয়ের শ্রম ও নিয়োগ বিভাগে করিমগঞ্জ আই, টি, আই স্থানান্তরের জন্য ইতিমধ্যে আদেশ জারি করিয়াছে।

খ) কৰিমগঞ্জ আই, টি, আই, স্থায়ীরূপে স্থাপনেৰ জন্য আসাম সরকার দ্বারা গঠিত স্থান নির্ব্বাচনী সমিতি কন্‌কলাস ২য় খণ্ড সুপারিশ করিয়াছে, কিন্তু এই সম্পর্কে এখনও কোনো সিদ্ধান্ত গ্রহণ করে নাই।

গ) প্রশ্নর উত্তর (খ) মতে।

শ্রী প্রনব কুমার নাথ :- মাননীয় অধ্যক্ষ মহোদয়, করিমগঞ্জ জেলায় দীর্ঘদিন ধরে আই, টি, আই স্থাপনের দাবী চলে আসছে। সুতরাং এই আই টি আই-এর স্থান নির্বাচন এমন যায়গায় হওয়া উচিত যাতে জেলার প্রত্যেক অঞ্চলের লোক এর সুবিধা গ্রহণ করতে পারে। আর সেই উপযুক্ত স্থান হলো নিলাম বাজার। এ ব্যাপারে সরকারী এক আদেশ মর্মে নং কে ডি ভি ( জি ) ৫৬/পার্ট -১/৮৭/৩২, তারিখ ১৮/৯/৮৭ মতে একটি তদন্ত করা হয়। এবং সার্ভে রিপোর্ট দাখিল করা হয়। এ ব্যাপারে বিভাগীয় মন্ত্রী মহোদয়কে অনুরোধ করবো যাতে নিলাম বাজারের মতো স্থানে যেখানে বিভিন্ন ধরনের সুযোগ সুবিধা রয়েছে যেমন, থানা, বাজার, বেংক, রেলওয়ে ষ্টেশন, ন্যাশনেল হাইপয়ে প্রভৃতি সকল রকমের সুযোগ সুবিধা রয়েছে সেখানে আই টি আই স্থাপনেৰ ব্যৱস্থা করা হবে কি ? কারন কনকলাস এর মতো একটি স্থানে যোগাযোগের অভাব রয়েছে। সেজন্য এই ব্যাপারে মন্ত্রী মহোদয় যে সিদ্ধান্ত নিবেন তা এই বিধান সভায় জানাবেন কি ?

শ্রী সিলভিয়াস কন্দপান ( মন্ত্রী ) ঃ মহোদয়, আই টি আই স্থাপনের জন্য স্থান নির্ণরে ব্যাপারে সাধারণতঃ কয়েকটি বিষয়ের উপর লক্ষ রাখা হয়। সেটা হলো ... industrial evn-ironment, electricity, good comunication, water supply, availability of high land, and land, to the extent of 50 bighas... এইসব ব্যাপার দেখার জন্য সরকার একটা কমিটি গঠণ করেছে। এইসব বিষয়ে কমিটী রিপোর্ট দাখিল করলে সবসাধারনের যাতে সুবিধা হয় সে সব কথা বিবেচনা করে স্থান নির্ণয়ের ব্যাপারে সিদ্ধান্ত নেওয়া হবে।

শ্রী প্রনব কুমার নাথ ঃ মহোদয়, দক্ষিণ করিমগঞ্জ নির্বাচন চক্র করিমগঞ্জ জেলার ভিতর সর্ব বৃহৎ নির্বাচন চক্র। এই নির্বাচন চক্রে যে সব বেকার যুবক রয়েছে তারা রোজই করিমগঞ্জ এবং পথারকান্দি গিয়ে এমপ্লয়মণ্ট এক্সচেঞ্জে ধর্ণা দিজ্জে। এতে তাদের যথেষ্ট অসুবিধা হচ্ছে। সুতরাং মন্ত্রী মহোদয় নিলামবাজারে একটি এমপ্লমেন্ট এক্সচেঞ্জ স্থাপন করার ব্যবস্থা করবেন কি ?

শ্রী সিলভিয়াস কন্দপান (মন্ত্রী) ঃ মহোদয়, মাননীয় সদস্য করিমগঞ্জ জেলায় আই টি আই স্থাপনের প্রশ্ন করেছিলেন। এখন আবার তিনি এমপ্লয়মেণ্ট এক্সচেঞ্জ স্থাপনের জন্য বলছেন। ব্যাপারটা যদিও আলাদা তবুও বলছি যে এই ব্যাপারে আমরা চিন্তা করব।

করেন্দ্র বসুমতারী ঃ মাননীয় অধ্যক্ষ মহোদয়, দরং জিলাৰ ডেৰগাওঁত আই, টি, আই স্থাপন কৰিলে যুৱক সকলক সংস্থাপন কৰিবলৈ পৰা যাব। এই বিষয়ে মন্ত্রী মহোদয়ে কিবা ব্যবস্থা লৈছে নেকি জনাবনে ?

শ্রী ছিলভিয়াচ কন্দপান (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ডেৰগাওঁ মোৱ সমষ্টিৰে অন্তৰ্গত। মাননীয় সদস্য গৰাকীয়ে যি প্রশ্ন উৎথাপন কৰিছে এইটো এটা সুকীয়া প্রশ্ন দিলে মাননীয় সদস্য গৰাকীক মই জনাব পাৰিলোহেতেন।

শ্রী ৰমেন্দ্র নাৰায়ন কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯১-৯২ চনত নতুনকৈ আই, টি, আই, স্থাপন কৰাৰ সিদ্ধান্ত চৰকাৰে লব নেকি ? আৰু যদি

ইতিমধ্যে সিদ্ধান্ত লৈছে বা স্থাপন কৰিছে কত কিমান স্থাপন কৰিছে জনাব নেকি ?

শ্ৰী ছিলভিয়াচ কন্দপান ( মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, আই, টি, আই, স্থাপনৰ ক্ষেত্ৰত কত কত প্ৰয়োজন হয় এই সম্পৰ্কে চৰকাৰে চিন্তা কৰি চাব।

শ্ৰী বিনোদ গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, ধনশিৰি মহকুমাত আই, টি, আই, স্থাপনৰ বাবে বাতৰি কাকতত নিবৃতি প্ৰচাৰ হৈছে। ১৪৭৮ চনতে স্থাপন কৰা আই, টি, আই, খন আজি পৰ্য্যন্ত উন্নীতকৰণ হোৱা নাই। ইয়াত ট্ৰেড আৰু আৰু গৃহ নাই, এতিয়াও পয়ালগা অৱস্থাত আছে। ইয়াৰ কিবা ব্যৱস্থা কৰিব নেকি ?

শ্ৰী ছিলভিয়াচ কন্দপান (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়ে চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। এই সম্পৰ্কে কি ব্যৱস্থা কৰিব লাগে আমি চিন্তা কৰি চাম।

## তত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য।

শ্ৰী নগেন শৰ্ম্মা য়ে সুধিছে :

* ৬৯) মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ?

ক) ১৯৯১ চনৰ জুন মাহৰ ১ তাৰিখে অসমত চাউল, ৰহৰ, দাইল, মচুৰ দাইল, মুগ দাইল, বুট দাইল. নিমখ, মিঠাতেল, আলু আৰু পিয়াজৰ খুচুৰা মূল্য প্ৰতি কেজিত কিমান আছিল ?

খ) ১৯৯১ চনৰ ৩১ আগষ্ট তাৰিখে চাউল, ৰহৰ দাইল, মুগ দাইল, বুট দাইল, মচুৰ দাইল, নিমখ, মিঠাতেল, আলু আৰু পিয়াজৰ খুচুৰা মূল্য প্ৰতি কেজিত কিমান ?

ডাঃ অৰ্দ্ধেন্দু দে ( খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

৬৯। ক) ১৯৯১ চনৰ জুন মাহৰ ১ তাৰিখে অসমত চাউল, ৰহৰ দাইল, মচুৰ দাইল মুগ দাইল, বুত দাইল, মিঠাতেল, নিমখ, আলু আৰু পিয়াজৰ

খুচুৰা মূল্য প্ৰতি কেজিত সৰ্ব্বনিম্নৰ পৰা সৰ্ব্বোচ্চ এনেধৰনৰ আছিল—

| সামগ্ৰীক নাম | | | প্ৰতি কেজিৰ মূল্য | | | |
|---|---|---|---|---|---|---|
| ১) চাউল | ক) সাধাৰণ মোটা | | — ৪.৬০ টকাৰ পৰা | | ৪.৭০ টকা | |
| | খ) আইজং | | — ৫.৫০ | ” ” | ৬.০০ | ” |
| | গ) পৰিমল | | — ৪.৮০ | ” ” | ৬.০০ | |
| ২) ৰহৰ দাইল | | — | — ১৪.৫০ | ” ” | ১৫.৫০ | ” |
| ৩) মচুৰ দাইল | | — | — ১০.০০ | ” ” | ১১.০০ | ” |
| ৪) মুগ দাইল | | — | — ১০.০০ | ” ” | ১১.৮০ | ” |
| ৫) বুত দাইল | | — | — ৯.৫০ | ” ” | ১০.০০ | ” |
| ৬) মিঠাতেল | | — | — ২৯.০০ | ” ” | ৩০.০০ | ” |
| ৭) নিমখ | | — | — ১.২০ | ” ” | ১.৩০ | ” |
| ৮) আলু | | — | — ৪.০০ | ” ” | ৪.২৫ | ” |
| ৯) পিয়াজ | | — | — ৩.৫০ | ” ” | ৪.০০ | ” |

খ) ১৯৯১ চনৰ ৩১ আগষ্ট তাৰিখে চাউল, ৰহৰ দাইল, মচুৰ দাইল, মুগ দাইল, বুত দাইল, মিঠাতেল, নিমখ, আলু আৰু পিয়াজৰ খুচুৰা মূল্য প্ৰতি কেজিত সৰ্ব্বনিম্নৰ পৰা সৰ্ব্বোচ্চ এনেধৰনৰ আছিল -

| সামগ্ৰীৰ নাম | | প্ৰতি কেজিৰ মূল্য | | | |
|---|---|---|---|---|---|
| ১) চাউল | ক) সাধাৰণ মোটা | — ৫.৩৫ টকাৰ পৰা | | ৫.৬০ টকা | |
| | খ) আইজং | — ৬.৪০ | ” ” | ৬.৭০ | ” |
| | গ) পৰিমল | — ৫.৬০ | ” ” | ৬.৫০ | ” |
| ২) ৰহৰ দাইল | | — ১৫.৭৫ | ” ” | ১৬.০০ | ” |
| ৩) মচুৰ দাইল | | — ১২.০০ | ” ” | ১২.৫০ | ” |
| ৪) মুগ দাইল | | — ১১.৭৫ | ” ” | ১২.৪০ | ” |
| ৫) বুট দাইৰ | | — ৯.০০ | ” ” | ৯.৫০ | ” |
| ৬) মিঠাতেল | | — ৩২.০০ | ” ” | ৩৩.০০ | ” |
| ৭) নিমখ | | — ১.২০ | ” ” | ১.৩০ | ” |
| ৮) আলু | | — ৩.৫০ | ” ” | ৪.২৫ | ” |
| ৯) পিয়াজ | | — ৬.০০ | ” ” | ৭.০০ | ” |

Shri Zoli Nath Sarma : Sir, a Point of Order. The procedure and convention of the House is that if there is a long statement, automatically, the Minister concerned should lay down the statement in the table of the House. Minister should not try to consume the time of the the house and should not waste time by reading such long statement. I am not putting the Rule, but it is the convention of the House.

শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এনেধৰণৰ নিয়ম দেখুৱাব পাৰিলে আমি উপকৃত হম।

( প্ৰশ্নোত্তৰ পঢ়ি দিয়ে )

শ্ৰীনগেন শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, ১ জুন তাৰিখৰ পৰা ৩১ আগষ্ট তাৰিখৰ ভিতৰত দেখা গৈছে যে চাউলৰ দাম শতকৰা ২৫ ভাগ বাঢ়িছে। মাননীয় মন্ত্ৰী মহোদয়ৰ আগৰ প্ৰশ্নৰ উত্তৰত কৈছিল যে নিমখৰ দাম ১.১১ পইচা, এতিয়া কৈছে ১.২০ পইচা ১২/৯/৯১ পৰা ১.৩০ পইচা হৈছে। ইয়াৰ কোনো সামঞ্জস্য নাই। বস্তুৰ দাম বৃদ্ধি পাইছে পাইছে। যোৱা ৭ তাৰিখত যি বিধান সভা হৈছিল তাত প্ৰশ্ন কৰোতে কৈছিল যে মূল্য বৃদ্ধি সমানুপাতিক বা কমোৱাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে ব্যৱস্থা লোৱাৰ কথা কৈছিল। কিন্তু এতিয়া বস্তুৰ দাম বৃদ্ধি হৈ গৈ আছে। এই মূল্য বৃদ্ধি ৰোধ কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি ? তেখেত সকলে নিৰ্বাচনী ইস্তাহাৰত ৰাইজক দিয়া প্ৰতিশ্ৰুতি অনুসাৰে মূল্য বৃদ্ধি ৰোধ কৰিব নে ?

শ্ৰী অৰ্দ্ধেন্দু কুমাৰ দে ( মন্ত্ৰী ) অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক মই আগতেই উত্তৰ দিছো। প্ৰথমতেই মই কৈছো যে নিমখৰ দাম আমি কমোৱা নাই। মই আগৰ এক নম্বৰ প্ৰশ্নৰ উত্তৰ দিছো। এই বিষয়ে আগষ্ট মাহত মিটিং হৈছে। তেখেত সকলৰ মই দ্বিতীয় প্ৰশ্নৰ উত্তৰ দিছো—বস্তু বাহানিৰ যি দাম বাঢ়িছে তাৰ কিছুমান কাৰণ আছে। তাৰ অকনমান মই কৈছো

শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে ( মন্ত্ৰী ) : ( ক্ৰমশ: ) খাদ্য সামগ্ৰীৰ মূল্য বৃদ্ধি এক সৰ্ব্বভাৰতীয় সমস্যা। প্ৰকৃততে আমাৰ ৰাজ্যখনৰ সকলোবোৰ আৱশ্যকীয় সামগ্ৰীৰ প্ৰয়োজনীয় চাহিদা পূৰণৰ বাবে ৰাজ্যৰ বাহিৰত অৱস্থিত সামগ্ৰী উৎপাদনকাৰীৰ ওপৰত নিৰ্ভৰ কৰিব লগাত পৰে। ৰাজ্যখনলৈ ৰেলযোগে সামগ্ৰী সৰবৰাহৰ সুবিধা নিচেই সীমিত হোৱাৰ বাবে প্ৰায়বোৰ ৰাজ্যৰ বাহিৰৰ উৎসৰ পৰা পথ পৰিবহণ যোগে আনিব লগীয়া হয়। বৰ্ত্তমান পথ পৰিবহণ ব্যয় দূৰত্ব সাপেক্ষে কুইণ্টলে প্ৰতি ৪০ টকাৰ পৰা ৬০ টকা পৰ্য্যন্ত হোৱাত ইয়াৰ প্ৰত্যক্ষ্য প্ৰভাৱ সামগ্ৰীৰ গ্ৰাহক মূল্যত পৰাটো নিতান্তই স্বাভাৱিক যাৰ ফলত কিছু পৰিমান সামগ্ৰীৰ মূল্য বৃদ্ধি ঘটে।

অত্যাবশ্যকীয় সামগ্ৰী যেনে চাউল, দাইল, চেনী, মিঠাতেল, ঘি, আটা মইদা, অলু আৰু পিয়াজৰ বজাৰৰ দাম কিছু পৰিমানে বৃদ্ধি হোৱাটো অস্বীকাৰ কৰিব নোৱাৰি। ( সদনত হুলস্থূল হয় )

শ্ৰীআউল্লাদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই এটা কথা উল্লেখ কৰিবলৈ বিচাৰিছো যে সদনত মন্ত্ৰী মহোদয়ে ষ্টাৰ্ড প্ৰশ্নোত্তৰৰ বিপৰীতে আনষ্টাৰ্ড প্ৰশ্নোত্তৰ দি আছে। এনেকোৱা দীঘলীয়া প্ৰশ্ন কিমান সময় পঢ়িয়াব। ( গণ্ডগোল )

শ্ৰীৰমেন কলিতা : মাননীয় অধ্যক্ষ মহোদয়, এইটো যিহেতু জলন্ত সমস্যা, এই সমস্যা সম্পৰ্কে আমি নিশ্চয় বিতং ভাবে আলোচনা কৰা উচিৎ। এই সম্পৰ্কে আলোচনা কৰিবলৈ দিব লাগে বুলি মই অনুৰোধ জনাইছো। ( গণ্ডগোল )

Mr. Speaker Order, Order. Hon. Members ask supplementaries one after another; not all at a time. . . .

( Many hon. members both in Opposition and Treasury benches were on their legs and started speaking all at a time )

শ্ৰীঅৰ্দ্ধেন্দু কুমাৰ দে ( মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে আধা ঘণ্টা সময় দিব লাগে বুলি কৈছে। তেতিয়াহলে প্ৰশ্নৰ উত্তৰ বাকী থাকিব ( গণ্ডগোল )

Mr. Speaker : Order, Order. Please sit down. Whether you want the reply from the Minister or not. If the hon. members speak all at a time Minister will not be able to reply.

( Many hon. members were on their legs and started speaking.

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাত যেতিয়া প্ৰশ্নোত্তৰ থাকে তেতিয়া সময় বান্ধি দিব লাগে। আজি সদনত যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে বস্তুৰ দাম 'ফিক্সচ' কৰিছে দেখা যায় যে নিমখ কেজিত ১.১১ পইচা বা ১.১৩ পইচা যদি হয় তেতিয়াহলে মিডিল ক্লাছৰ মানুহে কেনেকৈ কিনিব । তেওঁলোকে ১ কেজিৰ ঠাইত আধা কেজি কিনে । এনেকুৱা ধৰণৰ প্ৰশ্ন উত্তৰ দীঘলীয়া হয়, যি কনভেনচন চলি আহিছে সেইটো মানি চলিলে সুবিধা হব ।

শ্ৰী অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি মন্তব্য দিছে মই সেইটো মানি লৈছো ।

শ্ৰী নগেন শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, নিৰ্ব্বাচনৰ প্ৰতিশ্ৰুতি মতে মূল্যবৃদ্ধি ৰোধ কৰিবনে নাই । (গণ্ডগোল)

শ্ৰী অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীৰ পৰিপূৰক উত্তৰত মই কৈ আছো—কি কাৰণত দাম বাঢ়িছে । (গণ্ডগোল)

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকলক মই অৱগত কৰো যে—মন্ত্ৰী মহোদয়ে প্ৰশ্নৰ উত্তৰ দিছে— এটা প্ৰশ্নত ইমান সময় লাগিলে আৰু বহুত প্ৰশ্ন আছে। সেই বিলাকৰ উত্তৰ দিব লাগিব। কিন্তু আপোনালেকে হুল-স্থূল কৰিছে। যিটো কনভেনচন হয় ৰোল নহয়। মই অনুৰোধ কৰো

আপোনালোকে নিজে আইন কানুন যদি ভাঙে তেন্তে কেনেকৈ হব ? মই ৰুলিং দিয়াৰ পিছত কিয় কয় ?

(প্ৰশ্নোত্তৰ কাল অন্ত)

শ্ৰী যতীন মালী : প্ৰশ্নোত্তৰত কিমান সময় দিয়া হব আৰু কেনেকৈ পৰিপূৰক প্ৰশ্ন কৰিব লাগে ইত্যাদি নিৰ্দ্ধাৰণ কৰা উচিত। গতিকে আমাক এতিয়া দহ মিনিট সময় বঢ়াই দিব লাগে।

মাননীয় অধ্যক্ষ : দহ মিনিট সময়ৰ ৫ মিনিট সময় ইতিমধ্যে নষ্ট কৰিলে।

শ্ৰী জয় নাথ শৰ্ম্মা : মই এটা পইণ্ট অব অৰ্ডাৰ ৰেইজ কৰিব কৰিব বিচাৰিছো। মাননীয় সদস্য এগৰাকীয়ে প্ৰশ্ন সুধিলে মন্ত্ৰীয়ে প্ৰশ্নোত্তৰত অন্য ফালে গুচি গলে আপুনি হস্তক্ষেপ কৰিব লাগে। পোনপটীয়া প্ৰশ্ন সোধা হৈছে যে মূল্য বৃদ্ধিৰ কাৰণ কি আৰু নিৰ্ব্বাচনী ইস্তাহাৰ মৰ্ম্মে বস্তুৰ দাম কমিব নে নকমে ? ইয়াৰ উত্তৰ নিদিলে কিয় ?

( Speech not corrected )

শ্ৰী হিতেশ্বৰ ডেকায়ে সুধিছে :

**বিষয় : শুক্লাই জলসিঞ্চন আচঁনি ।**

* ৭০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) শুক্লাই জলসিঞ্চন আচঁনিৰ জৰিয়তে মুঠতে কিমান মাটিত পানী যোগানৰ লক্ষ্য বান্ধি লোৱা হৈছিল ?

খ) এতিয়ালৈকে কিমান বিঘা মাটিত পানী যোগান ধৰা হৈছে ?

গ) বৰ্ত্তমানলৈকে এই আচঁনিত সৰ্বমুঠ ব্যয় কিমান হ'ল ?

ঘ) বাকী লক্ষ্য কেতিয়া পুৰণ হব ?

ঙ) এই আচঁনিৰ অতিৰিক্ত পানীখিনি কলৈ উলিয়াই দিয়া হব ?

শ্ৰী জেহিৰুল ইচলাম (মন্ত্ৰী)য়ে উত্তৰ দিছে :

৭০ ক) শুক্লা জলসিঞ্চন আচঁনিৰ মূল পৰিকল্পনা মতে লছৰেকীয়া মুঠ ২৩,৬৪৪ (হক্টৰ অৰ্থাৎ ১,৭৭,৩৩০ বিঘা মাটিত পানী যোগানৰ লক্ষ্য বান্ধি লোৱা হৈছিল ।

খ) এতিয়ালৈকে বছৰেকীয়া পানী যোগানৰ মাটি কালি গড়ে ১২,৪০৬ হেক্টৰ অৰ্থাৎ ৯৩,০৪৫ বিঘা ।

গ) মূল আচঁনিত সৰ্ব্বমুঠ ৪,৭৬,৯৯,১৩০·৩৩ টকা ব্যয় হৈছে ।

ঘ) ৮ম পৰিকল্পনা কালত শুক্লা জলসিঞ্চন আচঁনিৰ আধুনিকীকৰনৰ প্ৰস্তাৱ লোৱা হৈছে । এই প্ৰস্তাৱ কাৰ্য্যকৰী হলে বাকী লক্ষ পূৰণ হব বুলি আশা কৰা হৈছে ।

ঙ) এই আচঁনিৰ নলা প্ৰথাৰে প্ৰাক্কলন মতে স্থিৰ কৰা পানীৰ পৰিমানতকৈ বেচি পানী এতিয়ালৈকে প্ৰৱাহিত কৰা নাই। অৱশ্যে বানবানীৰ সময়ত কেতিয়াবা কেতিয়াবা প্ৰয়োজনৰ অধিক পানী নলাত সোমায়।

বিষয়: বিবাদমান গাওঁ।

শ্ৰী গহিন চন্দ্ৰ দাসয়ে সুধিছে:

৭১। ক) নগাওঁ আৰু কাৰ্বি আংলং জিলাৰ প্ৰশাসনীয় সীমান্তত কেইবাখনো বিবাদমান গাওঁ থকা কথাটো চৰকাৰে জানেনে ?

খ) যদি জানে উক্ত গাওঁ সমূহৰ নামবোৰ জনাবনে ?

গ) উক্ত বিবাদমান গাওঁ সমূহৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী)য়ে উত্তৰ দিছে:

৭১। ক) হয়, জানে।

খ) গাওঁ সমূহৰ নাম তলত দিয়া হ'ল।

১। কুঠৰি ন-বস্তি ২। বামসিং নং ২ ৩। চৰবুঢ়া ইংতি ৪। হৰ গাওঁ (৫) অনজুক পানী সভা গাওঁ ৬। ১নং লাং লাং খাং গাওঁ ৭। কালিভেটি এনচি ৮। ভিজুভেলি কলনি ৯। ডিজুভেলি গাওঁ ১০। ২নং অনুজক পানী ১১। লংকৈ ১২। বৰজুৰি মিকিৰ গাণ্ট ১৩। কঠালগুৰি মিকিৰ গাওঁ ১৪। কালিজুৰি জংমলবলক ১৫। লংবি ১৬। মাইচাম ৰংপি ১৭। পশ্চিম বৰ পথাৰ ১৮। মাজৰ বৰ পথাৰ ১৯। জং টং ২০। পূব বৰ পথাৰ ২১। খাৰু পিন্ধা ২২। শিলডুবি ২৩। আম ডুবি ২৪। দক্ষিণ বৰ পথাৰ ২৫। বৰ পথাৰ ২৬। শিমুল গুৰি ২৭। খাৰিখানা বিল গাওঁ ২৮। ন-খুচি এন চি ২৯। সুন্দুৰা গাওঁ ৩০। ডালিমবাৰী ৩১। ডালিমবাৰী গ্ৰেণ্ট ৩১। মাৰ্টেন গাওঁ ৩৩। চাবআমৰি ৩৪। মাটিং পথাৰ ৩৫। লাও পাহি ৩৬। মাটি গাওঁ ৩৭। বামাৰ গাওঁ ৩৮। বান্দুৰা বিল ৩৯। ডাবলাং আটি ৪০। বা ক্ৰ ৪১। বা-ৰাংপি ৪২। চাব চ গাওঁ ৪৩। মুনড়িং টেৰাং ৪৪। চিলিংখোৰা ৪৫। মাটিয়াৰ ইংটি ৪৬। পানীৰাম বং হং ৪৭। মাথাট ইংটি ৪৮। হাৰমৰি গাওঁ ৪৯। কিডিং টকৰি ৫০।

আডেং বাৰী ৫১। আমনি মাজ গাওঁ ৫২। দল গাওঁ ৫৩। সৰু আমচৈ গাওঁ ৫৪। কাটটেৰ গাওঁ ৫৫। সৰ্থে ইংটি ৫৬। বাবুল বৰা।

গ) উক্ত বিবাদমান গাওঁ সমূহৰ ক্ষেত্ৰত দুয়োখন জিলাৰ উপায়ুক্তেই সময়ে সময়ে আলোচনা কৰি আছে। আৰু সময়ত এটা শান্তিপূৰ্ণ সিদ্ধান্ত উপনিত হব পৰা যাব।

## বিষয়ঃ কৃষি শ্ৰমিকৰ দিন মজুৰী।

শ্ৰী আলাউদ্দিন সৰকাৰ য়ে সুধিছে ঃ

*৭২। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ?

ক) গাওঁৰ কৃষি শ্ৰমিক সকলৰ বাবে দিন মজুৰী নিৰ্দ্ধাৰণ কৰা হৈছে নেকি ?

খ) যদি হৈছে কিমান কৈ নিৰ্দ্ধাৰণ কৰা হৈছে ?

গ) নিৰ্দ্ধাৰিত মজুৰী কোন কোন ক্ষেত্ৰত প্ৰয়োগ কৰা হৈছে আৰু মজুৰী প্ৰাপ্তিৰ ক্ষেত্ৰত শ্ৰম বিভাগে কাৰ্য্যকৰীৰ কি কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰী দিলেশ্বৰ তাঁতী ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) হয়, কৰা হৈছে।

খ)

| দৈনিক মজুৰী | মাহেকীয়া মজুৰী |
|---|---|
| ৩০.০০ টকা। | মাহেকীয়া ভিত্তিত কৃষি শ্ৰমিক নিযুক্তিকৰণৰ হাৰ প্ৰতিমাহে ৯০০.০০ টকা অথবা ৭৫০.০০ টকা। যদিহে ইয়াৰ লগতে থকা খোৱা আৰু কাপোৰ কানিৰ ব্যৱস্থা থাকে। |

ইয়াৰ বাহিৰেও কৃষি শ্ৰমিক সকলে ভোগ কৰি কৰি থকা যি কোনো ওপৰেঞ্চি সুবিধা অব্যাহত থাকিব।

ইয়াৰ উপৰিও সৰ্ব্বভাৰতীয় গ্ৰাহক মূল্যসূচীৰ উৰ্দ্ধমুখী গতিৰ ওপৰত ভিত্তি কৰি প্ৰতি বছৰে সৰ্ব্বোচ্চ ৩০ পইট মূল্য সূচীৰ ওপৰত

প্রতিমাহে প্ৰতি পইটৰ ওপৰত ১·৩০ টকাকৈ প্ৰতি ৬ মাহৰ অন্তৰে অন্তৰে কৰা পুনঃ নিৰিক্ষণৰ ভিত্তিত কৃষি শ্ৰমিক সকলে পৰিবৰ্ত্তনশীল মৰগীয়া বানচ পোৱাৰ যোগ্য।

গ) কৃষিগত কাম কাজ অনুসৰি ধান খেতিৰ কাম কাজ বোৱা, চপোৱা, কড়িওৱা, মৰণা মৰা আৰু মৰাপাট তথা কুহিয়াৰকে ধৰি অন্য অন্য সকলো শষ্যৰ কৃষি কৰ্ম্মৰ ক্ষেত্ৰত উক্ত নিৰ্দ্ধাৰিত মজুৰী প্ৰযোজ্য কৰা হয়।

নিম্নতম মজুৰী আহনৰ অধীনত কৃষি শ্ৰমিকৰ নিম্নতম মজুৰী বলবৎ কৰণৰ ক্ষেত্ৰত বিভাগীয় বিষয়াৰ দ্বাৰা কৃষি শ্ৰমিক নিয়োজিত হোৱা স্থান, পাম আদি পৰিদৰ্শনকে ধৰি বিভিন্ন কৰ্য্য ব্যৱস্থা গ্ৰহণ কৰা হয়।

## বিষয় : ম্যাদী পট্টা প্ৰদান।

শ্ৰীভৰত নৰহ, য়ে সুধিছে :

*৭৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) মাটিৰ মালিকৰ ম্যাদী পট্টা প্ৰদান কৰিবলৈ ব্যৱস্থা লোৱাৰ কথা চৰকাৰে চিন্তা কৰিছে নে ?

খ) যদি চিন্তা কৰিছে, ম্যাদী পট্টা দিবৰ কাৰণে কোন কোন জিলা আৰু মহকুমাক অগ্ৰাধিকাৰ দিব ?

গ) ম্যাদী পট্টা দিবৰ কাৰণে প্ৰাৰম্ভিক পৰ্য্যায়ৰ যাৱতীয় ব্যৱস্তা সমূহৰ ক্ষেত্ৰত চৰকাৰে কি কি প্ৰস্তুতি হাতত লৈছে ?

শ্ৰীমুকুট শৰ্ম্মা, (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে

৭৩। ক) হয় কৰিছে। একচনা পট্টাৰ পট্টাদাৰ সকলক ম্যাদী পট্টা প্ৰদান কৰিবৰ কাৰণে যাৱতীয় ব্যৱস্থা লোৱা হৈছে।

খ) একচনা পট্টাৰ মাটি ম্যাদী কৰণ কৰিবৰ কাৰণে সকলো জিলা। মহকুমাকে সমানে অগ্ৰাধিকাৰ দিয়া হৈছে।

গ) চৰকাৰৰ ফালৰ পৰা অসম ভুমি লেখ্য নিয়মাৱলী ( Assam Land Records Manual )ৰ ১০৫ নং বিধিৰ চৰ্ত্ত সমূহ পূৰণ সাপেক্ষে আৰু

বৰ্ত্তমান ভূমি নীতিৰ ১১ দফাত উল্লেখ কৰা বিধান মতে একচনা পট্টাৰ মাটি খৰতকীয়া ভাবে ম্যাদী কৰণৰ ব্যৱস্থা লবলৈ জিলাৰ উপায়ুক্ত, বন্দৱস্তী প্ৰাধিকাৰী আৰু মহকুমাধিপতি সকলক সময়ে সময়ে নিৰ্দেশ দিয়া হৈছে।

বিগয়: গৰাখহনীয়া লোকৰ পুনৰ সংস্থাপন।

শ্ৰীযতীন মালীয়ে সুধিছে:

*৭৪। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

ক) পলাশবাবী বিধান সভা সমষ্টিৰ ভিতৰত গৰাখহনীয়া লোক বৰ্ত্তমান পুণৰ সংস্থাপন নোহোৱাকৈ কিমান আছে?

খ) গৰাখহনীয়া লোক সকল বৰ্ত্তমান কত কত আছে?

গ) উক্ত পৰিয়াল বোৰক সোনকালে তিনিমাহৰ (ভিতৰত) পুনৰ সংস্থাপন কৰাৰ ব্যৱস্থা হাতত লবনে?

ঘ) পৰিয়াল বোৰক সংস্থাপনৰ সময়ত গৃহ নিৰ্মাণৰ বাবে বিশেগ আচঁনিৰ জৰিয়তে আৰ্থিক সাহাৰ্য্য আগবঢ়াবনে?

শ্ৰী মুকুট শৰ্মা মন্ত্ৰীয়ে উত্তৰ দিছে:

*৭৪। (ক) ৪৩৪ টা পৰিয়াল।

খ) ১৩০ টা পৰিয়াল আন মানুহৰ মাটিত আছে, আৰু ৩০৪ টা পৰিয়াল মাঠউৰীৰ কাষত আছে।

গ) ৪৩৪ টা পৰিয়ালৰ ৬৮ টা পৰিয়ালক ছয়ানী মৌজাৰ মালিঘাট আৰু উৰপুত গাওঁত ২ কঠা ১০ লেছাকৈ মাটি আৱণ্টন দি পুনৰ সংস্থাপন দিয়া হৈছে। বাকী পৰিয়াল বৰ্গক সংস্থাপনৰ সাহাৰ্য্য দিয়াৰ কথা বিবেচনা কৰি থকা হৈছে।

**বিষয় ঃ দলীয় সংঘৰ্ষত ক্ষতি হোৱা লোকৰ সাহাৰ্য্য।**

শ্ৰীপানীৰাম ৰাভাই সুধিছে ঃ

*৭৫। মাননীয় সাহাৰ্য্য ও পুণৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ২৭ আৰু ২৮ জুলাই ১৬৯১ তাৰিখে দলীয় সংঘৰ্ষত বৰমা থানা এলেকাৰ ৰাটাছাৰা আৰু খাৰুৰাজান গাওঁৰ ৪১ ঘৰ মানুহৰ ঘৰ দুৱাৰ পুৰি ভস্মীভূত হোৱা কথাটোৰ বিষয়ে চৰকাৰ অৱগত নে ?

খ) এইটো কথাওঁ সচাঁনে, যে উক্ত মানুহখিনি বৰ্ত্তমানে আশ্ৰয় শিবিৰত আছে ?

গ) বৰমা থানা এলেকাৰ উক্ত ৪১ ঘৰ মানুহে বৰ্ত্তমানলৈকে সাহাৰ্য্য নোপোৱাৰ কাৰণ কি জনাবনে, আৰু অতিসোনকালে উক্ত ক্ষতিগ্ৰস্ত মানুহ খিনিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা লবনে ?

ডঃ অৰ্দ্ধেন্দু কুমাৰ দে ( মন্ত্ৰী ) উত্তৰ দিছে ঃ

৭৫। ক) যোৱা ২৮ আৰু ২৯ জুলাই তাৰিখে দলীয় সংঘৰ্ষত বৰমা চক্ৰ এলেকাৰ বাটাছাৰা, বাঙ্গালপাৰা, বাহুলীপাৰা আৰু খাৰুৰাজান গাওঁৰ মুঠ ৩০ ঘৰ মানুহৰ ঘৰদুৱাৰ পুৰি ভস্মীভূত হোৱা কথাটো চৰকাৰৰ অৱগত। ক্ষতি গ্ৰস্থ পৰিয়ালৰ সংখ্যা ৪১ ঘৰ নহয়।

খ) হয়।

গ) উক্ত পৰিয়াল কেইটাক বৰ্ত্তমান সাহাৰ্য্য শিৱিৰত ৰাখি পাৰিতোষিক (G.R) সাহাৰ্য্য দিয়া হৈছে। তাৰোপৰি ইতিমধ্যে পুনৰ সংস্থাপন সাহাৰ্য্যৰ বাবদ মুঠ ১,৬০,০০০/- টকা মঞ্জুৰী দিয়া হৈছে।

**বিষয় ঃ খেতি পথাৰত পানী যোগান।**

শ্ৰীফণী ভূষণ চৌধুৰীয়ে সুধিছে :

*৭৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে।

ক) পোপৰা গাওঁ এল, আই, এচ.ৰ জৰিয়তে খেতিয়ক ৰাইজৰ খেতি পথাৰত পানী যোগান ধৰা হৈ আছে নে ?

খ) যদি নাই, কিয় নাই ?

গ) উক্ত আচঁনিটোৰ জৰিয়তে পানী যোগান ধৰিব পৰাকৈ আচঁনিটো কাৰ্য্যক্ষম কৰিবলৈ কিবা ব্যৱস্থা লৈছে নেকি ?

শ্ৰীজেহিবুল ইচলাম ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৭৬। ক) পানী যোগান হৈ থকা নাই ।

খ) ১৯৮৯-৯০ চনত দুস্কৃতিকাৰীয়ে আচঁনিখনৰ পাম্প-ঘৰ, পেনেলবৰ্ড, ট্ৰেন্সফৰমাৰ, হাইটেনচন লাইন আদিৰ বেয়াকৈ ক্ষতি সাধন কৰে আৰু পাম্প, তাৰ আদি চুৰ কৰি লৈ যায়। ফলত আচঁনিখন বিকল হৈ পৰে ।

গ) কাম কৰিবলৈ অনুকুল পৰিবেশৰ সৃষ্টি হলে আৰু প্ৰয়োজনীয় ধনৰ আৱণ্টন পালেহে কাম হাতত লোৱা হব ।

## বিষয় ঃ বঙাইগাওঁত তামোল গছ মৰাৰ কাৰণ ।

শ্ৰীভূপেন ৰয় য়ে সুধিছে ঃ

*৭৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী বহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বঙাইগাওঁ জিলাৰ গাওঁ সমূহত ব্যপকভাবে তামোল গছ মৰি থকা কথাটো চৰকাৰে জানেনে ?

খ) যদি জানে তেনে হলে চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা হাতত লৈছে ?

গ) যি সকল লোকৰ তামোল গছ মৰিছে, সেই সকলক চৰকাৰে ক্ষতি পূৰণ দিয়াৰ কিবা ব্যৱস্থা কৰিছে নেকি ?

চৈয়দা আনোৱাৰা টাইমূৰ ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

৭৭। ক) হয়, বিষয়টো চৰকাৰৰ জ্ঞাত ।

খ) ভাৰতীয় ৰোপন শস্য গবেষণা সংস্থাৰ ( Central Plantation Crops Rasearch Indtitute Kerela ) বিজ্ঞানীৰ দ্বাৰা সমীক্ষা চলাই বেমাৰৰ

কাৰণ নিৰ্দ্ধাৰণ কৰা হৈছে আৰু সেই সংস্থাই দিয়া পৰামৰ্শ মতে বেমাৰ নিৰাময়ৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

গ) ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা নাই যদিও পৰিপূৰক হিচাপে নতুনকৈ পুনৰ বাৰীপতাৰ বাবে মানবিশিষ্ট নিৰোগী তামোলৰ পুলি কৰ্ত্তনৰ বছৰত ৰেহাই মূল্যত যোগান ধৰাৰ ব্যৱস্থা ৰখা হৈছে। তাৰোপৰি সঠিক বৈজ্ঞানিক পদ্ধতিৰে পুনৰ বেমাৰ হব নোৱাৰাকৈ মাটি শোধন কৰি পুলি ৰোৱাৰ দিহা দিয়াৰ ব্যৱস্থা কৰা হৈছে।

## বিষয়: নিবনুৱা ভাট্টা।

শ্ৰীএছাহাক আলি য়ে সুধিছে:

*৭৮। মাননীয় শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) অসমত কিমানজন শিক্ষিত নিবনুৱাই এতিয়ালৈকে চৰকাৰৰ পৰা নিবনুৱা ভাট্টা পাই আছে?

খ) চৰকাৰে শিক্ষিত নিবনুৱা সকলৰ বানচ প্ৰতিমাহে ৫০.০০ টকাৰ পৰিবৰ্ত্তে ৩০০.০০ টকা কৰিবনে?

শ্ৰীচিলভিয়াছ কন্দপান (মন্ত্ৰী) য়ে উত্তৰ দিছে:

৭৮। ক) ১৯৯১ চনৰ জুন মাহলৈকে অসমত মুঠ ৫,৪৮৩ জন শিক্ষিত নিবনুৱা যুৱক-যুৱতীয়ে নিবনুৱা ভাট্টা পাই আছে।

খ) বৰ্ত্তমান চৰকাৰৰ হাতত তেনে কোনো প্ৰস্তাৱ নাই।

## বিষয়: প্ৰাকৃতিক দুৰ্যোগত আক্ৰান্ত লোকৰ সাহাৰ্য্য।

শ্ৰী হেমপ্ৰকাশ নাৰায়নে সুধিছে:

*৭৯। মাননীয়, ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:—

ক) ভুমিহীন আৰু বানপানীৰ খহনীয়াত আক্ৰান্ত হোৱা গোলাঘাট জিলাৰ অসহায় লোক সকলৰ বিষয়ে চৰকাৰ অৱগত নে?

খ) যদি অৱগত তেওঁলোকৰ সংস্থাপনৰ কাৰণে কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছেনে ?

গ) গোলাঘাট জিলাৰ অন্তৰ্গত দৈয়াং অঞ্চলত এনে ভূমিহীন, গৃহহীন পৰিয়াল সকলে যুগ যুগ ধৰি অৱহেলিত ভাবে জীৱন নিৰ্ব্বাহ কৰি অহাৰ পিছত চৰকাৰৰ ঘোষিত নীতিৰ আধাৰত এই বছৰতেই এই বান পিড়িত লোক সকলক মাটিৰ পট্টা দিয়াৰ সুব্যৱস্থা কৰিবনে ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৭৯। ক) হয়, অৱগত।

খ) ভূমিহীন লোকক ভূমি দিবলৈ আৰু বানপানী আৰু গড়া খহনীয়াত আক্ৰান্ত হোৱা লোকক পুনৰ সংস্থাপন কৰিবলৈ জিলাৰ উপায়ুক্ত সকলক নিৰ্দেশ দিয়া আছে আৰু উপায়ুক্ত সকলে তেনেদৰে কাৰ্য্য ব্যৱস্থা লৈ আছে। বানপানী আৰু গড়াখহনীয়াত আক্ৰান্ত হৈ ভূমিহীন হোৱা লোকক খেতি আৰু বস্তীৰ মাটি পট্টন। আৱন্টন দিয়া অগ্ৰাধিকাৰ দিয়া হয়।

গ) গোলাঘাট জিলাৰ অন্তৰ্গত দৈয়াং অঞ্চলত (বনাঞ্চলত) বসবাস কৰি থকা বান প্ৰপিড়ীত লোক সকলক দখল মতে মাটিৰ পট্টাদিয়াৰ ক্ষেত্ৰত কিছু অসুবিধা আছে। কাৰণ বনাঞ্চল বোৰ বন বিভাগৰ অধীনত আৰু সংৰক্ষিত সেই বিভাগে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন ক্ৰমে সংৰক্ষণ মুক্ত কৰি ৰাজহ বিভাবলৈ হস্তান্তৰ কৰিলেহে তাত বসবাস কৰি থকা লোক সকলক পট্টা দিয়াৰ ব্যৱস্থা কৰিব পৰা হব।

বনাঞ্চলৰ বাহিৰত চৰকাৰী মাটি থাকিলে বনাঞ্চলত বসবাস কৰি থকা ভূমিহীন বান পিড়ীত লোক সকলক সংস্থাপন দিবৰ বাবে উপায়ুক্তক নিৰ্দেশ দিয়া হব।

Starred Question No 80 was deferred.

**বিষয় ঃ ১৯৯১ চনত অসমত অনুস্থিত সাধাৰণ নিৰ্ব্বাচনৰ সৰ্ব্বমুঠ খৰচ।**

শ্ৰীজয়নাথ শৰ্ম্মা য়ে সুধিছে ঃ

১। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ১৯৯১ চনত অসমত অনুস্থিত সাধাৰণ নিৰ্ব্বাচনৰ বাবে সৰ্ব্বমুঠ খৰচ কিমান হ'ল ?

খ) এই খৰচৰ ক্ষেত্ৰত কি কি শিতানত কিমান পৰিমানৰ ধন চৰচ হৈছিল ?

গ) উক্ত খৰচ জিলা ভিত্তিত দেখুৱাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে।

১। ক) ১৯৯১ চনত অসমত অনুস্থিত সাধাৰণ নিৰ্ব্বাচনৰ বাবে সৰ্ব্বমুঠ কিমান টকা খৰচ হ'ল এতিয়াও তাৰ সঠিক হিচাব পোৱা হোৱা নাই।

খ) প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

শ্ৰীজয় নাথ শৰ্ম্মা ঃ মাননীয় মুখ্য মন্ত্ৰীয়ে এটা কথা জনাবনে যে নিৰ্ব্বাচনৰ বাবে কোন কোন জিলাত কিমান টকা খৰচ কৰিবৰ কাৰণে ধাৰ্য্য কৰা হৈছিল ?

শ্ৰীহিতেশ্বৰ শইকীয়া ঃ ( মুখ্যমন্ত্ৰী ) হয় জানো

শ্ৰীজয়নাথ শৰ্ম্মা ঃ জিলা ভিত্তিত কিমান ধাৰ্য্য কৰিছিল জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া ( মুখ্য মন্ত্ৰী ) ঃ কামৰূপ জিলাত ৬৪লাখ ১৯ হাজাৰ, বৰপেটা ৩৮ লাখ ২৬ হাজাৰ, নলবৰী, ২৫ লাখ ২১ হাজাৰ, গোৱালপাৰা ২২ লাখ ৯৯ হাজাৰ, কোকৰাঝাৰ ১৫ লাখ ৮৮ হাজাৰ, দৰং ২৩ লাখ ৯৯ হাজাৰ, শোনিণতপুৰ ৪০ লাখ ৬২ হাজাৰ লক্ষীমপুৰ ৬৪ লাখ ডিব্ৰুগড় ২৭ লাখ ২৫ হাজাৰ, যোৰহাট ১৯ লাখ ৪৬ হাজাৰ, শিৱসাগৰ ২৫ লাখ ৭৫ হাজাৰ, নগাওঁ ৩৪ লাখ ১ হাজাৰ, হাইলাকান্দি ১২ লাখ ১৪ হাজাৰ, গোলাঘাট ২৫ লাখ ১৯ হাজাৰ, ধেমাজি ২৩ লাখ ২৫ হাজাৰ, মৰিগাওঁ ১ লাখ ৫ হাজাৰ।

শ্ৰীজয়নাথ শৰ্মা ঃ সৰ্বমুঠটো তেখেতে নকলে। বিভিন্ন জিলাত নিৰ্ব্বাচনৰ নামত যিবিলাক খৰচ হৈছে সেইবিলাকত খেলিমেলি আছে। বিভাগীয় ভাৱে এই বিলাকৰ তদন্ত কৰিবনে? মই বিশেষ ভাৱে দিব খুজিছো কামৰূপ জিলাৰ ৰাজহ চিৰস্তদাৰৰ মিচেচক জোনালি ইণ্ডাষ্ট্ৰিৰ নামত নানা ৰকমৰ কাম দেখুৱাই প্ৰায় ১লাখৰ ওচৰাওচৰি খৰচ কৰিছে। এই কথাটো সচা হয়নে নহয়? নিৰ্ব্বাচনৰ সময়ত স্কুল মেৰামতিৰ নামত ১০ হাজাৰ টকাকৈ খৰছ কৰা দেখুৱা হৈছে। প্ৰকৃততে এশ টকাহে খৰছ কৰিছে। গতিকে গোটেই কথাটো তদন্ত কৰি সদনত জনাবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): সৰ্ব্বমুঠ ৫ কোটি ২৯ লাখ। অভিযোগ তদন্ত কৰা হব।

ডাঃ কমলা কলিতা ঃ বিধান সভাত বহুত চৰ্টনটিচ প্ৰশ্ন পঠাইছো। সদন শেষ হবলৈ আৰু মাত্ৰ কেইদিনমান বাকী আছে। ইয়াৰ উত্তৰ বিলাক পোৱাৰ সম্পৰ্কত আপোনাৰ পৰা বুলিং বিচাৰিছো।

মাননীয় অধ্যক্ষ ঃ এই বিষয়টো মই চাম।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : যোৱা নিৰ্ব্বাচনত কিমান গাড়ী অধিগ্ৰহণ কৰা হৈছিল আৰু মালিক বিলাকক কিমান টকা দিয়া হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) বেলেগ প্ৰশ্ন দিলে কম।

**Sub : Trbal Belts and Blocks deccheduled.**

Shri Parameswar Brnhma, asked :—

63. Will the Minister, Revenue be pleased to state :

a) How many Tribal Belts & Blocks have been descheduled uptill now for various purposes ?

b) What is the areas of lands of tribal Belts & Blocks under encroachment ?

c) What measure the Government would take to stop the illegal encroachment of tribal lands by illegal non-tribals ?

Shri Mukut Sarmah ( Minister ) replied :-

63. (a) In two numbers of Tribal Balts namely South Kamrup Tribal Belt and North Lakhimpur Tribal Belt areas have been deschduled uptil now for the various developmental purposes of town extension.

b) The total area of Govt. land under encroachment in all protected belts/blocks is around 5.90 lakhs bighas or approxinately 4.53·/. of the total areas of protacted belts/blocks.

c) Govt. has taken steps from time to time with necessary instrudtions to the concerned authority in this regard for clearance of the illegal encroachment by evicting the encroacher from belts/blocks.

**Re : Modernisation of Agricultural Development.**

Shri Karendra Basumatary. M.L,A. asked:-

64. Will the Minister, Agriculture be pleased to State :

a) Whether the State Govt. of Assam has a new policy for scientific & modernised development of Agriculture in Assam since 75·/. people of Assam are living on Agriculture ?

b) If so, what is the policy ?

Syeda Anwara Taimur ( Minister ) replied.

64. a) Govt. have been following a policy for development of Agriculture on scientific and modern lines by

transfer of new technologies to the farmers and other measures.

b) The new strategies for development of Agriculture are :

a) More emphasis for Rabi Crop.

b) Increasing irrigated area.

c) Streamlining imput distribution system including credit.

d) Use of HYV Seeds.

e) Farm mechanisation.

f) Development of Horticulture.

g) Integrated pest managment.

**Subject : Relief to Bodos**

Shri Milan Boro, M.L.A. asked:-

65. Will the Minister, Relief & Rehabilitation be pleased to state :

a) What measures have been taken by the Government to provide relief and rehabilitation to the affectsd Bodos whose properties had been destroyed by Assam police personnel and riotiers during Boboland Movement ?

b) As per the commitment of the Hon. Chief Minister whether ex-gratia grants of Rs. 1 lakh to each killed and Rs. 50,000/- to each wounded and raped victims of the Bodoland movement will be paid ?

c) If so, when ?

Dr. Ardhendu Kr. Dey ( Minister ) replied:-

65. a) Govt. has already allotted fund to respective D. Cs for providing Rehabilitation grant @ Rs. 5,000/- each to the families who suffered loss of house/property valued at Rs. 10,000/- or more and 50./• of the value of properties damaged/lost where the value of loss/damage is less than Rs. 10,000/- during the period of Bodo land Movement.

b) Govt. has already sanctioned ex-gratia grant of Rs. 25,000/- being the 1st instalment of total ex-gratia grant of Rs. 1.00 lakh to the next kins of 522 killed persons during Bodo land Mouement. As per existing norms, the injured persons are provided @ Rs. 3,000/- and and molested women are provided @ Rs. 5,000/- on the basis of medical ment of financial assistance to injured persons & molested women the matter is being examined.

c) As stated in b) above.

## বিষয়ঃ গড়াখহনীয়াত গৃহহীন হোৱা সংখ্যা।

শ্ৰীভূপেন ভূঞা, য়ে সুধিছেঃ —

৬৬। ক) বোকাখাট সমষ্টিৰ মৰিয়াহোলা গড়াখহনীয়াত মুঠ কিমান সংখ্যক পৰিবাল গৃহহীন হৈছিল।

খ) কিমান দিনৰ ভিতৰত উক্ত গড়াখহনীয়াত গৃহহীন হোৱা পৰিয়াল সমূহক চৰকাৰে সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) উত্তৰ দিছে ঃ

৬৬৷ ক) বোকাখাট সমষ্টিৰ মৰিয়াহোলা গড়াখহনীয়াত কিমান সংখ্যক পৰিয়াল প্ৰকৃততে গৃহহীন হৈছিল সেই তথ্য গৈ গোলাঘাটৰ উপায়ুক্তৰ পৰা বিচৰা হৈছে। বৰ্ত্তমান উক্ত তথ্য পোৱা নাই। পোৱাৰ লগে লগে নাননীয় সদস্য গৰাকীক জনোৱা হব।

খ) কিমান দিনৰ ভিতৰত উক্ত গড়াখহনীয়াত গৃহহীন হোৱা পৰিয়াল সকলক চৰকাৰে সংস্থাপন কৰিব সেইটো খাটাংকৈ কোৱাটো টান, কাৰণ উপযুক্ত চৰকাৰী মাটি পোৱাৰ ওপৰতহে সেইটো নিৰ্ভৰ কৰে।

## বিষয় ঃ জলসিঞ্চনৰ বাবে গভীৰ নলী-নাদ।

৬৭৷ মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে

ক) পাচনীয়াপাৰা, মাঝিৰ গাওঁ আৰু ধাৰাপুৰ অঞ্চলত জলসিঞ্চনৰ বাবে তিনিটা গভীৰ নলী-নাদ দিয়াৰ কথা চৰকাৰে জানে নে ?

খ) যদি জানে, এই গভীৰ নলী-নাদ তিনিটা বৰ্ত্তমান কি অৱস্থাত আছে ?

গ) এই গভীৰ নলী-নাদ তিনিটাৰ কাম কেতিয়া সম্পূৰ্ণ হৈ উঠিব ?

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৬৭৷ ক) হয়।

খ) এই গভীৰ নলী-নাদ তিনিটাৰে নলী-নাদ সম্পূৰ্ণ সুফলতাৰে বহুৱা হৈছে।

গ) এই তিনিটাৰে ভিতৰত পাচনী পাৰা আৰু ধাৰাপুৰ নলী-নাদৰ কাম অহা মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। আনহাতে মাঝিৰ গাওঁ অঞ্চলৰ নলী-নাদৰ পৰা খেতি পথাৰলৈ পানী যোগানৰ বাবে প্ৰয়োজনীয় প্ৰাক্কলন বিভাগীয় কমিটিৰ অনুমোদনৰ সাপেক্ষে কাৰ্য্যকৰী ব্যৱস্থা লোৱা হব।

## বিষয়ঃ কৃষি বিষয়া কাৰ্য্যালয় স্থাপন ।

শ্ৰী বুবুল দাস য়ে সুধিছে ঃ

৬৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) মৰিগাওঁ জিলা, জিলা ঘোষণা কৰা ৩ বছৰ হৈ যোৱা কথাটো সচা নে ?

খ) এইটোও সচাঁনে যে এতিয়ালৈকে মৰিগাওঁ জিলা কৃষি বিষয়াৰ কাৰ্য্যালয় স্থাপন হোৱা নাই যদি সচাঁ অতি সোনকালে মৰিগাওঁ জিলা কৃষি বিষয়াৰ কাৰ্য্যালয় স্থাপন কৰাৰ ব্যৱস্থা চৰকাৰে লবনে ?

গ) যোৱা জুলাই মাহৰ বানে জিলাখনৰ কৃষিৰ ব্যাপক ক্ষতি সাধন কৰাৰ প্ৰতি লক্ষ্য ৰাখি বান ক্ষতি গ্ৰস্ত মৰিগাওঁ জিলাৰ বাবে "ৰবি শস্যৰ" বিশেষ সাহাৰ্য্য আচঁনি চৰকাৰে গ্ৰহণ কৰিবনে ?

উত্তৰ

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

) হয়, সচাঁ ।

খ) সচাঁ নহয় । মৰিগাওঁ জিলাত কৃষি জিলা বিষয়াৰ কাৰ্য্যালয় স্থাপনৰ ব্যৱস্থা কৰা হৈছে। জিলা কৃষি বিষয়াও নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে ।

গ) হয়, কৰা হৈছে । বিনামূলীয়া সাহাৰ্য্য আচঁনি এনেধৰনৰ ঃ

| সামগ্ৰীৰ নাম | পৰিমান | মূল্য |
|---|---|---|
| ১। ঘেহু | ১,৬৭০ কুইন্টল | টকা ১২,৫২,৫০০·০০ |
| ২। মটৰ | ৮৩৫ ,, | টকা ১৩,৩৬,০০০·০০ |
| ৩। আগতীয়া আঁহু | ৮৩৫ ,, | টকা ৫,২৬,০৫০·০০ |
| ৪। বিনামূলীয়া ট্ৰেক্টৰাইজেচন আৰু পাম্পৰ তেল যোগান। | ৯০০ হেক্টৰ মাটিত। | টকা ২,৩০,০০০·০০ |
| | মুঠ | টকা ৩৩,৪৪,৫৫০.০০ |

**বিষয়ঃ বাঘবৰত বানপানী আৰু গড়াখহনীয়াত গৃহহীন লোক।**

শ্ৰীদিলদাৰ ৰেজজা য়ে সুধিছেঃ—

৬৯। মাননীয় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) যোৱা ৫ বছৰত বাঘবৰ বিধান সভা সমষ্টিৰ কিমান পৰিয়াল বানপানী আৰু গড়াখহনীয়াত গৃহহীন হৈছে ?

খ) উক্ত গৃহহীন হোৱা পৰিয়ালবোৰক পুনৰ সংস্থাপনৰ বাবে কি ব্যৱস্থা লোৱা হৈছে, জনাবনে ?

গ) ১৯৯১-৯২ বিত্তীয় বছৰত কিমানটা পৰিয়ালক পুনৰ সংস্থাপন কৰিব পৰা যাব ?

ঘ) চৰকাৰে কিমান দিনৰ (বছৰৰ) ভিতৰত উক্ত গৃহহীন মানুহ খিনিক পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব ?

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী)য়ে উত্তৰ দিছে :

৬৯। ক) ৪৫ নং বাঘবৰ বিধান সভা সমষ্টিত যোৱা ৫ বছৰত বানপানী আৰু গড়াখহনীয়াত মুঠ ৮,৩৬২ টা পৰিয়াল গৃহহীন হৈছে। ইয়াৰ ৩,৪৮৪ টা পৰিয়াল গড়াখহনীয়াত গৃহহীন হৈছে আৰু ৪,৮৮২ টা পৰিয়াল বানপানীত গৃহহীন হৈছে ।

খ) গৃহহীন হোৱা ৩৩৫ টা পৰিয়ালক নূন্যতম চাহিদা আচঁনিত পুনৰ সংস্থাপন দিয়া হৈছে আৰু ২১৬৬ টা পৰিয়ালক চৰকাৰী নিয়ম অনু-যায়ী মুঠ ৭,৮৪,২০০ (সাত লাখ চৌৰাশী হাজাৰ দুশ টকা) সাহার্য্য দিয়া হৈছে ।

গ) ১৯৯১-৯২ চনত ক্ষতিগ্ৰস্থ পৰিয়ালবোৰক পুনৰ সংস্থাপন কৰাৰ বাবে ব্যৱস্থা কৰি থকা হৈছে। কিন্তু উপযুক্ত চৰকাৰী মাটি নথকাৰ বাবে কিমানটা পৰিয়ালক সংস্থাপন কৰিব পৰা যাব সেইটো বিবেচনাধীন হৈ আছে ।

ঘ) ক্ষতিগ্ৰস্থ পৰিয়াল বোৰক অতি সোনকালে পুনৰ সংস্থাপন দিয়াৰ বাবে পৰ্য্যায়ক্ৰমে ব্যৱস্থা লোৱা হব । এই ক্ষেত্ৰত প্ৰধান অন্তৰায় (বাধা) হৈছে উপযুক্ত চৰকাৰী মাটিৰ অভাৱ ।

## বিষয় : বন্যায় গৃহহীন ও ক্ষতিপূৰণ ।

প্রণৱ কুমাৰ নাথ য়ে জিজ্ঞাসা করেছেন :

৭০। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) বিগত বন্যায় করিমগঞ্জ জিলার মানুষের বাসগৃহ ও শস্যর ব্যাপক হারে ক্ষতি সাধিত হয়েছে, এই বিষয়ে চৰকাৰ অবগত কি ?

খ) যে সকল দরিদ্র লোকদের গৃহ ও শস্যাদি নষ্ট হয়েছে তাদের জন্য সরকার বর্ত্তমান অর্থবছরে সরকারী সাহায্যের ব্যবস্থা করেছেন কি ?

গ) যদি ব্যৱস্থা নিয়ে থাকেন, তাহা হইলে চাউল করিমগঞ্জ ডেভেলপমেণ্ট ব্লক, রামকৃষ্ণ নগর ডেভেলপমেণ্ট ব্লক ও পাথারকান্দি ডেভেলপমেণ্ট ব্লক এর কি কি সাহায্য দেওয়া হয়েছে ?

শ্রীমুকুট শর্ম্মা ( মন্ত্রী ) য়ে উত্তৰ দিছে

৭০। ক) হয় ।

খ) যি সকল পৰিয়ালৰ ঘৰদুৱাৰ ১৯৯১ চনৰ বানপানীত ক্ষতিগ্রস্ত হৈছে, তেওঁলোকক পুনৰ সংস্থাপন সাহায্য দিয়াৰ ব্যৱস্থা কৰা হৈ আছে ।

ইয়াৰোপৰিও, কৃষি বিভাগে ১২৮০.৩৩ কুইণ্টল শালি ধান আদিৰ বীজ বন্যা ক্ষতিগ্রস্ত অঞ্চলত বিতৰণ কৰিছে ।

গ) চাউল, দাইল, নিমখাদি খাদ্যবস্তু নিৰিখ অনুযায়ী বান প্রপীড়িত লোকৰ মাজত তলত উল্লেখ কৰা ধৰণে বিতৰণ কৰা হৈছে ।

১) দক্ষিন কৰিমগঞ্জ উন্নয়ন খণ্ড (ক) চাউল—৭৫৩ কুইণ্টল
খ) দাইল—৭৫.৩০ „
গ) নিমখ—২৬.১০ „

২। ৰামকৃষ্ণ নগৰ উন্নয়ন খণ্ড ক) চাউল— ৬৬৫ কুইণ্টল
খ) দাইল – ৯৯.০৫ „
গ) নিমখ – ২২.০৫ „

| | | | |
|---|---|---|---|
| ৩। পাথাৰ কান্দি উন্নয়ন খণ্ড | ক) চাউল— ৯২৫ | কুইণ্টল |
| | খ) দাইল—৯২·০৫ | ,, |
| | গ) নিমখ—২১ | ,, |

**বিষয় : ৰূপহী খণ্ড উন্নয়নৰ অধীমত P.D.Sৰ দোকান ।**

শ্ৰী এছাহাক আলীয়ে সুধিছে :

৭১। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ৰূপহী খণ্ড উন্নয়নৰ (বৰপেটা জিলাৰ অন্তৰ্গত) অধিনত কিমান P.D.Sৰ দোকান আছে জনাবনে ? (গাওঁ অনুযায়ী তথ্য দিব)

খ) উক্ত দোকানবোৰত কি কি সামগ্ৰী কিমান পৰিমান, প্ৰতি মাহে গাওঁ অনুযায়ী দিয়া হয় ?

ডঃ অৰ্দ্ধেন্দু দে, (মন্ত্ৰী)য়ে উত্তৰ দিছে ।

৭১। ক) ৰূপহী খণ্ড উন্নয়নৰ অধিনত ৬ খন সমবায় সমিতিৰ ১৮৭ খন খুছুৰা সুলভ মূল্যৰ দোকানৰ জৰিয়তে নিয়ন্ত্ৰীত খাদ্য সামগ্ৰীৰ যোগান ধৰা হয় ।

খ) বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰৰ আবন্টিত সামগ্ৰীৰ পৰা উক্ত ৰূপহী খণ্ড উন্নয়ন এলেকাভূক্ত ৬ খন সমবায় সমিতিয়ে সাঙৰি লোৱা জন সংখ্যাক প্ৰতিমাহে জনমূৰী ৯০০ গ্ৰাম চাউল, ৪০০ গ্ৰাম চেনী আৰু চাহিদা অনুযায়ী আটা যোগান ধৰাৰ উপৰিও প্ৰতি পৰিয়ালক সপ্তাহত ১ (এক) লিটাৰকৈ কেৰাচিন তেলও যোগান ধৰা হৈ আছে ।

Unstarred Question No 72 was deferred.

## বিষয়ঃ অসমৰ ভূমিহীন লোক।

শ্ৰী কৰেন্দ্ৰ বসুমতাৰীয়ে সুধিছেঃ

৭৩। ক) বৰ্ত্তমান অসমত কিমান ভূমিহীন লোক আছে ?

খ) গহপুৰ ৰাভাপাৰা আৰু দৈয়াং ৰিজাৰ্ভ বনাঞ্চলত বসবাস কৰা অসংখ্য ভূমিহীন বড়ো জনজাতি লোকক উক্ত ৰিজাৰ্ভ বনাঞ্চলৰ মাটিত স্থায়ী মাটিৰ পট্টন দিয়াৰ বাবে চৰকাৰে কিবা ব্যৱস্থা তথা আচনি লৈছেনে ?

গ) যদি লৈছে, কেতিয়া তেওঁলোকক উক্ত পট্টন দিয়া হব ?

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

৭৩। ক) ১৯৭৫-৭৬ চনৰ পৰা ৰাজ্যৰ পঞ্চায়ত সমূহ নিক্ৰিয় হৈ থকাৰ কাৰণে বৰ্ত্তমান প্ৰকৃত ভূমিহীন পৰিয়ালৰ সংখ্যা নিৰ্দ্ধাৰন কৰিব পৰা নাই। পঞ্চায়ত গঠিত হোৱাৰ পাছত তেনে শৰিয়ালৰ সংখ্যা নিৰ্দ্ধাৰন কৰিব পৰা যাব। অন্য অনুস্থানৰ দ্বাৰা এই কাম কৰা সম্ভৱ নহয়।

খ) বনাঞ্চল সমূহত মাটিৰ পট্টন দিয়া ব্যৱস্থা ৰাজহ বিভাগৰ অধিনত নহয়। গতিকে প্ৰশ্ন নুঠে।

গ) প্ৰশ্ন নুঠে।

## বিষয়ঃ পৰিকল্পনা সমিতি গঠন ও ধন আৱণ্টন।

শ্ৰী জয়নাথ শৰ্ম্মায়ে সুধিছেঃ

৭৪। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) পৰিকল্পনা বিকেন্দ্ৰীকৰণৰ বাবে মহকুমা ভিত্তিত গঠন কৰিবলগীয়া পৰিকল্পনা সমিতি সমূহ গঠন কৰা হ'লনে ?

খ) কোন কোন মহকুমাৰ বাবে বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ বাবে কিমান ধন ১৯৯১-৯২ চনৰ বাবে ধাৰ্য্য কৰা হৈছে ?

শ্ৰী কেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)য়ে উত্তৰ দিছে ।

৭৪। ক) হয়। গঠন কৰা হ'ল। ভৈয়ামৰ চল্লিশটা মহকুমাৰ প্ৰত্যেকটোৰ বাবে মহকুমা পৰিকল্পনা ও উন্নয়ন পৰিষদ গঠন কৰা হৈছে। মহকুমা পৰিকল্পনা ও উন্নয়ন পৰিষদৰ অধ্যক্ষ সমূহৰ নামৰ তালিকা পৰিশিষ্ট 'ক'ত উল্লেখ কৰা হ'ল। (Annexure C)

খ) বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ বাবে ১৯৯১-৯২ চনত মহকুমা অনুযায়ী আৱন্টিত ধনৰ পৰিমাণ পৰিশিষ্ট তালিকা 'খ'ত দেখুওৱা হ'ল। (Annexure D)

## বিষয় : নিবনুৱা ও চাকৰি ব্যৱস্থা ।

শ্ৰী জয়নাথ শৰ্ম্মায়ে সুধিছে :

৭৫। মাননীয় নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসম চৰকাৰে প্ৰতি বছৰত দুই লাখকৈ অহা পাচ বছৰত দহ লাখ নিবনুৱাক চাকৰি দিবলৈ কিবা ব্যৱস্থা লৈছে নেকি ?

**খ)** অসমত সদ্যহতে ১৯৯১ চনৰ ১ লা আগষ্টলৈ কিমান নিৱনুৱা আছে ?

গ) নিবনুৱা সংস্থাপনৰ বাবে অহা পাচ বছৰীয়া পৰিকল্পনাত অসম চৰকাৰে কি প্ৰস্তাব দিছে ?

ঘ) মানব সম্পদ সম্পৰ্কীয় কিবা পৰিকল্পনা চৰকাৰৰ আছেনে ?

শ্ৰী চিল ভিয়াচ কন্দপান (মন্ত্ৰী)য়ে উত্তৰ দিছে :

৭৫। ক) এই বিষয়ে বিভিন্ন স্তৰত আচঁনি প্ৰস্তুত কৰি থকা হৈছে। সদ্যহতে ৫৩৫০১টা খালি পদ পূৰণৰ ব্যৱস্থা কৰা হৈছে।

খ) ১৯৯১-৯২ চনৰ ১লা আগষ্টলৈ অসমত নিয়োগ বিনিময় কেন্দ্ৰ সমূহত মুঠ ১১,২৩,১২১ জন পঞ্জীভুক্ত নিবনুৱা আছে।

গ) অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনা ১৯৯০-৯১ চনৰ পৰা হোৱা কথা আছিল।

কিন্তু নহল । অহা অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনা যুগুতাই থকা হৈছে আৰু তাত কৰ্ম্ম সংস্থাপনত অগ্ৰাধিকাৰ দিবলৈ বিভিন্ন বিভাগে আচঁনি প্ৰস্তুত কৰি আছে ।

ঘ) মানব সম্পদ উন্নয়নৰ বাবে সংশ্লিষ্ট বিভাগ সমূহে যেনে— শিক্ষা, কাৰিকৰি, স্বাস্থ্য ইত্যাদিয়ে নিজ নিজ পৰিকল্পনাৰ অধিনত আচঁনি ৰূপায়ন কৰি আছে । আৰু বিভিন্ন প্ৰশিক্ষন কাৰ্য্যসূচীৰ জৰিয়তে বিষয়া কৰ্ম্মচাৰী বৰ্গক প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা চলি আছে যাতে তেখেত সকলে নিয়াৰিকৈ নিজ নিজ বিভাগত মানৱ সম্পদৰ পৰিকল্পনা কৰিব পাৰে ।

**বিষয় : মাটি বেদখল ।**

শ্ৰী জয়নাথ শৰ্ম্মায়ে সুধিছে :

৭৬। মানীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) গুৱাহাটী মহানগৰত কিমান মাটি বেদখল হৈ আছে ?

খ) গুৱাহাটী মহানগৰৰ ভিতৰত কিমান মাটি ৰেলৱে বিভাগক আৱণ্টন দিয়া হৈছিল আৰু সদ্যহতে কিমান তেনে মাটি বেদখল হৈ আছে ।

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী)য়ে উত্তৰ দিছে :

৭৬। ক) গুৱাহাটি মহানগৰত মুঠ ৯,১৩৬ বিঘা ৬ লেচা চৰকাৰী মাটি বেদখল হৈ আছে ।

খ) গুৱাহাটী মহানগৰৰ ভিতৰত মুঠ ৪,৩৪৪ বিঘা ৪ কঠা ১০ লেচা মাটি ৰেলৱে বিভাগলৈ হস্তান্তৰ কৰা হৈছিল। আৰু সদ্যহতে কিমান তেনে মাটিত বেদখল হৈ আছে এই তথ্য ৰেল বিভাগে ৰাজহ বিভাগক জনোৱা নাই ।

**Subt : Memorandum to the Revenue Minister.**

Shri Promod Gogoi, MLA. asked:-

77. Will the Minister, Revenue be pleased to state.

a) Whether it is a fact that the Employees/Staff of Joint Director of Surveys have submitted a Memorandum to the Minister, Revenue Assam ?

b) If so, what were the main grivances of the employees ?

c) Will the Gcvt. initiate steps to remove the grievances of the employees ?

Shri Mukut Sarmah Sarmah ( Minister ) replied.

77. (a) Yes, some employees of the office of the Joint Director of Surveys, Assam have submitted a Memorandum on 3-9-91.

b) The main grivances of the employees are:-

i) Delegation of Financial power to the Joint Director of Survey, Assam by Director of Surveys.

ii) Promotion of the staff of the Joint Director, Surveys, Assam.

iii) Supply of Survey and press materials, required by Technical staff.

iv) Irregular appointment, in certain posts.

v) Allocation of vehicles to the officors of the Joint Director of Surveys, Rule.

vi) Implementation of service, Assam.

vii) Porper Utillsation of the Budget of Assam Survey.

c) Gvot. will examinc the grievances and take step to remove the admissible and possible gricvances of the employees. Some steps have been already taken with regard to supply of equipments and materials for Joint Director office.

## বিষয় ঃ ভূমি পট্টন আৰু খাজানা।

শ্ৰীশশকমল সন্দিকৈ, য়ে সুধিছেঃ—

৭৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমৰ কোন জিলাত আৰু কেইটা ৰাজহ চক্ৰত পুণৰ ভূমি পট্টনৰ জৰিপ আৰম্ভ হৈছে ?

খ) অসমৰ বাগিছা সমূহৰ মাটিৰ কালি কিমান আৰু বাগিছা সমূহে কি নিৰিখত মাটিৰ খাজানা আদায় দিয়ে ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) য়ে উত্তৰ দিছেঃ--

৭৮। ক) অসমৰ কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ, গোৱালপাৰা, কোকৰাঝাৰ, ধুবুৰী, বঙ্গাইগাওঁ (স্থায়ী বন্দবস্তি এলেকা) আৰু কামৰূপৰ গোৱাহাটী মহানগৰৰ বৰ্দ্ধিত এলেকাত পুণৰ ভূমি বন্দবস্তিয়ে সামৰি লোৱা উক্ত জিলা সমূহৰ অন্তৰ্গত প্ৰায় সকলোবোৰ ৰাজহ চক্ৰতে পুনৰ ভূমি জৰিপ আৰম্ভ হৈছে ?

খ) অসমৰ বাগিছা সমূহৰ সৰ্ব্বমুঠ মাটিৰ কালি ২৭,৯০,০৫৫ বিঘা কঠা ২ লেচা বা ৩,৭৩,৫০১.৩৪ হেক্টৰ আৰু বাগিছা সমূহৰ পৰা বিঘাপ্ৰতি ১ টকা হাৰলৈ জিলা বিশেষে খাজানা আদায় লোৱা হয়।

বিষয় ঃ মিনিকিট বিতৰণ।

শ্ৰীনিজামুদ্দিন খান ঃ বিধায়ক য়ে সুধিছে

৭৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ১৯৯১ চনত কি কি শস্য বীজৰ 'মিনিকিট' বিতৰণ কৰা হৈছে ?
খ) কি পদ্ধতিত 'মিনিকিট' বিতৰণ কৰা হয় ?
গ) কোন জিলাত কিমান 'মিনিকিট' বিতৰণ কৰা হৈছে ?
ঘ) 'মিনিকিট'ৰ বাবে কিমান টকা খৰচ হৈছে ?

শ্ৰীমতী চৈয়দা আনোৱা টাইমূৰে ( মন্ত্ৰী ) উত্তৰ দিছেঃ—

৭৯। ক) শালি ধান।
খ) বাছনি কৰা ক্ষুদ্ৰ ও উপান্ত খেতিয়কক ১ বিঘা মাটিৰ বাবে ৪ কেজিৰ এটিকৈ 'মিনিকিট' বিতৰণ কৰা হয়।
গ) জিলা ভিত্তিক বিতৰণৰ তালিকা বিধান সভাৰ মজিয়াত দিয়া হ'ল।
ঘ) মুঠ খৰছৰ পৰিমান প্ৰায় ১৭,৫২০'০০ টকা।

বিষয় ঃ শীৰ্ষক বাতৰি।

শ্ৰী নিজামুদ্দিন খানয়ে সুধিছে ঃ

৮০। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৱা ১২-৮-৯১ ইং তাৰিখৰ "নতুন দৈনিক" কাকতত প্ৰকাশিত "মীন নিগমৰ ৫০০ টন চাউল উধাও, প্ৰকৃত অপৰাধী সন্ধানহীন" শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছেনে ?

খ) যদি হৈছে, প্ৰকৃত দোষী বিচাৰি উলিয়াব পৰা হৈছেনে ?

শ্ৰী চিলভিয়াচ কন্দপান (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৮০। ক) হৈছে ।

খ) উপ প্ৰকল্প সঞ্চালক এই অপৰাধৰ বাবে দায়ী । মুখ্য অপৰাধী শ্ৰী দেৱজিত দত্ত এতিয়ালৈকে পলাতক অৱস্থাত আছে ।

শ্ৰী কৃষ্ণকান্ত লহকৰ য়ে সুধিছে ঃ

**বিষয় ঃ জলসিঞ্চন আচঁনি ।**

৮১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বিত্তীয় ১৯৮৮-৮৯ চনৰ শেষত ৰাজ্যত নিৰ্মীয়মান ১১ টা মজলীয়া আৰু ২টা বৃহৎ জলসিঞ্চন আচঁনি কেতিয়া সম্পূৰ্ণ কৰা হব ?

খ) পৰিকল্পনা আৰু উন্নয়ন বিভাগে প্ৰয়োজনীয় ধনৰ আবণ্টন নকৰাৰ ফলত সাধাৰণতে ৫-৬ বছৰত সম্পূৰ্ণ হবলগীয়া একোখন আচঁনি ১০ বছৰতো সম্পূৰ্ণ কৰিব নোৱাৰা কথাটো সচানে ?

গ) যদি সচা, তেন্তে অহা ১৯৯২-৯৩ত বিত্তীয় চনৰ ভিতৰত উক্ত আচঁনি সমূহ সম্পূৰ্ণ কৰাৰ বাবে আৱশ্যকীয় বিত্তৰ ব্যৱস্থা সুনিশ্চিত কৰাৰ কি পৰিকল্পনা চৰকাৰে হাতত লৈছে ?

শ্ৰী জেহেৰুল ইছলাম (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৮১। ক) ১৯৯২ চনত তিনিটা মজলীয়া আচঁনি, ১৯৯৩ চনত এটা বৃহৎ আচঁনি আৰু ৪ টা মজলীয়া আচঁনি, ১৯৯৪ চনত এটা বৃহৎ আৰু দুটা মজলীয়া আচঁনি সম্পূৰ্ণ কৰিবলৈ পৰিকল্পনা কৰা হৈছে ।

খ) সচাঁ । কেন্দ্ৰীয় পৰিকল্পনা আয়োগে প্ৰয়োজনীয় আৱণ্টন নিদিয়াৰ বাবে ।

গ) কেন্দ্ৰীয় পৰিকল্পনা আয়োগলৈ ১৯৯২-৯৩ চনৰ বাৰ্ষিক পৰিকল্পনাৰ যোগেদি প্ৰয়োজনীশ ধনৰ দাবী পেচ কৰা হব ।

## বিষয় : উচ্চ উৎপাদনক্ষম খেতি ।

ডাঃ কৃষ্ণকান্ত লহকৰ, বিধায়ক য়ে সুধিছে :

৮২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) অসমত মুঠ শালি ধানৰ খেতিৰ মাটি কালিৰ শতকৰা কিমান অংশত প্ৰকৃততে উচ্চ উৎপাদনক্ষম বিধৰ খেতি কৰা হয় ?

খ) তুলনামূলক ভাৱে জলসিঞ্চন বিভাগৰ আচঁনি সমূহৰ দ্বাৰা উপকৃত এলেকাত এই শতকৰা হাৰ কিমান ?

গ) এইটো সচাঁনে, যে কৃষি আৰু জলসিঞ্চন বিভাগৰ দুটা ঘাই খেতিৰ বতৰৰ বাবে যুতীয়াভাবে প্ৰস্তুত কৰা জলসিঞ্চনৰ কাৰ্য্যসূচী থকা স্বত্বেও ১০ শতাংশতকেও কম এলেকাত উচ্চ উৎপাদনক্ষম জাতৰ শালি খেতি কৰা হয় ?

ঘ) যদি সঁচা, তেতিয়াহলে এনে অৱস্থাৰ উন্নতিৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে, শীঘ্ৰে লব ?

ঙ) বৰপেটা জিলাৰ কালদিয়া জলসিঞ্চন আচঁনি (মজলীয়া)ৰ উপকৃত এলেকাত যোৱা পাচটা বছৰত কৃষি আৰু জলসিঞ্চন বিভাগে যুতীয়া ভাবে প্ৰস্তুত কৰা খাৰিফ আৰু ৰবি প্ৰাক খাৰিফ কাৰ্য্যসূচীৰ লক্ষ্যৰ বিপৰীতে উপলব্ধিৰ তথ্য দাঙি ধৰিবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী)য়ে উত্তৰ দিছে :

৮২। ক) ৩০ শতাংশ ।

খ) ৬৫ শতাংশ ।

গ) সঁচা নহয় ।

ঘ) প্ৰশ্ন নুঠে।

ঙ) কৃষি আৰু জলসিঞ্চন বিভাগৰ যোৱা পাচ বছৰৰ সংশ্লিষ্ট তথ্য লগত গাঠি দিয়া হ'ল । Annexure E

**বিষয়ঃ খৰাং অঞ্চলত ডি, টি, উব্লিউ আৰু এল, আই, এচ আচনি ।**

শ্রী বিনোদ গোৱালা য়ে সুধিছে :

৮৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) সৰুপথাৰ সমষ্টিটো প্রত্যোক বছৰে খৰাং পীড়িত হোৱা কথাষাৰ চৰকাৰ অৱগত নে ?

খ) যদি অৱগত, তেন্তে অগ্রাধিকাৰ ভিত্তিত ডি, টি, ডবলিউ আৰু এল, আই এচ আচঁনি লোৱাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

গ) যদি কৰে, তেন্তে চলিত বছৰত ব্যৱস্থা গ্রহন কৰিবনে ?

শ্রী জেহিৰুল ইছলাম (মন্ত্রী)য়ে উত্তৰ দিছে ঃ

৮৩। ক) হয়। কোনো কোনো বছৰত খৰাং অৱস্থা হয় ।

খ) বৰ্ত্তমানলৈকে সৰুপথাৰ সমষ্টিত ৪টা গভীৰ নলী-নাদ, ৪ অগভীৰ নলী নাদ আৰু ৮টা উত্তোলন জলসিঞ্চন আচঁনি আছে । ইয়াৰ উপৰিও ৮ টা গভীৰ নলীনাদ, ৬ টা উত্তোলন আচঁনিৰ কাম চলি আছে । তত্বপৰি এটা গভীৰ নলীনাদ আচঁনি অনুমোদিত হৈছে ।

গ) চলিত বছৰত অনুমোদন সাপেক্ষে ব্যৱস্থা লোৱা হব।

শ্রী বিনোদ গোৱালা য়ে সুধিছে ঃ

**বিষয়ঃ ৰেংমা নদীৰ বান্ধ ।**

৮৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) সৰুপথাৰ সমষ্টিৰ অন্তর্গত ৰেংমা নদীৰ ওপৰত চৰকাৰে বান্ধ দিয়াৰ প্রস্তাৱ আছেনে ?

খ) যদি আছে, কেতিয়াৰ পৰা ইয়াৰ কাৰ্য্যকৰী কৰা হব ?

জলসিঞ্চন বিভাগৰ মন্ত্ৰী শ্ৰীজেহিৰুল ইছলামে উত্তৰ দিছে ঃ

ক) হয়, আঁচনিখন অনুসন্ধান স্তৰত আছে ।

খ) যিহেতু আঁচনিখন অনুসন্ধানৰ স্তৰতে আছে, গতিকে অনুসন্ধান শেষ হলেহে এই বিষয়ে সিদ্ধান্ত লোৱা হব ।

**বিষয় ঃ জল সেচের ব্যবস্থা ।**

শ্ৰী প্ৰনব কুমার নাথ য়ে জিজ্ঞাস করেছেন ঃ

৮৫। মাননীয় সেচ বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করি জনাবে না ঃ

ক) বৰ্ত্তমান অৰ্থবছৰে সরকার রাজ্যের কোন কোন এলেকায় জল সেচের প্ৰকল্প স্থাপনের উদ্যোগ নিচ্ছেন ?

খ) তন্মধ্যে করিমগঞ্জ জিলায় কোন কোন এলেকা ?

গ) করিমগঞ্জ জিলার সুপ্ৰাকান্দি, কাসার গ্ৰাম, নগেন্দ্ৰ নগর, বরোয়ালা বন্যাপ্লাবিত নিছু এলাকা বুরো সরত্তমে বৰ্ত্তমান অৰ্থবছরে বৰ্ণিত স্থান সমূহে জল সেচের ব্যবস্থা করিবেন কি ?

শ্ৰী জেহিৰুল ইচলাম (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৮৫। ক) বৰ্ত্তমান আৰ্থিক বছৰত কোনো কোনো ঠাইত জলসিঞ্চন প্ৰকল্প লোৱা হব তাৰ চূড়ান্ত ৰূপ এতিয়াও দিয়া হোৱা নাই ।

খ) কৰিমগঞ্জ জিলাত লামাজুৰ, মোকাৰকপুৰ আৰু কমাৰ গাওঁ এই ঠাইৰ বাবে ৩ টা প্ৰস্তাৱ পোৱা গৈছে ।

গ) সুপ্ৰাকান্দিৰ ওচৰত ৰজেন্দ্ৰ নগৰত এটা গভীৰ নলী-নাদৰ অনুমোদন আছে। ইয়াৰ বাহিৰে বাচাৰ গ্ৰাম, নগেন্দ্ৰ নগৰ আৰু বাবোৱালা এলেকাত প্ৰাথমিক অনুসন্ধানৰ কাম চলি আছে ।

বিষয়ঃ গভীৰ নলী নাদ।

শ্ৰী নগেন শৰ্ম্মা য়ে সুধিছে ঃ

৮৬। মননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) নলবাৰী সমষ্টিৰ খেতি পথাৰত পানী যোগানৰ বাবে কিমানটা গভীৰ নলী-নাদ আছে ?

খ) তাৰে কিমানটা বৰ্ত্তমান সময়ত কাৰ্য্যক্ষম অৱস্থাত আছে ?

গ) কিমানটা গভীৰ নলী-নাদৰ নিৰ্ম্মানকাৰ্য্য সম্পূৰ্ণ হবলৈ বাকী আছে ?

ঘ) উক্ত গভীৰ নলী-নাদৰ নিৰ্ম্মানকাৰ্য্য কিমান সময়ৰ ভিতৰত সমাপ্ত হব ?

শ্ৰী জেহিৰুল ইছলাম (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৮৬। ক) বৰ্ত্তমান নলবাৰী সমষ্টিৰ খেতি পথাৰত পানী যোগানৰ বাবে ১৯ টা গভীৰ নলীনাদ আছে ।

খ) ১৯ টা গভীৰ নলীনাদ আচনিৰ ভিতৰত বৰ্ত্তমান ১৬ টা কাৰ্য্যক্ষম অৱস্থাত আছে আৰু তাৰে পানী যোগান কৰি থকা হৈছে।

গ) বৰ্ত্তমান নলবাৰী সমষ্টিৰ কাম চলি থকা ৭টা নলীনাদৰ নিৰ্ম্মানকাৰ্য্য সম্পূৰ্ণ হবলৈ বাকী আছে ।

ঘ) উক্ত নলীনাদৰ ৫টাৰ নিৰ্ম্মান কাৰ্য্য ১৯৯১-৯২ চনৰ ভিতৰত সমাপ্ত কৰিবলৈ আশা কৰা হৈছে আৰু বাকী ২টা নলীনাদৰ কামো ১৯৯২-৯৩ চনৰ ভিতৰত সম্পুৰ্ণ কৰিবলৈ অনুদান সাপেক্ষে পৰিকল্পনা কৰা হৈছে।

**বিষয় ঃ আত্মসাৎ কৰা চাউল দাইল উদ্ধাৰ।**

শ্ৰী নজমুল হক য়ে সুধিছে ঃ

৮৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) গোৱালপাৰা জিলাৰ অন্তৰ্গত লক্ষীপুৰ ৰাজহ চক্ৰৰ উপপ্ৰতি সমাহৰ্ত্তাই উক্ত চাৰ্কোলৰ লাটমণ্ডল শ্ৰী সন্তোষ কুমাৰ সৰকাৰ, শ্ৰী শান্তি কুমাৰ সৰকাৰ আৰু হাজী মোকতাল খণ্ডকাৰৰ হতুৱাই আত্মসাৎ কৰা বন্যাপীড়িত ৰাইজৰ ৩৫ কুইণ্টল চাউল আৰু ৩ কুঃ দালি উদ্ধাৰ কৰাৰ বাবে আপোনাৰ ৰাজহ বিভাগৰ দ্বাৰা কিবা তদন্তৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছেনে ?

খ) যদি হৈছে তাৰ লগতে গোৱালপাৰা জিলাৰ অতিৰিক্ত উপায়ুক্তই কৰা তদন্তৰ প্ৰতিবেদন সদনক জনোৱা হবনে ?

গ) ৰিলিফৰ চাউল আত্মসাৎ কৰাৰ নায়ক লক্ষীমপুৰৰ ৰাজহ চক্ৰবিষয়াই যোৱা ১৯৯০-৯১ চনৰ পুনৰ সংস্থাপনৰ সাহাৰ্য্যৰ টকা বিতৰণ কৰাত লোৱা উৎকোচ গ্ৰহণ কৰাৰ তদন্তৰ প্ৰতিবেদন বিধান সভাৰ মজিয়াত দাখিল কৰা হবনে ?

ঘ কাৰ অদৃশ্য হাতৰ কৃপাত লক্ষীপুৰ ৰাজহচক্ৰৰ দুৰ্নীতি পৰায়ন লাট মণ্ডল ক্ৰমে শ্ৰী সন্তোষ কুমাৰ সৰকাৰ শ্ৰী শান্তি কুমাৰ সৰকাৰ আৰু হাজী মোকতাল খণ্ডকাৰে আজি ২৫ বছৰ ধৰি বদলি নোহোৱাকৈ চাকৰি কৰি থকা কথাটো সচানে ?

ঙ) লক্ষীপুৰ ৰাজহ চক্ৰৰ উপপ্ৰতি সমাহৰ্ত্তাৰ চাউল চুৰি ঘটনাৰ তদন্তৰ দাবীত যে তোৱা ৩।৮।৯১ তাৰিখত আপোনাৰ ওচৰত দাখিল কৰা স্থানীয় বিধায়ক হিচাবে মোৰ অভিযোগ সম্পৰ্কে তদন্তৰ প্ৰতিবেদন বিধান সভাৰ মজিয়াত দাখিল কৰিব নে ?

শ্ৰী মুকুট শৰ্ম্মা ( মন্ত্ৰী ) যে উত্তৰ দিছে ঃ

৮৭। ক) আৰু খ) গোৱালপাৰা জিলাৰ উঁপায়ুক্তৰ প্ৰতিবেদনৰ পৰা দেখা যায় যে ৰিলিফৰ বস্তু আত্মসাৎ হোৱা নাই।

গ) যোৱা ১৯৯০-৯১ চনৰ পুনৰ সংস্থাপন সাহাৰ্য্য বিতৰনৰ সম্পৰ্কত উৎকোচ গ্ৰহণ কৰাৰ সংক্ৰান্তত গোৱালপাৰা জিলা উপায়ুক্তই স্পষ্টকৈ প্ৰতিবেদন দিয়া নাই। গতিকে পুনৰ তদন্ত কৰি দিবলৈ উপায়ুক্তক নিৰ্দ্দেশ দিয়া হৈছে।

ঘ) উপায়ুক্তৰ প্ৰতিবেদনৰ পৰা জনা যায় যে উক্ত মণ্ডল কেইজন বহু বছৰ ধৰি লক্ষিমপুৰ ৰাজহ চক্ৰত বদলি নোহোৱাকৈ কাম কৰি আছে বাৰু বৰ্ত্তমানে উপায়ুক্ত গৰাকীয়ে তেওঁলোকৰ বদলিৰ সম্পৰ্কত ব্যৱস্থা লৈ থকা বুলি জনাইছে।

ঙ) 'ক' প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

## বিষয় : গড়াখহনীয়াত গৃহহীন আৰু পুনৰ সংস্থাপন।

শ্ৰীআলাউদ্দিন সৰকাৰ য়ে সুধিছেঃ—

৮৮। মাননীয় ত্ৰাণ আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) ধুবুৰী জিলাৰ বিভিন্ন সমষ্টি এলেকাৰ বিভিন্ন নদীৰ গড়াখহনীয়াত কিমান মানুহ গৃহহীন হৈছে ? ( সমষ্টি ভিত্তিত সংখ্যা দাঙি ধৰিব )

খ) গৃহহীন মানুহ বিলাকক পুনঃ সংস্থাপনৰ বাবে কি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) উত্তৰ দিছে ঃ

৮৮। ক) ধুবুৰী সমষ্টি ১৭৩ টা পৰিয়াল
গৌৰিপুৰ সমষ্ঠি ১১৫ টা ”

গোললঞ্জ সমষ্টি ৩৪৩ টা পৰিয়াল
২৬ নং বিলাসিপাৰা
সমষ্টি ১০৪ টা ”
২৭ নং ” ” ৭৮ টা ” (আংশিক ভাবে ক্ষতিগ্ৰস্থ)
দক্ষিন শালমাৰা সমষ্টি ২৯৬৪ টা পৰিয়াল
মানকাচাৰ সমষ্টি ১৩৪৮ টা ”

জলেশ্বৰ সমষ্টিৰ অন্তৰ্গত দক্ষিণ শালমাৰা
ৰাজহ চক্ৰত ১০৯৩ টা পৰিয়াল

## বিষয় : পলাশবাৰী ৰাজহ চক্ৰৰ খেতিয়কৰ কৃষি সাহাৰ্য্য।

শ্ৰীযতীন মালী : বিধায়ক য়ে সুধিছে :

৮৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :
ক) বিগত জুলাই মাহৰ (৯১) বানত পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত কিমান সংখ্যক কৃষকৰ খেতিবাতি আৰু কঠিয়া নষ্ট হয় ?
খ) কৃষক সকলক (ক্ষতিগ্ৰস্ত) বৰ্ত্তমানলৈ কিবা কৃযি সাহাৰ্য্য দিয়া হৈছে নেকি ?
গ) যদি হৈছে, কি কি আৰু যদি হোৱা নাই কিয় হোৱা নাই ?
ঘ) উক্ত চক্ৰটোৰ অন্তৰ্গত কৃষক সকলক বিশেষকৈ চলিত বছৰটোৰ বাবে খাজানা আদায় দিয়াৰ পৰা ৰেহাই দিব নেকি ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে।

৮৯। ক) পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ৪,৬৯৯ জন কৃষক পৰিয়ালক খেতিবাতি আৰু কঁঠিয়া নষ্ট হয়।
খ) সাহাৰ্য্য দি থকা হৈছে।
গ) শালি ধানৰ বীজ আৰু কঠিয়া বিতৰণ কৰি থকা হৈছে। বৰ্ত্তমানে ৬০ কুইণ্টল মনোহৰ শালিৰ বিধান ক্ষুদ্ৰ আৰু উপান্ত কৃষকক বিতৰণ কৰা হৈছে। তাৰোপৰি ১৫,০০০ মুঠি কঁঠিয়া বিতৰণ কৰি থকা হৈছে।

এই বিতৰণ ১৫ নবেম্বৰৰ ভিতৰত শেষ হ'ব। খাৰীফ বতৰত উক্ত আঁচনি যোগে ১৭০০ জন ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কক সাহাৰ্য্য আগবঢ়োৱা হৈছে।

ঘ) ৰাজহ বিভাগে খাজনা মাফৰ কথাটো বৰ্ত্তমানে বিবেচনা কৰা নাই বুলি আমাক জনাইছে।

## বিষয়: খহনীয়াত ক্ষতিগ্ৰস্থ লোকৰ পুনৰ সংস্থাপন।

শ্ৰীপানী ৰাম ৰাভা য়ে সুধিছে:

৯০। মাননীয় পুণৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ৰাজহ (সাধাৰণ)

ক) জাৰতাগুক গাওঁত পাগলাদিয়া নদীৰ খহনীয়াত ঘৰ বাৰী ধ্বংস হোৱা ২০ ঘৰ মানুহে বাৰে বাৰে আবেদন কৰা স্বত্তেও পুনৰ সংস্থাপনৰ ব্যৱস্থা নকৰাৰ কাৰণ কি?

খ) চৰকাৰে ১ হাজাৰকৈ টকা সাহাৰ্য্য দিয়াৰ ঘোষনা অনুসৰি উক্ত ক্ষতিগ্ৰস্থ পৰিয়াল সকললৈ পুনঃ সংস্থাপন ও উক্ত আৰ্থিক সাহাৰ্য্য সোনকালে দিয়াৰ ব্যবস্থা কৰিবনে?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) য়ে উত্তৰ দিছে:

৯০। ক) জাৰতাগুক গাওঁৰ ১৬ টা পৰিয়াল গৰাখহনীয়াত ক্ষতিগ্ৰস্থ হৈছে অসম সাহাৰ্য্য বিধি অনুসৰি সম্পূৰ্ণ ক্ষতিগ্ৰস্থ পৰিয়ালক ১,০০০·০০ টকা

খ) আৰু আংশিক ক্ষতিগ্ৰস্থ পৰিয়ালক ২০০·০০ টকাকৈ অনুদান মঞ্জুৰী দিয়া হৈছে।

## বিষয়ঃ ম্যাদী মাটিৰ পট্টন।

শ্ৰীহিতেশ্বৰ ডেকা, বিধায়ক য়ে সুধিছে ঃ

৯১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চৰ অঞ্চল আৰু বনাঞ্চলত বসবাস কৰা সকলো লোককে মাটিৰ ম্যাদী পট্টা দিয়া হব নেকি ?

খ) যদি দিয়া হয়, ইয়াৰ ফলত কিমান মানুহ উপকৃত হব ?

গ) এই আচনি কাৰ্য্যকৰী হবলৈ কিমান চৰকাৰী সংৰক্ষিত ভূমিৰ প্ৰয়োজন হব ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৯১। ক) যিবিলাক চৰ অঞ্চলত জৰীপৰ কাম কৰা হৈছে, তাত যোগ্য ভূমিহীন লোকক ভূমিনীতি অনুসৰি মাটি আবন্টন পট্টন দিয়াৰ ব্যৱস্থা আছে। কিন্তু বনাঞ্চলত বসবাস কৰা লোকক তাত পট্টন দিয়াৰ ব্যৱস্থা ৰাজহ বিভাগৰ একক্তিয়াৰৰ বাহিৰত।

খ) চৰ অঞ্চল সমূহত জৰীপৰ কাম সম্পূৰ্ণ হলেহে কিমান লোক উপকৃত হব কব পৰা যাব।

গ) যিহেতু এই আচনি কেৱল চৰ অঞ্চলত গ্ৰহন কৰা হব, সংৰক্ষিত ভূমিৰ প্ৰয়োজনৰ প্ৰশ্ন নুঠে।

## বিষয়ঃ গৰাখহনীয়াৰ কবলত গৃহহীন পৰিয়াল।

শ্ৰী এছাহাক আলীয়ে সুধিছে ঃ

৯২। মাননীয় পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত কিমান পৰিয়াল যোৱা বছৰৰ গৰাখহনীয়াৰ কবলত পৰি গৃহহীন হৈছে ?

খ) উক্ত গৃহহীন পৰিয়ালবোৰ পুনঃ সংস্থাপনৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

৯২। ক) যোৱা বছৰ ১৯৯০ চনত কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত ১২৫৫ টা পৰিয়াল গৰাখহনীয়াৰ কবলত পৰি গৃহহীন হয়।

খ) মুঠ ১২২০ টা গৃহহীন পৰিয়ালক ১০০০.০০ টকাকৈ পুনঃ সংস্থাপন মঞ্জুৰী দিয়া হয়। ৩৫ টা পৰিয়ালে বৰ্ত্তমানেও পুনঃ সংস্থাপন মঞ্জুৰী পাবলৈ বাকী আছে।

## বিষয়ঃ দৰং জিলাৰ মাটি বেদখল।

শ্ৰী জয়নাথ শৰ্ম্মা, বিধায়ক য়ে সুধিছে ঃ

৯৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) দৰং জিলাত কোন কোন মৌজাৰ ভি, জি, আৰ । পি, জি, আৰ আদিৰ কিমান মাটি বেদখল হৈ আছে ?

খ) দৰং জিলাৰ গোৱাল সন্থাই দিয়া আবেদন অনুসৰি এই বেদখল উচ্ছেদৰ ব্যৱস্থা চৰকাৰে কৰিছেনে ?

শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী)য়ে উত্তৰ দিছে :

৯৩। ক) দৰং জিলাৰ যিবোৰ মৌজাৰ ভি, জি, আৰ আৰু পি, ভি, আৰ মাটিত বেদখল হৈ আছে তাৰ তালিকা উপায়ুক্তৰ পৰা পোৱা হৈছে। তালিকা খন পঢ়ি দিয়া হ'ল।

| কঃ নং | মৌজাৰ নাম | | ভি,ভি,আৰ | মাটিৰ পৰিমাণ | | |
|---|---|---|---|---|---|---|
| | | | ভি,ভি,আৰ | বিঃ | কঃ | লেঃ |
| ১ | চপহি | মৌজা | ,, | ৩৫২২ | ৪ | ১৬ |
| ২ | দাহি | ,, | ,, | ১৪১৪ | ২ | ১৬ |

| | | | | | | |
|---|---|---|---|---|---|---|
| ৩ | ৰঙামাটি | ,, | ,, | ৪৯০৮ | ৩ | ৯ |
| ৪ | চিনাকোনা | ,, | ,, | ৩২৮ | ০ | ১৬ |
| ৫ | মাজিকুচি | ,, | ,, | ১৬৪ | ১ | ১১ |
| ৬ | শেখৰ | ,, | ,, | ৮১৪ | ০ | ২ |
| ৭ | ভাকুৱা | ,, | ,, | ৭৮৮২ | ১ | ১৫ |
| ৮ | ডিপিলা | ,, | ,, | ২১২ | ১ | ১৮ |
| ৯ | হৰিশিঙা | ,, | ,, | ১৫০৩ | ১ | ১৫ |
| ১০ | বনমাৰা | ,, | ,, | ৮৩ | ২ | ১৩ |
| ১১ | বইনাকুছি | ,, | ,, | ২৫৫ | ১ | ১৮ |
| ১২ | সৰাবাৰী | ,, | ,, | ৪৮৯ | ৪ | ০ |
| ১৩ | কলাইগাওঁ | ,, | ,, | ৯২৫ | ৪ | ৬ |
| ১৪ | শিলপোটা | ,, | ,, | ৬৯৬ | ১ | ১০ |
| ১৫ | | ,, | ,, | ১০৯০ | ০ | ৫ |
| ১৬ | ববচি লাকাৰ | ,, | ,, | ২১৯১ | ৩ | ১৪ |
| ১৭ | ওদালগুৰি | ,, | ,, | ১৩২৬ | ০ | ২ |
| ১৮ | দলগাওঁ (পুব) | ,, | ,, | ৯৯২ | ৩ | ৮ |
| ১৯ | পঃ দলগাওঁ | ,, | ,, | ১৯৫৪ | ৪ | ৫ |
| ২০ | পঃশিয়ালমাৰি | ,, | ,, | ১৪৮৮ | ৪ | ৫ |
| ২১ | পূঃপিয়ালমাৰি | ,, | ,, | ৬২০ | ০ | ৯ |
| ২২ | ওৰাং | ,, | ,, | ১০৮৬ | ৪ | ১৫ |
| | | | | মুঠ—৩৪০২৩ | ৩ | ৮লেঃ |

পি, জি, আৰ

| ক্রঃ নং | মৌজাৰ নাম | পি,জি,আৰ | মাটিৰ পৰিমান | | |
|---|---|---|---|---|---|
| | | | বিঃ | কঃ | লেঃ |
| ১ | ৰঙামাটি মৌজা | ,, | ১১০০৪ | ০ | ১০ |
| ২ | চিপাঝাৰ ,, | ,, | ৪৮৯১ | ৪ | ৮ |

| | | | | | | |
|---|---|---|---|---|---|---|
| ৩ | অম্বা | ” | ” | ১০৯৩ | ২ | ৯ |
| ৪ | ওদালগুৰি | ” | ” | ২৬৩৯ | ৩ | ৯ |
| ৫ | পুৰ শিয়ালমাৰী মৌজা। | | ” | ৪০০০ | ০ | ০ |
| | | | মুঠ— | ২৩,৬২৯ | • | ১৬ |

খ) দৰং জিলাৰ গোৰাল সন্থাই দিয়া আবেদন অনুসৰি ছিপাঝাৰ মৌজাৰ ফুহু-বাতলি পি, জি, আৰৰ পৰা বেদখলকাৰী সকলক উচ্ছেদ ১৯৮৯ চনত কৰা হৈছিল। কিন্তু বেদখলকাৰী সকলে উক্ত পি, জি, আৰত পুনৰ বেদখল আৰম্ভ কৰিছে। বেদখলকাৰী সকলৰ ১৯৯ জন বেদখলকাৰীয়ে মহামান্য উচ্চ ন্যায়লয়ত দাখিল কৰা ৰিট আবেদনৰ ওপৰত দিয়া উক্ত ন্যায়লয়ৰ হুকুম মতে বৰ্ত্তমান উচ্ছেদ বন্ধ কৰা হৈছে। উক্ত ন্যায়লয়ৰ হুকুম মতে বেদখল-কাৰী সকলে দাখিল দিয়া মাটি পট্টনত আবেদন বৰ্ত্তমান উপায়ুক্তৰ বিবে-চনাধীন হৈ আছে।

## বিষয় : ধনশিৰি জলসিঞ্চন আচঁনি।

শ্ৰীকৰেন্দ্ৰ বসুমতাৰী য়ে সুধিছে :

৯৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ওদালগুৰি মহকুমাৰ ভৈৰকুণ্ডৰ "ধনশিৰি নদীৰ প্ৰকল্প" নামৰ কৃষিৰ উন্নয়নৰ বাবে এটি বৃহৎ জলসিঞ্চনৰ আচঁনিৰ কাম কেতিয়া সম্পূৰ্ণ হব আৰু তাৰ কাৰনে বৰ্ত্তমান চৰকাৰে কি আচঁনি লৈছে ?

জলসিঞ্চন বিভাগৰ মন্ত্ৰী শ্ৰী জেহিৰুল ইচলামে উত্তৰ দিব :

'ধনশিৰি নদীৰ প্ৰকল্প' নামৰ জললিঞ্চন আঁচনিৰ কাম ১৯৯৩ চনত সম্পূৰ্ণ কৰিবলৈ পৰিকল্পনা কৰা হৈছে আৰু সেইমৰ্মে পৰ্য্যায়ক্ৰমে কাৰ্য্যসূচী হাতত লোৱা হৈছে।

বিষয় ঃ খেতি, সা-সম্পতি উছন্ন ।

শ্ৰীবুবুল দাসে য়ে সুধিছে ঃ

৯৫। মাননীয় সাহাৰ্য্য আৰু পুনৰ সংস্থাপন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৱা জুলাই মাহৰ বানে মৰিগাওঁ জিলাৰ অন্তৰ্গত ৭৯ নং জাগীৰোদ সমষ্টিৰ পকৰীয়া মৌজা, মায়ং মৌজা, মনহা মৌজা, ঘগুৱা মৌজা আৰু গোভা মৌজাৰ ৰাইজৰ খেতি সা-সম্পত্তি আৰু ঘৰ-দুৱাৰ নষ্ট হোৱা ক্ষতিগ্ৰস্থলোকক পুনৰ সংস্থাপন ও সাহাৰ্য্য দিয়া হবনে ?

খ) যদি সাহাৰ্য্য দিয়ে, তেনেহলে প্ৰতিটো পৰিয়ালক কেতিয়া আৰু কিমান পৰিমানৰ সাহাৰ্য্য বিতৰণ কৰিব অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীমুকুট শৰ্ম্মা ( মন্ত্ৰী ) য়ে সুধিছে ঃ

৯৫। ক) হয় ।

খ) উপায়ুক্তই ক্ষতিগ্ৰস্তলোকৰ তালিকা প্ৰস্তুত কৰি প্ৰতিবেদন দিয়াৰ পিচত অসম সাহাৰ্য্য বিধিৰ নিয়ম অনুযায়ী পুনৰ সংস্থাপন আৰু সাহাৰ্য্য দিয়াৰ ব্যৱস্থা লোৱা হব ।

বিষয় ঃ চাহ বনুৱাৰ সংখ্যা ।

শ্ৰীগহীন চন্দ্ৰ দাস য়ে সুধিছে ঃ

৯৬। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) অসমত বৰ্ত্তমান কিমান কৰ্মৰত চাহ- বনুৱা আছে আৰু প্ৰাক্তন চাহ বনুৱা আছে ?

খ) প্ৰাক্তন চাহ-শ্ৰমিক সকলে মাটি পট্টন, এতিয়ালৈকে কিমান পালে আৰু কিমান পোৱা নাই।

শ্ৰীদিলেশ্বৰ তাঁতী ( মন্ত্ৰী ) য়ে সুধিছে ঃ

৯৬। ক) ৬,৯৩,৯৭৯ জন কৰ্ম্মৰত চাহ বন্নুৱা ( স্থায়ী আৰু অস্থায়ী ) ( ৭৩ খনৰ ভিতৰত ৬৫৭ খন বাগিচাৰ হিচাব )

খ) প্ৰশ্ন নুঠে, এই বিভাগে এই সন্দৰ্ভত কোনো নথি পত্ৰ নাৰাখে। বিষয়টো ৰাজহ বিভাগৰহে অন্তভূক্ত।

Dr. Kmala Kalita : Point of Order Sir. Continued in Assamese.

Mr. Speaker : I have received 15 zero hour notices and as rule permits, I have selected only 3. The first two notices are given by Shri Ramendra Narayan Kalita and Shri Dilip Saikia. Both of them have given separate notices on the same subject and on a newsitem appeared in Dainik Asom dated 8.9.91 under the "অৰুনাঞ্চলৰ দাবী খিনি ললে অসমে এৰি দিব লাগিব প্ৰায় দুহেজাৰ বৰ্গ কি মি অঞ্চল।" These notices are plugged together and I call upon Shri Kalita to speak on the matter.

শ্ৰীৰমেন্দ্ৰনাৰায়ন কলিতা :

মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৮ চেপ্তেম্বৰ তাৰিখে দৈনিক অসম কাকতত "অৰুনাচলৰ দাবী মানি ললে দুই হাজাৰ বৰ্গ কিলোমিটাৰ মাটি বিনম্ভ শীসক বাতৰি প্ৰকাশ হৈছে। এই বাতৰি টোৰ প্ৰতি মই মুখ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিলো। যোৱা ১ চেপ্তেম্বৰত অৰুনাচল প্ৰদেশত ইটানগৰত অৰুনাচলৰ মুখ্যমন্ত্ৰী শ্ৰীগেগংআপং আৰু আমাৰ অসমৰ মুখ্যমন্ত্ৰীৰ মাজত এটা আলোচনা অনুস্থিত হৈছিল। এই আলোচনা অনুস্থানত কি ধৰণৰ সিদ্ধান্তত উপনিত হৈছে, এই বিষয়ে মই আমাৰ মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো দৈনিক অসম বাতৰি কাকতত প্ৰকাশিত মৰ্ম্মে এক হাজাৰ বিঘা মাটি অৰুনাচল চৰকাৰে দখল কৰি আছে। আৰু ৯৫৭ বৰ্গ কিলোমিটাৰ মাটি অৰুনাচল চৰকাৰে দাবী কৰিছে। এই বিষয়ত আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে সম্মতি দিয়া বুলি জানিব পৰিছো। অৰুনাচল প্ৰদেশৰ এই খিনি মাটি এৰি দিলে অন্যান্য ৰাজ্য সমূহে অসমৰ সীমামূৰীয়া অঞ্চলত বেদখল কৰি থকা মাটি সমূহো এৰি দিব লাগিব। এতিয়া কথা হ'ল অসমৰ সীমাৰ ভিতৰত স্কুল নিৰ্মান, বিজুলিবাতি সংযোজন, অফিচ আদি নিৰ্ম্মান

কৰিছে। পানীযোগান আদিৰো ব্যৱস্থা কৰিছে। কিন্তু সেই বিলাকৰ ক্ষেত্ৰত আলোচনা কৰা নাই। সেই বিলাকক উচ্ছেদ কৰা নহয় বুলি মূখ্য মন্ত্ৰীয়ে জানিব দিয়ে। ১৯৮৯ চনত অসম চৰকাৰে এই বিষয়ত উচ্চতম ন্যায়ালত এটা কেচ ৰুজু কৰা আহিল। এই ক্ষেত্ৰত এটা চাৰ্জ নটিচ হৈ আছে। গতিকে তেনে ক্ষেত্ৰত কি ধৰণে মূখ্য মন্ত্ৰীয়ে সিদ্ধান্তত উপনিত হ'ল আমি বুজিব পৰা নাই। এই বিষয়ত মই মূখ্য মন্ত্ৰীৰ পৰা এটা স্পষ্টিকৰণ বিছাৰিছো তাৰোপৰি অসমৰ ৰাজ্য পাল যেতিয়া শ্ৰীদেবীদাস ঠাকুৰ আছিল, সেই সময়ত অৰুনাচলৰ মুখ্যমন্ত্ৰী শ্ৰীগেৱাংআপং আছিল তেতিয়া ও এটা আলোচনা হৈছিল আৰু এটা সিদ্ধান্ত হৈছিল বুলি জানিব পাৰিছিলো। কিন্তু ৰাষ্ট্ৰপতি সাশন কালত একো গম পোৱা নাই। তাত কেনে ধৰণে সীদ্ধান্ত লৈছিল বা কি চুক্তি হৈছিল তাৰ এটা স্পষ্টিকৰণ মূখ্য মন্ত্ৰীৰ পৰা জানিব বিছাৰিছো।

শ্ৰী দীলিপ শইকীয়া সোনোৱাল :

মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় বিধায়ক কলিতা ডাঙৰীয়াই কৈছেই যে দৈনিক অসম কাকতত ওলোৱা অৰুনাচল আৰু অসমৰ সীমা বিবাদৰ মীমাংসা কথাটো। আজি আমি অৰুনাচলৰ মূখ্য মন্ত্ৰী আৰু অসমৰ মূখ্যমন্ত্ৰীৰ মাজত হোৱা সিদ্ধান্তৰ কেনে ধৰণে হ'ল তাৰ এটা বিবৃতি আমি মূখ্য মন্ত্ৰীৰ পৰা এই বিধান সভাত দিবলৈ দাবী কৰিছো। কেৱল অসম অৰুনাচল সীমাই নহয়, অসম নগালেণ্ড সীমা বিবাদো আছে। এই সীমা বিবাদ বিষয়টো লৈ দৈনিক অসম কাকতত ৮ তাৰিখে যিটো বাতৰি ওলাইছে সেই মতে যদি দুই হাজাৰ বৰ্গ মাটি যদি আমি এৰি দিব লগা হয় তেন্তে তাৰ ভিতৰত মোৰ ঘৰটোও অৰুতাচলৰ ভিতৰলৈ গুছি যাব। কেবল মোৰ ঘৰটো-ৱেই যাব এনে নহয়, লক্ষিমপুৰৰ বহুখিনি তাৰোপৰি টিনচুকীয়া, ধেমাজী

আদি এলেকাৰো মাটি অৰুনাচল এলেকালৈ গুছি যাব। অধ্যক্ষ মহোদয়, এই বিষয়ত মুখ্যমন্ত্ৰী দুয়োগৰাকীৰ নামত কি ধৰণৰ আলোচনা আৰু সিদ্ধান্ত হ'ল মই আশা ৰাখিছো এই সদনত বিবৃতি আকাৰে তেখেতে দাঙি ধৰিব। কাৰণ বিভিন্ন সময়ত মাৰমিট আদি কৰিও এই মাটিবিলাক বেদখল কৰি অধিগ্ৰহণ কৰি আহিছে। মই জনাত অৰুনাচলৰ মুখ্যমন্ত্ৰীৰ পত্নীৰ নামত জোনাইত পেট্ৰোল ডিপো, চব মিল আদি আছে। আমাৰ চৰকাৰে আলোচনা কৰোতে কি ভাৱে সিদ্ধাণ্ট ললে এই বিষয়ে আমি জানিব বিছাৰিছো হাই কোৰ্টত কেচ চলি থকা অৱস্থাতো তেওঁলোকৰ লগত কোনো আলোচনা কৰা নহল। অৰুনাচলৰ মুখ্যমন্ত্ৰী শ্ৰীগেগং আপঙে অসমৰ মাটিৰ ভিতৰত বিভিন্ন ধৰণে দাবী কৰি আহিছে। গোটেই অঞ্চলটোত ভোটৰ কেন্দ্ৰও স্থাপন কৰিছে। গড়কাপ্তানী বিভাগৰ অফিচ আদিকে ধৰি নানা ধৰণৰ অনুস্থান আদি পাতি অসমৰ মাটি বেদখল কৰাৰ চেষ্টা চলাই আহিছে। আমি আশা ৰাখিছো আমাৰ চৰকাৰে এই বিষয়ত কঠোৰ ব্যৱস্থাৰে সীদ্ধান্ত কৰিব লাগিব। যদি একে কংগ্ৰেছ আইৰ চৰকাৰ বুলি আমাৰ চৰকাৰে এক বিন্দুও মাটি এৰি দিয়ে আমি কঠোৰ ভাৱে প্ৰতিবাদ কৰিম। আমি অসমৰ মাটি এক বিন্দুও এৰি দিব নোৱাৰিম। কোনো পৰিস্থিতিতেই আমি এক বিন্দুও মাটি এৰি দিব নোৱাৰো। আমি সকলোৰে লগত সদভাৱ ৰাখিব লাগিব। কিন্তু মাটি এৰি দিয়াটো অনুচিত হব। আমাৰ সীমামূৰীয়া অঞ্চল বিলাকত চৰকাৰে যিখিনি সুবিধা দিব লাগিছিল কোনো সুবিধাই দিয়া নাই। সেই সকলো সুবিধা অৰুনাচল চৰকাৰে দি আছে। মই জোনাই অঞ্চলৰে কথা কও থকা সকলো মানুহেই অৰুনাচললৈকে যাব বিছাৰে যিহেতুকে তেওঁলোকে তেওঁলোকে সুবিধা দিয়ে। সেয়ে অৰুনাচল চৰকাৰে সেই সুবিধাটিকে লব বিছাৰিছে। বৰ্ত্তমাৰ আমাৰ চৰকাৰে কি বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে, সমস্যাৰ কি ধৰণে সীদ্ধান্ত ললে তাৰ এটা সপষ্ট প্ৰতিবেদন।

Speech not corrected

শ্ৰী জয়নাথ শৰ্ম্মা ঃ

মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অবডাৰ আছে। মহোদয়, বিধান সভা চলি থকা অৱস্থাত বা বিধান সভা মতাৰ পাচত চৰকাৰে কোনো গুৰুত্বপূৰ্ণ কথাই নিজা ৱবীয়াকৈ সিদ্ধান্ত লব নোৱাৰে। বিধান সভাৰ মজীয়াত আলোচনা নকৰাকৈ কোনো গুৰুত্বপূৰ্ণ কথাই চৰকাৰে নিজা ৱবীয়াকৈ সিদ্ধান্ত লব নোৱাৰে। গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি নোলোৱাকৈ, নে আপোনাৰ অনুমতি লৈছিল, অৰুনাচল আৰু অসমৰ সীমা বিবাদৰ ক্ষেত্ৰত দুয়োজন মূখ্য-মন্ত্ৰীয়ে আলোচনা কৰি সিদ্ধান্ত লৈছে। এই সীদ্ধান্ত মতে ২ হাজাৰ বৰ্গ কিলোমিটাৰ অৰুনাচল চৰকাৰক এৰি দিব লাগিব। এই বাতৰি অসনৰ অধিকাংশ বাতৰি কাকততেই ওলাইছে। নতুন দৈনিক, দৈনিক অসম, আজিৰ অসম নতুম অসম ট্ৰিবিউন, চেন্টিনেল আদি বাতৰিত এই বাতৰিটোট প্ৰকাশ পাইছে। তাৰোপৰি দীঘলীয়াকৈ সাত দিন, বুধ বাৰ আদি বাতৰিটো এই ৰাতৰিটো এই ভাৱে উল্লেখ কৰিছে যে, আমাৰ অসমৰ মূখ্য মন্ত্ৰীয়ে অৰুনাচলৰ মূখ্য মন্ত্ৰীত অসমৰ কিছুমাটি এৰি দিম বুলি কৈ আহিছে। স্বত্ত দিছে বেদখল কৰা যে বেদখল কৰা খিনি আমাৰ চৰকাৰে এৰি দিব আৰু যিখিনি তেওঁলোকে দাবী কৰিছিল সেইখিনি তেওঁলোকে এৰি দিব। অসমৰ মানুহে ভাবিছে কথাটো ভালেই হৈছে। প্ৰথমতে সিদ্ধান্তটো মইও ভাল হৈছে বুলিয়েই ভাবিলো। কিন্তু যেতিয়া আচল কথাটো গম পালো তেতিয়াহে গম পালো তেতিয়াহে গম পালো যে আমাৰ অসমৰ দুই হাজাৰ বৰ্গ কিলোমিটাৰ মাটি আমাৰ চৰকাৰে অৰুনাচল চৰকাৰক এৰি দিবলৈ ওলাইছে। যি সময়ত বিধান সভাৰ বাবে মত্য হৈছিল সেই সময়ত দুই হাজাৰ বৰ্গ মাটি কথাটো বিধান সভাত আলোচনা নকৰাকৈয়ে মূখ্যমন্ত্ৰীয়ে নিজা ৱবীয়াকৈ এৰি দিয়া স্বত্তটো ক'ত পালে। নে অধ্যক্ষ মহোদয় আপোনাৰ অনুমতি লোৱা হৈছিল? এই ক্ষেত্ৰত অসমৰ মানুহক প্ৰতাৰণা কৰা হৈছে এই বিধান সভাত আলোচনা নকৰাকৈয়ে দুই

হাজাৰ বৰ্গ মাটি এৰি দিবলৈ সাহস তেখেতে ক'ত পালে ? যি ধৰণেই চুক্তি নহওক লাগিলে, মাননীয় সদস্য শইকীয়াসোনোৱাল ডাঙৰীয়াই কোৱা কথাত মই একমত। আমি এক বিন্দুও অসমৰ মাটি এৰি দিব নোৱাৰো। কংগ্ৰেছ দলৰ নীতিয়েই হওক বা দুবোধ্য যিয়েই নহওক কিয় অসমৰ জনসাধাৰণৰ স্বাৰ্থ বিক্ৰি কৰি আনৰ হাতত মাটি তুলি দিবলৈ অসমৰ জনসাধাৰণে মুখ্য মন্ত্ৰী পতা নাই। অথবা পাতিবলৈ বিছৰা নাই। বিধান সভা আহবান দিয়াৰ পাচত বিধান সভাৰ সদস্য সকলক বিশ্বাস নকৰি আলোচনা নকৰাকেয়ে ২ হাজাৰ বৰ্গ কিলোমিটাৰ মাটি অৰুনাচলৰ মুখ্য মন্ত্ৰীক সমৰ্পন কৰা অধিকাৰ ক'ত পালে ? অসমৰ ৰাইজে দিছে ? আপুনি দিছে ? তেখেতৰ নিজা সম্পত্তি বুলি ভাবিছে ? গতিকে তেখেতৰ অৰুনাচলৰ মুখ্য মন্ত্ৰীৰ লগত কি আলোচনা হৈছে, কি চুক্তি হৈছে

অধ্যক্ষ—আপোনালোক বহক, পইণ্ট অব অৰডাৰ ৰেইজ কৰিছে।

Shri Holiram Terang : Sir, I have a point of order. sometimes I myself and some of our friends here, we do start thinking whether wc follow the same rule and same convention for all time. Sir, during Zero Hour the person concerned who brings the notice is allowed to speak and Speaker may allow, if he feels, that really there are some points which are to be clarified. Since on this question. 2 Hon'ble members have spoken. Hon'ble member Mr. Sarma has been allowed to stand up and spoke on the topic. Point raised by Mr. Zoii Nath Sarma is not related to the point in the notices, it is not a point

Speech not corrected

of order. Because the matter he raised is not really to the matter raised in the notices. So, if the Hon'ble Speaker allows such point of order to be raised, we may also kindly be allowed to raise some points.

Mr. Speaker : When one member raises a point of order I am bound to give him chance. Now 3-4 members stood up. In some point of order I also allowed up. In some point of order I also allowed you.

শ্ৰী কৰেন্দ্ৰ বসুমাতাৰী : মাননীয় অধ্যক্ষ মহোদয়, অৰুনাচল আৰু অসমৰ মাজত থকা সীমা বিবাদৰ দৰেই অসম আৰু নগালেণ্ডৰ মাজতো সীমা বিবাদ আছে। অসম আৰু নগালেণ্ডৰ সীমাত বিশেষকৈ বড়ো জনজাতীয় লোক সকল বসবাস কৰি আছে। যেতিয়াই নগালেণ্ডৰ ফালৰ পৰা অসমত আক্ৰমণ হয় তেতিয়াই এই জনজাতীয় লোক সকলেই বিশেষভাবে ক্ষতিগ্ৰস্ত হবলগীয়া হয়। মই যাতে সীমামূৰীয়া ঠাইত বসবাস কৰা জনজাতীয় লোকসকল ক্ষতিগ্ৰস্ত হবলগীয়া নহয় তাৰ কাৰণে চেষ্টা কৰিবলৈ অনুৰোধ জনাইছো।

শ্ৰী হিতেশ্বৰ শইকীয়া (মূখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অৰুনাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ লগত মোৰ আলোচনা হৈছিল যদিও সিদ্ধান্ত একো হোৱা নাই। অধ্যক্ষ মহোদয়, ৰিপৰ্টমতে আমাৰ ৰাজ্য আৰু অৰুনাচল প্ৰদেশৰ লগত ৭০৪ কিঃ মিঃ সীমা আছে। তাৰে ৩৭৮ কিঃ মিত কোনো কোনো বিবাদ নাইকীয়া বুলি কোৱা হৈছে। এই খিনিত কোনো পক্ষই কোনো আপত্তি দিয়া নাই। যিখিনি অঞ্চলত আমাৰ বিবাদ আছে তাত আমাৰ মানুহো বৃহি আছে আৰু তেওঁলোকৰ মানুহো বহি আছে। এই সম্পৰ্কত আমি গোটেই কঁথাটো আলোচনা কৰি নিস্পত্তি কৰিবৰ বাবে এখন কমিটি কৰি দিছো। আমাৰ এই

কেইটা কথাৰ ওপৰতে আলোচনা হৈছিল। আমি কাঁকো আমাৰ মাটি এৰি দিয়াৰ কথা উঠা নাই। আৰু অধ্যক্ষ মহোদয়, অৰুনাচলৰ মুখ্য মন্ত্রীয়ে এটা পৰামৰ্শ দিছে যে

The Chief Ministers agree to take the following steps:-

i) Boundary demaracation in the undisputed areas and erection of boundary pillers should commence as early as possible.

ii) In respect of dispudareas, status-quo should be maintained .... (In Assam)

iii) Local committees consisting of representatives from Arunachalies and Assamese an 50:50 basis to be formed in the disputed areas to sort out the problems.

iv) An official level committee representing both the States should meet to work out the modalities to implement the agreement arrived at by the Chief Minrsters and take follow-up action.

১২৫১ চনত অৰুনাচল প্ৰদেশ সৃষ্টি হোৱাৰ পিচত তেওঁলোকে অসমৰ ১৩৩৩ বৰ্গ কিঃ মিঃ অঞ্চল দাবী কৰিছিল। তাৰে তেওঁলোক ৯০০ বঃ কিঃ এৰি দিলেও সন্তুষ্টি হব বুলি কৈছিল এইটো এটা পৰামৰ্শহে। আজি অসম আৰু অৰুনাচলৰ মাজত যিটো সীমা সমস্যা হৈছে সেইটো এৰা ধৰাৰ মাজেৰে সমাধান কৰিবৰ কাৰণে আমি আলোচনা কৰিছিলো। আমি এতিয়ালৈকে অৰুনাচলক মাটি এৰি দিয়াৰ কথাটো অহা নাই। আমি আলোচনাৰ বিলোচনাৰ মাজেৰে কাম কৰিম

Speech not corrected

বুলিহে কৈছো। এই কথাবিলাকৰ ওপৰতে ভিত্তি কৰি কোনো ইমচনৰ সৃষ্টি কৰিব নালাগে। অৰুনাচল প্ৰদেশত অসমৰ চাকৰিয়াল বহুত আছে। সেইদৰে নাগালেণ্ড, মিজুৰাম মেঘালয়া, ট্ৰিপুৰাতো আমাৰ অসমৰ চাকৰিয়াল আছে। সেই কাৰণে মই ভাবো যে এই বিলাক কথাত কোনো ইমচনৰ সৃষ্টি নকৰি সকলো বিলাক কথা ধৈৰ্য্যসহকাৰে আলোচনা বিলোচনা কৰি সমাধান কৰা উচিত।

শ্ৰী ভৰত চন্দ্ৰ নৰহ :— অধ্যক্ষ মহোদয়, এই কাৰ্য্য বিবৰণীৰ এটি নকল সদনৰ মেজত ৰখাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী): ৰখা হব।

শ্ৰী দিলীপ শইকীয়া অধ্যক্ষ মহোদয়, মই মহোদয়ৰ পৰা এটি স্পষ্টকৰণ বিচাৰিছো। এই কথা সচা নেকি যে অৰুনাচলৰ মুখ্য মন্ত্ৰীৰ পত্নীয়ে অসমৰ মাটিত ধান কল, পেট্ৰোল ডিপো আদি সাজিছে ? আনহাতে যিবিলাক বিবাদমান এলেকা তাত পানী যোগান, ৰাস্তাঘাট স্কুল কলেজ আদি সজাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী): তেওঁলোকেও নাসাজো বুলি কথা দিছে সেই কাৰণে আমিও সজাৰ কথা ভবা নাই।

শ্ৰী দিলীপ শইকীয়া: অৰুনাচলৰ মুখ্য মন্ত্ৰীয়ে যে অসমৰ মাটিত কল কাৰখানা আৰু পেট্ৰোল ডিপো পাতিছে আনকি আমাৰ ৰাজহ মন্ত্ৰীৰ সমষ্টি শ্ৰী পেগুৰ তাত ডিপো কৰিছে এই বিষয়ে অনুসন্ধান কৰিব নে ?

শ্ৰী গমেশ্বৰ পেগু (ৰাজ্যিক ৰাজহ মন্ত্ৰী): আমাৰ মাটিত বা মোৰ সমষ্টিত তেনে কোনো ডিপো কৰা সচা নহয়। শিলাপথাৰত একেবাৰে পাহাৰৰ দাতিত আমাৰ সীমাত ডিপো আছে কিন্তু ঠাইখিনি অসমত নপৰে।

Mr. Speaker . I have received another Zero Hour Notice from Shri Parameswar Brahma on a news item published in the North East Times, under the caption 3 Policemen arrested. I now call upon Mr. Brahma to speak.

Shri Parameswar Brahma : Mr. Speaker Sir, it is a matter of urgent public importance. Sir, on 6th September, 1991, the Sub-Inspector of Gossaigaon Police Station Zakir Hussain Khandakar and two constables have been arrested and a case has been registered against them in connection with the killing of Harkishan Agarwalla, a businessmen of Gossaingaon. Sir, it is a conspiracy, which has created communal tension in the area. Police reports say that they mistook Mr. Agarwalla to be a dacoit and shot him at his rice mill. But Sir, fact remains that there has been a big conspiracy behind this killing. which police claimed to be an accident. Now, Sir, the incidence is like that there has been a flour mill about 3 KM away from the police Station, where a dacoity took place causing gravious injury to its inmate Shri Prakash Maheswari, his two sons and the watchman of the Mill. The dacoits decapped. Then one of the inmates of the mill rushed to Gossaigaon civil hospital with the injured inmates and reported the occurence at the Gossaigaon Police Station wher he found

Speech not Corrected

one A.S.I. Mr. Khandakar as Phone duty officer. That A. S.I. also got a telephone from Shri Harkishan Agarwalla, who was a close friend of O.P. Maheswari asking his help and assistance. They proceeded towards the flour mill, where dacoity took place. After that Mr. Harkishan Agarwalla informed some of his friends about this incidence. While he was proceeding to his mill. On the way he met one S.I. Mr. Dutta of Gossaigaon P.S. and he narrated incidence of firing at his car. Then Mr. Dutta left for the Mill with two constables in the car of Mr. Harkishan Agarwalla. As per instruction of Mr. Dutta, Mr. Agarwalla parked his car in the premises of the Petrol pump which is just about 100 meters away from the Mill entrance, where was advised to stay along with one constable. Mr. Dutta along with the other constable entered the Mill premises and opened three rounds of fire in the air. Mr. Agarwalla then wanted to enter in the Mill with his car, which was again fired at. Then Mr. Agarwalla wanted to come out but at his exit the car was stopped by one person who appeared to be Mr. Khandakar, the A.S.I. and suddenly that Khandakar and one constable fired at Mr. Harkishan Agarwalla from point blank range causing his death on the spot. The ill fated constable who might have recognised the assailants was also shot to death in order to conceal the evidences and identity of the assailants. Sir, if the policemen kills the innocent

policemen to conceal the facts blame is put on the innocent people that terrorism and communal tensions are being committed by the Bodo people. Sir, what is the political motive behind this and where is the law and order maintenance, if the Police, who is supposed to ensure peace and tranquility in the society, can kill the innocent people and commit such a heinous crime, I want to draw the attention of the House and also the Minister in-charge Home, as to what measures Govt want to take on such incidence, whether any investigation will be made about this. Sir, it was a conspiracy to fire on the innocent people with a bad motive to blame the entire Bodo movement and to exploit the situation. I want to know whether the Home Minister would take a strict measure and make an enquiry to bring the culprit to book. I demand that a civil enquiry will be instituted to find out the miscreants who committed such crime.

শ্ৰীকৰেন্দ্ৰ বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, মই আৰক্ষী অত্যাচাৰৰ বিৰুদ্ধে দুটামান কথা উত্থাপন কৰিব বিচাৰিছো। যোৱা ১১ চেপ্তেম্বৰ ইং তাৰিখে আৰক্ষী অত্যাচাৰৰ বিৰুদ্ধে আবছুৰ আজি দৰং বন্ধ শিৰোনামাত প্ৰকাশিত বাতৰিত উল্লেখ কৰা মতে জিলাখনত আৰক্ষী অত্যাচাৰৰ বৃদ্ধি পোৱাৰ অভিযোগ তুলি আবছুৰ দৰং জিলাগোট আৰু বড়ো পিপলচ্ একশ্যন কমিটিয়ে আজি পুৱা ৫ বজাৰ পৰা সন্ধ্যা ৫ বজালৈ ১২ ঘন্টিয়া বন্ধৰ আহ্বান জনাইছে। দৰং জিলাৰ আৰক্ষী অধিক্ষকে জনোৱামতে আবচুৰ বন্ধৰ প্ৰভাৱ আংশিক ভাবে ওডালগুৰিত

কিছু অঞ্চলত পৰিছে। আৰক্ষীয়ে কেইজনমান সমৰ্থক গ্ৰেপ্তাৰ কৰিছে।
এনে ধৰণৰ কিছুমান অত্যাচাৰ চলি আছে কিন্তু চৰকাৰে এই সমস্যা বিলাক সমাধান কৰিব পৰা নাই। অহা ২৬ তাৰিখে ওডালগুৰিত এই সম্পৰ্কে অধ্যয়ন কৰিবলৈ কক্সপাৰ্ট কমিটি অহা কথা, তাৰ আগতে কিছুমান ষড়যন্ত্ৰ মূলক কথা চলি আছে গতিকে এই বিষয় বিলাকৰ ওপৰত তদন্ত হব লাগে আৰু অনতিপলমে সমস্যা সমূহ সমাধান কৰাৰ কাৰণে ব্যৱস্থা লবনে ?

Shri Paremeswar Brahma : It also comes under this.

Shri Hiteswar Saikia ( Chief Minister ) Mr. Speaker sir, attention of the Government is drawn to the newsitem "Police men arrested" published in North Eastern Times dated 11th September, 1991. The facts of the case is that in the night ef 6th 7th September one Shri Omprakash Maheswari of Gossaigaon Floor Mill appeared at Gossaigaon Police Station and reported that at about 23.30 hrs. a gang of decoits armed with deadly weapons committed dacoity in the mill causing grevious injúry to Gajendra Sandak, Mahendra Sandak and Jaharlal Brahma (Chowkidar). In the meantime a telephonic information received from Bajrang rice mill Gossaigaon that a dacoity was taking place at Bajrang rice mill. On receipt of information ASI Jakir Hussain Kandakar along with staff reached to the spot simultaneously. One Harikishan Agarwala of Bajrang rice mill appeared at the police station in his maruti car and reported the incident of dacoity. Then

ASI Krishna Dutta, Constable Champaram Nath and Joiram Gogoi reached to the spot along with Harikishan Agarwala in his Maruti car. Another police party including one section AP Bn. also rushed to the spot by a truck. As soon as the maruti car reached the mill, the dacoits alleged to have fired towards the car as a result Harikishan Agarwala and Constable Chamqaram Nath received bullet injuries and succumbed to their injuries tnside the car. Police party also fired at the decoits. Cases have been registered at Gossaigaon Police Station appearing No. 150/91 U/S.396 and 397 IPC and Case No. 151/91 U/S. 396 registered. During investigation it was revealed that ASI Jakir Hussain Kandakar, Const Rabin Ch. Das and Const. Joiram Gogoi by mistake fired at Harikishan Agarwala and Const. Champaram Nath causing the.r death. They were arrested and forwarded into custody on September 10.

Shri Parameswar Brahma :— No sir, the statement given by hon'ble Chief Minister is not satisfactory. From the report of the local people I have received, the dacoit party was also suspected to be the police party. In this incident, police personnel themselves involves with the dacoits. They themselves killed Agarwala. Actually there was no case of dacoity. The dacoits themselves were police personnel. The place where the dacoity

was committed is situated in the extreme north and the place of killing in the extreme south, the distance is about 3 kms. The police know about the dacoity and they also know the owner of the Floor Mill. The fact would have come to light had Mr. Agarwala would survived and had the police constable survived. The police personnel killed both Agarwala and the constable. to conceal the evidences of police involve ment.

Shri Hiteswar Saikia (Chief Minister) : A high level enquiry will be ordered to enquire into it.

Shri Parameswar Brahma : We want a CBI enquiry.

Shri Hiteswar Saikia (Chief Minister) : CBI enquiry is not necessary. We will make high level enquiry.

Mr. Speaker : I would like to request the hon'ble Members to be very brief, because, if we take much time in asking two and three clarifications or point of orders, very purpose will be defeated.

Now I have received another Zero Hour Notice from hon'ble Member Shri Hali Ram Terang dated. 12·9·91 regarding a newsitem appeared on Assam Tribune dated 11·9·91 regarding the affairs of Assam State Housing Board.

শ্ৰীহলিৰাম টেৰাং ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি অসম বিধান সভাৰ সন্মুখত অসম গৃহ নিৰ্ম্মান পৰিষদৰ কৰ্ম্মী হেঙ্গৰাবাৰীৰ গিৰিন্দ্ৰ কুমাৰ কাৰ্জীয়ে আজিৰ পৰা অনশন আৰম্ভ কৰিছে। যোৱা কালি দৈনিক বাতৰি অসম ট্ৰিবিউনত ওলাইছে আৰু আজিও অসম ট্ৰিবিউনত প্ৰকাশ পাইছে। দূৰ্ভাগ্য বশতঃ মহেন্দ্ৰ নাথ বৰা, অসম ৰাজ্যিক গৃহ নিৰ্ম্মান পৰিষদৰ আয়ুক্তই কাৰ্জিজক হত্যা কৰাৰ ভাবুকি দিছে। মই পঢ়ি দিব বিচাৰিছো—যোৱা ১৯৭৪ চনৰ পৰা আজি পৰ্যন্ত অসম ৰাজ্যিক গৃহ মিৰ্ম্মান পৰিষদৰ দূৰ্নীতি শোষন, ও লুণ্ঠন চলাত বিভাগটো বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছে। আয়ুক্ত মহেন্দ্ৰ নাথ বৰাৰ নেতৃত্বত এটা দুষ্ট চক্ৰই এই লুণ্ঠন কাৰ্য্য চলাইছে। চাকৰি, আবাসৰ বাবে নিৰ্ম্মিত ঘৰ, ঘৰ নিৰ্ম্মানৰ বাবে মাটি, লাখ লাখ টকাৰ ঠিকা আদি সকলো নীতি বিৰুদ্ধ ভাবে আবণ্টন হৈছে। সেয়েহে ১৯৭৪ চনৰ পৰা দূৰ্নীতিৰ কৰ্ণধাৰ হৈ থকা আয়ুক্ত শ্ৰী মহেন্দ্ৰ নাথ বৰাক যোৱা ৪ চেপ্তেম্বৰৰ ভিতৰত চাকৰিৰ পৰা বৰ্খাস্ত কৰি অৰ্থ নৈতিক দুৰ্নীতি আৰু অন্যান্য দূৰ্নীতিৰ তদন্ত কৰিবলৈ পৰিষদৰ সভাপতিক আবেদন জনাইছিলো।

কিন্তু দুৰ্ভাগ্য জনক কথা যে যোৱা ৩১ আগষ্ট তাৰিখে অসম ৰাজ্যিক গৃহ নিৰ্ম্মান পৰিষদৰ আয়ুক্তই চিঠি যোগে মোক হত্যা কৰাৰ ভাবুকিৰে মোৰ গনতান্ত্ৰিক শান্তিপূৰ্ণ প্ৰক্ৰিয়াত যোৱা ২-৯-৯১ ইং তাৰিখে শক্তি প্ৰয়োগ কৰাত আমৰণ অনশন প্ৰক্ৰিয়া ৫-৯-৯১ ইং তাৰিখৰ পৰিবৰ্ত্তে ১২-৯-৯১ ইং তাৰিখৰ পৰা আৰম্ভ কৰিবলৈ সিদ্ধান্ত ললো।

মহোদয়, তেখেতে কোৱা মতে অসম গৃহ নিৰ্ম্মাণ পৰিষদে ঘৰ বনোৱাৰ কাৰণে প্ৰায় ৭ কোটি টকা সুদে-মূলে ঘূৰাই পায়ো চৰকাৰক জমা দিয়া নাই। জমা খৰচৰ হিচাব ১৯৮৬ ৮৭ চনলৈ সম্পূৰ্ণ হৈছে আৰু জমাখৰচৰ হিচাবৰ তালিকাত ২॥ কোটি টকাৰ ঋণৰ বিপৰীতে চৰকাৰক পৰিশোধ কৰা দেখুৱা হৈছে কিন্তু চৰকাৰক জমা নিদি আয়ুক্তই প্ৰবঞ্চনা কৰিছে।

Speech not corrected

যোৱা ১৯৭৪ চনৰ পৰা গৃহ নিৰ্ম্মাণ পৰিষদৰ মুচলিম আলি নামৰ ঠিকাদাৰ জনক নগাৱঁৰ কচলুখোৱাত নিবিদা নিদিয়া স্বত্বেও গৃহ নিৰ্মাণ কামৰ আবণ্টন দিছে। সেই একেজন মুছলিম আলিকে গোৱাল-পাৰাত বিদ্যুত সম্পৰ্কীয় নিৰ্মানৰ কাম মৌখিকভাৱে নিবিদা নোহোৱাকৈ কৰিবলৈ দি কাম নকৰাকৈয়ে এক লাখ টকা আগধন দিছে। আমাৰ তেখেত আয়ুক্তজনে বোলে বেৰিৱালাৰ পৰা কোটি কোটি টকাৰ চিমেণ্ট আৰু ষ্টিল গৃহ নিৰ্মান পৰিষদে ১৯৮৬ চনৰ কৰা ক্ৰয় কৰি আছে। ষ্টিল অথৰিটি অৱ ইন্দিয়াৰ পৰা কিনা নাই। এই মহেন্দ্ৰ নাথ বৰা বৰ্ত্তমান অসমৰ চাৰিটা চৰকাৰী পদত অধিষ্ঠিত।

১) আয়ুক্ত, অসম, ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদ,
২) সভাপতি, গুৱাহাটী ডেভলপমেণ্ট অথৰিটি,
৩) ডাইৰেক্টৰ, আৰ, এইচ, ডি, চি আৰু
৪) মেম্বাৰ, একজিকিউটিভ চেক্ৰেটাৰী বিল্ডিং চেণ্টাৰ আদি।

প্ৰাক্তন মন্ত্ৰী ( নগৰ উন্নয়ন আৰু পৰিকল্পনা ) দয়াত আয়ুক্ত মহেন্দ্ৰ নাথ বড়াৰ বহুতো দুৰ্নীতি আৰু অনিয়ম বৰ্ত্তমান প্যেহৰলৈ আহিছে। সেই মন্ত্ৰী জনাৰ সমষ্টিতে আন মহকুমাৰ গৃহ নিৰ্মাণ অনুদানৰ টকা আনি নিয়ম বৰ্হিভূত ভাবে খৰচ কৰিছে। আনকি প্ৰাথমিক শিক্ষা বিভাগে প্ৰাথমিক স্কুলৰ ঘৰ নিৰ্মান কৰাৰ অৰ্থে গৃহ নিৰ্ম্মাণ পৰিষদক জমা দিয়া সোনাপুৰ অঞ্চলত প্ৰাথমিক স্কুলৰ অনুদান হিচাপে দিছে। ১৯৮৪ চনত পুৰ্বৰ কংগ্ৰেছ চৰকাৰে মহেন্দ্ৰ বৰাক আয়ুক্ত হিচাবে অযোগ্য বিচাৰ কৰি পৰিষদত মুখ্য স্থপতিবিদ পদত নিয়োগ কৰিছিল। অ,গ,প চৰকাৰ অহাৰ লগে লগে এইজন গৃহ নিৰ্মাণ পৰিষদৰ আয়ুক্ত হল, কংগ্ৰেছ চৰকাৰে বোলে এটা সময়ত এখেতক খেদি পঠাইছিল । বৰ্ত্তমান চৰকাৰে গৃহ নিৰ্ম্মাণ পৰিষদ আৰু এই আয়ুক্তজনৰ ওপৰত কেমেধৰণৰ ব্যৱস্থা লয় সেইটো জনাব লাগে।

Shri Hiteswar Saikia (Chief Minister) Sir, Shri Girindra Kumar Kaiji supported by Lachit Sena demanded removal of Commissioner, Assam State Housing Board on corruption charges and threatened to go on hunger strike unto death from 12·9·91. Yesterday Lachit Sena has submitted a petition withdrawing the Hunger Strike and demanding enquiry into allegation against the commissioner, Housing Board. Sir, I assure the House that an enquiry into the allegations will be conducted through the Commissioner, Town and Country planning very soon.

Mr. Speaker In the meantime I have received a Call Attention Motion from the following Members, they are :

1) Sarvasree Chandan Sarkar, Mohendra Bora, Samsul Huda
2) Shri Zoi. Nath Sharma
3) Sashakamal Handique
4) Hiteswar Deka
5) „ „ (2nd Notice)
6) „ „ (3rd „
7) Chandra Mohan Patowari
8) Hitendra Nath Goswami
9) Nagen Sharma
10) Bubul Das
11) Karendra Basumatari

Now, the Hon'ble Chief Minister will make a statement on the points raised by Shri Holiram Terang.

## STATEMENT BY THE CHIEF MINISTER

Shri Hiteswar Saikia (Chief Minister): Sir, On the objections raised by the hon'ble Member Shri Terang, I would now make a statement for clarification. Sir, as required under Rule (Para 13) of the Constitution, the Annual Financial Statement for the entire year of 1991-92 pertaining to two of the antonomous district councils of Karbi Anglong and North Cachar Hills. This was duly sent to the District Councils for discussion before placing it in the Parliament on March 5, 1991. The Vote on Account was passed on 6th September. The Rule in this regard says before we place budget paper in Assembly, we should send the statement to the District Councils and it was done before placing the budget in the Parliament. Now the contention of the hon'ble Member is that we have not sent it to the District Councils before the Vote on Acconts.

Shri Holi Ram Terang: This has already been stated by the Chief Minister. Only thing he spoke has confused the matter. I want to point out that before the Vote on Account was passed by the Parliament for six months, the Annual Finalcial Statement for 12 month

has been placed in the District Council for scheduled areas. But sir, in the Parliament the Annual Financial Statement was placed for 12 months, not only for the Scheduled areas but for the whole of Assam. The Annual Financial Statement for Assam was placed for 12 months but it was passed for six months. My contention is that Govt. of India or Parliament has fulfilled its Constitutional obligations by placing the Annual Financial Statement in the District Councils before bringing it to Parliament, but it was for six months. If this house is to pass the budget for the remaining six months, why not the District Council also be given the scope to discuss it for the Sixth Scheduled areas. Is not the Govt. violating the Rule ?

Shri Hitendra Nath Goswami : Sir, I also have a point to submit in the matter raised by my friend Sri Terang. Under Article 275 of the Constitution the Union has to provide fund for the welfare of the tribal people and for the upliftment of administration of the autonomous district councils. As under Article 275 this fund has been given to a specific purpose, for raising the level of administration in the scheduled areas, as such Para 13 has been incorporated in the Sixth Schedule so that it makes mandatory on the part of the Govt. to place the budget proposal before the Autonomous District Council for consideration

because it is the District Council which is authorised or which is given the responsibilities to raise the administration of the Scheduled Areas. Now Rule 108 of Autonomous District ( Constitute of Dist. Council ) Rules, 1951 also provides certain provisions for the District Council to over see the budget allocations in accordance with the aforesaid principle. As such, it is mandatory on the part of the Govt. to allow the District Council to go through the budget proposal. In this regard Mr Holi Ram Terang has Correctly pointed out that before placing the budget in this House, District Councils should have been given a chance to see the budget proposals to obtain their comment and it was not done. Hon'ble C.M. cannot evade the requirement of law before placing the budget in the House. As far as my knowledge goes the matter has been brought before the Hon'ble High Court. Hon'ble Chief Minister, therefore, should see the provisions of law carefully and provide answer to the particular point raised Sri Terang.

Shri Parameswar Brahma . Sir, in this connection I want to speak a few words on the matter of Government violation of the Constitutional provisions. If the Constitutional provisions are violated by the Government how can justice be guaranteed to the Tribal people. And with this purpose autonomous District Councils

Speech not corrected

have been created. Hon'ble member Shri Terang pointed out that Government should know what the provision and when Government knows it, it is duty of the Government to carry out the Constitutional provisions. But due to arbitrary nature of action on the prat of the Government the Tribal policies have not been implemented and the Constitutional provisions meant for development of the Tribal people have not benefited the tribals. These provisions are always subjected to violation and not implemented. I cannot but express my regret. It is definitely a matter of great indignation of the Karbi people and I share the apprehension of the people of Karbi Anglong District. So I request the Government not to commit violation of the Constitutional provisions. If the Constitutional provisions are not guaranteed we cannot get justice; we cannot expect the implementation of Tribal development schemes and policies. Government should be careful to discharge their responsibility so that in future such apprehension is not created.

Shri Chandra Mohan Patowary: Sir, I was also a party when Shri Haliram Terang raised this matter. Actually this is a clear violation of the Indian Constitution as stated by Shri Terang and also as stated by Mr. Goswami. I would like to add something on that day

Speech not correcteo

but I was not allowed. What we presume to-day in the floor of the House the whole thing regarding the placing of the budget the Government is not serious. Sir, you are the custodian of the House. The Budged which has been placed by the Govt. it is a secret thing; it cannot be leaked before coming to the Houe. The budget provisions for the Autonomous Disirict Councils are to be placed before the District Council before it is placed in the Legislature. Other provisions by which the Constitution put restriction in respect of Budget is that it cannot be known by any other Minister, and even it cannot be seen by you also before it is placed in the House. But Sir, it was know to the Press and it was publiseed in the Dainik Asom under a news item. Sir, you must have noticed the news item published in the Indian Express about the apology tendered by the Central Government in the matter of announcement regarding recognition to Baltic States. Sir, Constitutional provisions in such matter are very rigid and tight and it is mendatory on the part of Government to act according to the Constitutional provisions. Government should be serious about this. I hope the Hon'ble Chief Minister will clarify this, as it is a clear violation of the Indian Constitution.

Speech not corrected

Shri Giasuddin Ahmed : Sir, this is very serious lapse on the part of the Government hrving far reaching political implication. This matter should be settled. As it appears from the statement of the Chief Minister and from the clear provisons of the Constitution there is a violation of the Constitution. It is stated in the Sixth Schedule to the Constitution "Estimated receipts and expenditure pertaining to autonomous districts to be shown separately in the the annual financial statement. The estimated receipts and expenditure pertaining to an autonomous district which are to be credited to or is to be made from the Consolidated Fund of the State shall be first placed before the District Council for discussion and then after such discussion be shown separately in the annual financial statement of the State to be laid before the Legislature of the State······" This is the provision. Now it seems the budget has been bifurcated, one portion has been passed by Parliament and the other left for the State Legislature. I am sure, the financial statement of estimated receipts and expenditures which was shown bifurcated and the whole amount for the whole year was not credited to the Consolidated Fund of the State. Only a part was credited to the Consolidated Fund of the State. This is a clear violation because the remaining part had to be sent to the District Council as per this

Speech not corrcted

provision. This should be treated as violation of the Constitutional provision.

Shri Hiteswar Saikia, ( Chief Minister ) : Sir, there is no violation of Rules. It is no Vote on Accounts. The Budget is placed long back in Parliament. It is Vote on Accounts for 6 months only. As per provision of the Constitution, the Finanoe Department is to send it to the District Council, and that was done before the Budget was placed before the Parliament. And that was also done after consultation. It was done because there was no addition to it. And further consultation was not necessary. Hon member, Shri Narah has said the other day that there was some improvement only. Only some improvement has been made

১৯৯১-৯২ চনৰ বছৰৰ বাবে সংসদত ছমাহৰ লেখানুদান উত্থাপন কৰোতে সামগ্ৰিক ঘাটিৰ পৰিমান ৩৫৩·৭৯ কোটি টকা পৰ্য্যন্ত হবগৈ বুলি অনুমান কৰা হৈছিল। কিন্তু সদ্যহতে দাঙি ধৰা গোটেই বছৰৰ বাজেটত পৰিস্থিতিতো অলপ উন্নত হৈ সামগ্ৰিক ঘাটিৰ অনুমানিক পৰিমাণটো ৩১৩·১২ কোটি টকা হৈছেহি।

Nothing new has been added,.

Shri Giasuddin Ahmed : Sir, the point is whether the whole amount was credited from the consolidated amount of the State as it was originally sent to the District Council to be made from the consolidated fund of of the State.

Speech not corrected

Shri Hiteswar Saikia ( Chief Minister ) : Sir, there is no point like this. Everything had been discussed in detail.

Shri Haliram Terang : Sir, the Government of Assam has sent a letter dated 5.2.91 to the District Council wherein the Finance Department has asked the District Council to finalise it for 12 months. It has been very clearly stated., and received from the Dy. Commissioner.

Statements have been placed in the District Council for 12 months, but the Parliament has passed it only for 6 months. For another six month, the whole procedure has to restarted. If for the remaining 6 months it has to be passed here, the whole procedure has to be restarted from the District Council.

Shri Hiteswar Saikia, ( Chief Minister ) : Because, the Government did not feel it necessary to consult the District Council, as because, there were no any addition.

Shri Haliram Terang : If that is the point, then Sir, why we are sitting here to pass this Budget.

I want to a clear ruling in it. It has been passed in the Parliament for six months But for 12 months

Speech not corrected

it has to be passed. This time it should be clearly stated that it is only for General Areas, and not for 6th Scheduled Areas.

Shri Hiteswar Saikia (Chief Minister) : There is loud noise in the House) It is mandatory for the District Council to send in and place it before this House. The Finance Department has done if for 12 months. The Department did not found it necessary for reconsultation.

Shri Haliram Terang : Where is the synopsis of discussion ?

Mr. Speaker : I have heard your deliberation. I will give my ruling.

Shri Haliram Terang : The Government is trying to undermine the policy and the sentiments of the people. They are playing with the sentiments of our hill people

Shri Babu Teron : The consequences of this will be very much serious. (All the four A S D C members have walked out of the House)

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এ, এচ, ডি,চিৰ

মাননীয় অধ্যক্ষ ঃ শ্ৰীপাটোৱাৰী আপুনি আইটেম নং ২ ওপৰত কওক।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, আজি এ, এচ, ডি, চিৰ বিধায়ক সকলৰ

মাননীয় অধ্যক্ষ : আপুনি আইটেম নং ২ ওপৰত কওক।

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, আজি এই এ, এচ, ডি, চিৰ বিধায়ক কেইজনে যি কথা কৈছে—

মাননীয় অধ্যক্ষ ঃ এইটো বিষয় হৈ গৈছে আৰু উঠাব নেলাগে।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, আমি কথা কবলৈ উঠিলে শাসক দলৰ সদস্য সকলে আমাক ফিচিঙা ফিচিঙি কৰে—আপুনি আমাক নিৰাপত্তা দিব লাগে। (তেতিয়া কেইবাজনে ও একেলগে কবলৈ উঠে)

মাননীয় অধ্যক্ষ ঃ এজন এজনকৈ কওক—কিয় ডিষ্টাৰ্ব কৰিছে আপুনি মোলৈ চায় কওক তেওঁলোকলৈ নেচাব।
(সদনত কেইবাজনো সদস্যই একেলগে কবলৈ উঠাত গণ্ডগোল হয়।)

আপোনালোকে বেছি উত্তেজিত হৈ পৰিছে। মই এই বিষয়টোৰ ওপৰত আশ্বাস দিছো। পুনৰ কিয় উঠাইছে। বাজেটৰ ওপৰত আলোচনা কৰোতে এইবোৰ কথা ওলাব। আপোনালোকে সকলো কথা জানেই, মই কিয় বাৰে বাৰে কব লাগে আপোনালোকক।

শ্ৰীগিয়াছুদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ ৰুলিংৰ কাৰণে আমি অপেক্ষা কৰিম। মই এই খিনিতে আপোনাক এটা অনুৰোধ কৰিব খুজিছো যে এইটো এটা সাংবিধানিক প্ৰশ্ন। গতিকে ৰুলিং দিয়াৰ আগতে সাংবিধানিক বিশেষজ্ঞৰ মতামত লোৱা ভাল হব বুলি

মই ভাবো। কাৰণ এইটো বৰ গুৰুত্বপূৰ্ণ বিষয়। আজি অসমখন এক বিৰাট বিৰাট সমস্যাৰ সন্মুখীন হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত এইটো কথা বিবেচনা কৰিব লাগিব। কনষ্টিটিউচনেল এক্সপাৰ্টৰ লগত আলোচনা কৰি আপোনাৰ মতামত দাখিল কৰিলে ভাল হব। আপোনাৰ মত ৰাজনৈতিক দল, মতৰ উৰ্দ্ধত হব লাগিব। নিৰপেক্ষ ৰুলিং হব লাগিন।

মানীয় অধ্যক্ষ ঃ আপোনাৰ পৰামৰ্শৰ কাৰণে ধন্যবাদ জনাইছো মই এই বিষয়টো আলোচনা কৰিম বুলি নিৰপেক্ষ ভাবে মোৰ ৰুলিং দিয়াৰ কাৰণে চিন্তা কৰিম।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা পইণ্ট অব অৰ্ডাৰ আছে

মাননীয় অধ্যক্ষ ঃ প্লিজ এইটোৰ ওপৰত নকব আৰু।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, মই আটেম নং ২ ওপৰত কোৱাৰ আগতে এটা পইণ্টৰ ওপৰত কব বিচাৰিছো মোৰ কথা হৈছে আজি আমাৰ এ, এচ, ডি, চিৰ বিধায়ক সকলে ক্ষোভিত হৈ সদন ত্যাগ কৰিছে। কালিলৈ কাৰ্বি আংলঙত কি পৰিস্থিতি হয় কোনে জানে। ইতিমধ্যে আমাৰ আলফাৰ সমস্যা, আবছুৰ সমস্যা আছেই।
তাৰ মানে চাৰ হাউচৰ কনভেনচন বাদ দি বাপ্টি ইছুৰ কথা বাহিৰত উত্থাপিত হৈছে।
এতিয়া প্ৰশ্ন হৈছে হাউচৰ কনভেনচন ভঙ্গ কৰা হৈছে। পাৰ্লিয়ামেণ্টত কনভেনচন ৰক্ষাৰ কাৰণে চৰকাৰে এই লেভেললৈকে গৈছে।

মাননীয় অধ্যক্ষ ঃ আৰু বেছিকৈ পঢ়ি আপুনি আমাৰ কনভেনচন ব্ৰেক কৰিছে। (সদনত হাহিৰ বোল উঠে)

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, এইটো বৰ চেৰিয়াচ মেটাৰ, বাহিৰত ওলাইছে। এ, এচ, ডি, চিৰ বিধায়ক সকল ক্ষোভিত হৈছে।

আপুনি তেখেত সকলক কনভিনচ কৰিব লাগিব এইটো ইছু চেটোল কৰিলে ভাল হয়।

মাননীয় অধ্যক্ষ : আপোনাৰ পৰামৰ্শৰ কাৰণে ধন্যবাদ। তেওলোকৰ অনুৰোধ ৰাখি মই ৰুলিং দিব লাগিব। এইটো বৰ জটিল বিষয়। মই লিগেল এক্সপাৰ্টৰ লগত বিষটো আলোচনা কৰিব লাগিব। তেখেত সকলে ৰুলিঙৰ কথা কৈছে মই এগ্ৰি কৰিছো। সেই কাৰণে মই কৈছো যে তেখেত সকল উত্তেজিত হোৱাৰ প্ৰয়োজন নাছিল। ইয়াৰ এটা ডিচিচন লাগিব। তেওঁলোক যদি মোৰ ৰুলিঙত মান্তি নহয় তেন্তে মই সকলোকে চেটিছফাই কাৰাৰ কাৰণে এটা ৰুলিং দিম। আপোলোকক মই অনুৰোধ কৰিছো তেখেত সকলক বুজাব।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : অধ্যক্ষ মহোদয়, আমি উত্তেজিত হলে আপুনি উত্তেজিত হব নেকি ?

মাননীয় অধ্যক্ষ : নহও। মই সকলোকে সমানে লও। এইয়া মৰম দিয়া নিয়াৰ চিন। ( সদনত হাহিৰ ৰোল উঠে )।

শ্ৰী পাটোৱাৰী মই এতিয়া আপোনাক অনুৰোধ কৰিব পাৰোনে ২নং আইটেমৰ ওপৰত আপোনাৰ বাক্তব্য ৰাখিবলৈ ?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯১ চনৰ ৮ আগষ্ট তাৰিখৰ 'সান্ধ্য বাতৰি' কাকতত প্ৰকাশিত "মিল্ক অন ডেইৰী প্ৰডাক্টচ (প্ৰাঃ) লিমিটেডে চৰকাৰী সাহাৰ্য্য বিচাৰিছে ।" শীৰ্ষক বাতৰিটোৰ প্ৰতি পশুপালন বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো ।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসম খন পৰৱৰ্ত্তী কালৰ পৰাই আৰ্থ সামাজিক দিশত আছে। আৰ্থ সামাজিক দিশত যি ধৰণে আগবাঢ়িব পৰা নাই। প্ৰতি বছৰে প্ৰলয়ংকাৰী বানপানীৰ কাৰণে কৃষি খণ্ডৰ যথেষ্ট ক্ষতি সাধন হৈছে। কৃষি খণ্ডৰ উৎপাদন আশাকৰা মতে টনকিয়াল হোৱা নাই। সেইকাৰণে অসমত যিবিলাক এভেলয়েবুল ৰিচ্চ আছে সেইবিলাক সদ ব্যৱহাৰ কৰাৰ লগতে উদ্যোগ গঢ়ি তুলিব পাৰিলে অৰ্থনৈতিক দিশত যথেষ্ট আগবাঢ়ি যাব পাৰিব। আমি উদ্যোগী দিশত অতিকৈ পিচ পৰা ইয়াৰ কাৰণ বিলাক বিশ্লেষণ কৰি চালে আমি সকলো জানিব পাৰিম। উদ্যোগৰ দুৰৱস্থাৰ কথা আমি সকলোৱে জানো ।

মাননীয় অধ্যক্ষ মহোদয়, নতুন চৰকাৰে আজি ১০ লাখ নিবনুৱাক চাকৰি দিম বুলি ঘোষণা কৰিছে শুনি ভাল পাইছো। কাৰণ ১০ লাখ নিবনুৱাৰ চাকৰি দিলে ১০ লাখ পৰিয়ালৰ লোকে ভাত খাবলৈ পাব। কিন্তু তেখেতৰ যিটো এনাউন্সমেন্ট আৰু কামৰ যিটো পাৰ্থক্য সেইটো দেখি হতাশ হৈছো। মাননীয় অধ্যক্ষ মহোদয়ৰ জ্ঞাতাৰ্থে জনাওঁ যে গোলাঘাট জিলাৰ 'মিল্ক অ'ন ডেইৰী প্ৰডাক্টচ (প্ৰাঃ) লিমিটেড নামৰ এটা গাখীৰ ইনডষ্টি.ডেইৰি উদ্যোগ স্থাপন কৰিছে আপুনি শুনি আচ-ৰিত মানিব যে ১৪২ জনৰ প্ৰত্যক্ষ ভাৱে নিয়োগৰ ব্যৱস্থা আছে। এই নিয়োগ হল প্ৰদাকটিভ নিয়োগ। প্ৰাথমিক স্কুলৰ শিক্ষক, কেৰাণী, মহৰি হ'ল অনলি চেলাৰী। তাৰ পৰা কোনো প্ৰডাকচন নহয়। কিন্তু উদ্যোগৰ যিবিলাক চাকৰি সেই বিলাক প্ৰদাকটিভ। অষ্টম পৰিকল্পনা

এল, চি, জৈন কমিতিৰ উত্তৰ পূৰ্ব্বাঞ্চলৰ পৰিকল্পনাৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি এই উদ্যোগ স্থাপন কৰিবলৈ গোলাঘাট জিলাত লৈছিল। আৰু লোৱাৰ সময়ত অৰ্থাৎ মেনেজিং ডিৰেক্টৰে সিদ্ধান্ত লোৱাৰ পিচত ২ হেজাৰটা পৰিয়ালে তেওঁলোকৰ মাটি ডনেট কৰিছে কিয়নো সেই উদ্যোগটো হলে তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে চাকৰি পাব। মই নিজেই এনকুৱাৰি কৰি গম পালো যে সেই উদ্যোগটো ষ্টাৰ্ট নকৰাত এজন অসমীয়া মানুহে আজিৰ দিনত ১২ লিটাৰ ১৫ লিটাৰ গাখীৰ উলিয়াই। আজি সেই উদ্যোগটো স্থাপন কৰিব পৰা নাই। মাত্ৰ ৩ কোটি নে ৩.৫ কোটি টকা লাগে । সেইখিনি ইতিমধ্যে চেণ্ট্ৰেল বেংক অব ইণ্ডিয়াই অফাৰ দিছিল । সেই অফাৰ দিওঁতে কৈছিল যে তেওঁলোকক চৰকাৰৰ ফালৰ পৰা সহায় কৰিব লাগিব। খানাপাৰা দুগ্ধ উন্নয়ন বিভাগৰ সঞ্চালকে চেণ্ট্ৰেল বেংক অব ইণ্ডিয়া, যোৰহাট ব্ৰাঞ্চ মেনেজাৰলৈ তলৰ চিঠিৰ দিদি/এমচি ১২/১২৭ সেই চিঠিৰ মৰ্মে লিখিছিল। এই উক্ত মিল্ক অ'ন ডেইৰী চৰকাৰে ১৫ লাখ টকা মাৰজিন মনি হিচাপে আগবঢ়াম বুলি কৈছিল গতিকে মাৰজিন মনি চৰকাৰে আগবঢ়ালে ল'ন খিনি কিলয়েৰ কৰিব পাৰা। অকল সেইখন চিঠিয়েই নহয় আৰু চিঠি আছে অসম সচিবালয়ৰ চেক্ৰেটৰীয়েটৰ পৰা দিছে ভি, এফ, এ ১৫৬/৯০/৪২ নম্বৰ যোগে নাবাদলৈ। নাবাদে ৩ কোটি টকা এটা কোম্পেনীক দিয়া কথা আছিল। এতিয়া দেখা গল যে অসম চৰকাৰে সেই সিদ্ধান্তৰ পৰা ৰিটিট কৰিছে। এটা পইণ্টত দেখিছো যে সমবায় ভিত্তিত ল'ন দিম, ইনডিভিজুৱেলক নিদিও। চাৰ যদি সমবায় ভিত্তিত ল'ন নিদিয়ে তেতিয়াহলে সেইখন চিঠি কিয় দিলে। আৰু যিজন মানুহে আগবাঢ়িছিল তেওঁৰ পজিচন বেয়া হৈ গ'ল। আজি অসম বিধান সভালৈ এই কথাটো আঙুলিওৱা তিনিটা কথা আছে। ১ নম্বৰ কথা হল চৰকাৰে কৈছে ১০ লাখ নিবনুৱাক চাকৰি দিম। আমি তাত ৰাজি আছো আজি তেওঁলোকে ৩ লাখ বা ৪ লাখ ল'ৰা-ছোৱালীক চাকৰি দিবলৈ প্ৰস্তুত হোৱা নাই। ২ নম্বৰ কথাটো হ'ল চাৰ ভিটেনেৰী বিভাগৰ কথা। সেই বিভাগৰ

মন্ত্ৰীজনে ইমান ভগ্ন যে তেখেতক সেইটো কথা মোৰ কবলৈ বেয়া লাগে। সিদিনা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এখন মিটিং পাতিছিল, তাত আমাৰ অপজিচন প্ৰতিনিধি সকলক বেলেগে বেলেগে মাতিছিল। তেতিয়া মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক কৈছিলো যে আমোল বাটা আদি উদ্যোগ আমাৰ ইয়াত হব লাগিব সেইটো হবলৈ হলে উদ্যোগ স্থাপন কৰিব লাগিব। আজি আমি মূল্য বৃদ্ধি হৈছে বুলি যোগান মন্ত্ৰীক ধৰি আছো। যদি এই বিলাক উদ্যোগ আমাৰ ইয়াত কৰিব পাৰো তেতিয়া আৰু অৰ্দ্ধেন্দুক ধৰি থাকিব নেলাগে। আমি মেনেজিং ডিৰেক্টৰক ধৰিলেই হব দাম কিন্তু বঢ়াব নোৱাৰিব কিন্তু এল, চি, জৈনৰ ৰিপৰ্টত উত্তৰ পূৰ্ব্বাঞ্চলৰ যিখিনি কথা কোৱা হৈছে, প্ৰজেক্ট বনোৱা হৈছে তাত কিন্তু অসুবিধা থাকিব নেলাগে। গতিকে ১৫ লাখ টকা অসম চৰকাৰৰ কাৰণে কোনো কথা নহয়। য'ত ৪ লাখ নিবনুৱাৰ চাকৰি হব। গতিকে এই সম্পৰ্কে আপোনাৰ পৰা এটা কলি( বিচাৰিছো যে অসমৰ যিবিলাক উদ্যোগ মৰি যোৱাৰ উপক্ৰম হৈছে সেইবিলাকঁ যাতে পুণৰজীৱিত হব পাৰে তাৰ কাৰণে দৃষ্টি আকৰ্ষণ কৰিলো। তেনেকুৱা ধৰণৰ বহুতো উদ্যোগ আছে কিন্তু গোটেই বিলাক মই অনা নাই।

মাননীয় অধ্যক্ষ মহোদয়, নলবাৰী জিলাৰ দাকোৱাত এটা উদ্যোগ স্থাপন কৰিবৰ কাৰণে এ, আই, ডি, চি য়ে বহুতো মানুহৰ মাটি অধিগ্ৰহণ কৰিছিল। কিন্তু আজিলৈকে তাত উদ্যোগ গঢ়ি নুঠিল। গতিকে আৰম্ভণিতে মৰহি যোৱা উদ্যোগ বহুত আছে। গতিকে মই পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে ১৫ লাখ টকাৰ মাৰ্জিন মানি দিবৰ কাৰণে চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা কথাটো উত্তৰ পূৰ্ব্বাঞ্চলতে এইটো এটা ডাঙৰ কথা। এইখিনিতে মই আপোনাৰ পৰা এটা নীতি নিৰ্দ্ধাৰণ বিচাৰিছো নলবাৰী জিলাৰ টাওলা ৰিজাৰ্ভতো মাটি অধিগ্ৰহণ কৰা হৈছে।

Speech not corrected

Today is the last day for Budget discussion.

মাননীয় অধ্যক্ষ : উত্তৰ দিয়াৰ আগতে কওঁ যে বাজেটৰ বিষয়ে মুখ্য মন্ত্ৰীয়ে ১ বজাৰ পিচৰ পৰা বাজেট বক্তৃতাৰ উত্তৰ দিব।

শ্ৰীনকুল দাস ( পশুপালন মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয় মাননীয় সদস্য শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰীয়ে মিল্ক অন ডেইৰী প্ৰডাক্টচ সম্পৰ্কত যোৱা ৮ আগষ্টৰ সংখ্যা 'সান্ধ্য বাতৰিত প্ৰকাশিত যিটো বাতৰি সম্পৰ্কত মনোযোগ আকৰ্ষণ কৰিছে, সেই বাতৰিৰ প্ৰতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছে।

মিল্ক অন ডেইৰী প্ৰাডাক্টচ লিঃ ১৯৫৬ চনৰ কোম্পানী আইনৰ অধীনত এখন পঞ্জীয়ন ভুক্ত প্ৰতিষ্ঠান। এই প্ৰতিষ্ঠান খনৰ কৰ্তৃপক্ষই চৰকাৰৰপৰা সাহায্য মঞ্জুৰী বিছাৰি আজি কিছুদিনৰ পৰা আবেদন কৰি আহিছে। এই প্ৰতিষ্ঠান খনক আৰ্থিক সাহায্য দিবৰ বাবে নাবাৰ্দ আৰু চেণ্ট্ৰেল বেঙ্কক প্ৰথমে অনুৰোধ জনোৱা হৈছিল। প্ৰতিষ্ঠান খনৰ আবেদন মৰ্মে ১৫ লাখ টকা মাৰ্জিন মানি দিবৰ কাৰণে ১৯৯০-৯১ চনত সঞ্চালকে চৰকাৰলৈ এটা প্ৰস্তাৱ প্ৰেৰণ কৰিছিল যদিও ধনৰ অভাৱত তেনে প্ৰস্তাৱ মঞ্জুৰ কৰিব পৰা নগ'ল। ১৯৯১-৯২ চনতো ১৫ লাখ টকাৰ মাৰ্জিন মানি দিবৰ বাবে প্ৰতিষ্ঠান খনৰ পৰা পুনৰ তেনে অনুৰোধ পোৱা গৈছে। এই বিষয়টো এখন বিভাগীয় সমিতিয়ে বিবেচনা কৰি চৰকাৰৰ অনুমোদিত ডেইৰী উন্নয়ন পৰিকল্পনাত বেচৰকাৰী প্ৰতিষ্ঠানক ইমান পৰিমানৰ ধন সাহাৰ্য্য মঞ্জুৰী হিচাপে দিয়াৰ ব্যৱস্থা নাই বুলি মত প্ৰকাশ কৰিছে তথাপিও শেহতীয়া ভাৱে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ পৰামৰ্শ ক্ৰমে প্ৰতিষ্ঠান খনৰ পৰিচালক মণ্ডলীৰ লগত এই বিষয়ে আলোচনা কৰা হৈছে। আৰু তেওঁলোকক বিষয়টো বিশদ ভাৱে যাতে চৰকাৰে বিবেচনা কৰিব পাৰে, সেই উদ্দেশ্যে এখন বিশদ প্ৰকল্প প্ৰতিবেদন সোনকালে দাখিল কৰিবলৈ মই

নিজে অনুৰোধ জনাইছোঁ। এই বিশদ প্ৰকল্প প্ৰতিবেদন পোৱাৰ পিছত তাৰ ওপৰত ভিত্তি কৰি চৰকাৰী নীতি নিয়মৰ ভিত্তিত সাহায্য দিয়াৰ বিষয়ে পুনৰ বিবেচনা কৰা হব।

অধ্যক্ষ মহোদয়, মই এই বিষয়ত এক মত যে তেখেত সকলে যি খন আচনি দিয়া হৈছে ৰিপোৰ্টত সকলোবোৰ দিয়া হৈছে। মাটিৰ কাৰণে ৬ লাখ ৭ হেজাৰ ইউটিলাইজেচনৰ ১৮ লাখ।

শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰত জনাব বিচাৰিছো চৰকাৰে ইচ্ছা আৰু আগ্ৰহেৰে নিশ্চয় এই ক্ষেত্ৰত আগবঢ়ি যাব। এইখিনিতে মন্ত্ৰী ডাঙৰীয়াই আশাৰ ৰেঙনি দিলে ভাল হয়। তেওঁলোকে ধুনীয়াকৈ ৰিপোৰ্টটো বনাই দিছে। ৪০-৫০টা মান ৰিপোৰ্টৰ কপি মোৰ হাতত আছে।

# MATTER UNDER RULE 301

শ্ৰীজয় নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, নলবাৰী মহকুমাৰ বিষয়া শ্ৰীমতী বন্দনা বৰুৱাই ১৮ লাখ ৮৮ হেজাৰ টকাৰ খেলিমেলি কৰিছে। এই বিষয়া গৰাকীয়ে ৪৮ খন চেক আত্মসাত্ কৰিছে। যোৱা ২৯ তাৰিখে সান্ধ্য বাতৰি কাকতত প্ৰকাশ পাইছে। এই বিষয়াগৰাকীয়ে ৰাজহুৱা ধন নিজৰ ইচ্ছামতে কেনেকৈ আত্মসাত্ কৰিবলৈ পালে। ৰাজহুৱা ধন ব্যক্তিগত কামত খৰছ কৰিবলৈ অধিকাৰ আছে নেকি? সেই ধনখিনি অনুসুচিত জনজাতি ছাত্ৰ-ছাত্ৰী সকলৰ বিত্তিৰ ধন আছিল। এই বিষয়াগৰাকীৰ বিৰুদ্ধে অভিযোগ কৰাত তেখেতৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা লৈছে? এই বিষয়ে আমি কাগজে পত্ৰইহে পাইছো। ৬ লাখ টকাৰ আত্মসাত্ কৰাৰ অভিযোগ পাইছো। তাৰ কিবা ব্যৱস্থা লৈছে নে নাই। এই টকা-খিনিৰে দুখীয়া বনুৱা সকলৰ কাৰণে যি সুতা যোগান ধৰিব বিচাৰিছে সেই সুতা নাইনলত পৰিণত কৰিছে। মহোদয়, জনজাতি ছাত্ৰ-ছাত্ৰী সকলক বিত্তিৰ টকা নিদি এগৰাকী বিষয়াই টকা আত্মসাত্ কৰা কথাটো অতি গুৰুত্বপূৰ্ণ বিষয় বুলি চৰকাৰে কিয় লোৱা নাই? সিষয়টো অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। লগতে ৬ লাখ টকাৰ ৰিষয়টো হস্তক্ষেপ নকৰি প্ৰকাৰন্তে মন্ত্ৰী মহোদয়ে মৌন সন্মতি লৈছে। ইয়াৰ ৰিগত ব্যৱস্থা লৈছে নেকি? বিষয়া গৰাকীক বদলি নকৰি চাকৰিৰ পৰা নিলম্বিত কৰিব লাগে কাৰণ তেখেত যদি চাকৰিত থাকে তেতিয়া হলে তদন্ত কৰাত খেলিমেলি হব পাৰে। যদি অনিহা ভয় আৰু অৱহেলা কৰি আওকাণ কৰিবলগীয়া কথা নহয়। ৪৮ খন চেক আত্মসাত্ কৰা কথাটো মন্ত্ৰী বা বিধায়ক গৰাকীয়ে ভবা নাই কিয়? এই বিষয়ে শীঘ্ৰে তদন্ত কৰি লিখিত ৰিপোৰ্ট এটা সদনত

Speech non corrected

বিবৃতি হিচাবে মাননীয় মন্ত্ৰী মহোদয়ে পিচলৈ দিলেও ভাল হব। অধ্যক্ষ মহোদয়, কিবা বেয়া কাম কৰিবলৈ ভণ্ট পৰ্য্যায়ৰ কোনো বিষয়াৰ আশীৰ্বাদ নাথাকিলে সাহস নাথাকে। গতিকে সঞ্চালক বা কিবা শক্তি এটা জড়িত থাকিব পাৰে। এই বিষয়টো তদন্ত কৰি মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰিব বুলি অনুৰোধ কৰিলো।

শ্ৰীবৰ্গৰাম দেউৰী ( মন্ত্ৰী ): মাননীয় অধ্যক্ষ মহোদয়, ২৯/৮/৯১ তাৰিখৰ "সান্ধ্য বাতৰি" নামৰ বাৰ্তৰি কাকত খনৰ প্ৰকাশিত মহকুমা উন্নয়ন বিষয়াৰ দ্বাৰা ৬ লাখ টকা আত্মসাৎৰ অভিযোগ' শীৰ্ষক বাতৰিটোৰ বিষয়ে চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। নলবাৰী জিলাৰ জিলাৰ উপায়ুক্তই ২৮ জুলাই ১৯৯১ তাৰিখৰ এটা অনাতাঁৰ বাৰ্ত্তাৰে অসম চৰকাৰৰ ভৈয়াম আৰু পিচপৰা শ্ৰেণীৰ কল্যান বিভাগক জনায় যে, তেওঁৰ বিত্তীয় আৰু গাননিক বিষয়াক নলবাৰী মহকুমাৰ কল্যান বিষয়াৰ কাৰ্য্যালয়ৰ কেচ বুক লিখা মেলাত কিবা অনিয়ম পৰিলক্ষিত হৈছেনেকি আৰু মহকুমা কল্যান বিষয়া শ্ৰীমতী বন্দনা বৰুৱা, এ, চি, এচ, এ স্থানীয় বেংকত টকা জমা দিওঁতে আৰু বেংকৰ পৰা টকা উলিয়াওতে কিবা অনিয়ম কৰিছে নে কি এই বিষয়ে শুদ্ধা শুদ্ধিৰ বিচাৰ কৰিবলৈ দিয়া হৈছে। নলবাৰীৰ উপায়ুক্তই সেই একেটা বাৰ্ত্তাৰে চৰকাৰক আৰু জনাই যে, মহকুমা কল্যান বিষয়া শ্ৰীমতী বন্দনা বৰুৱাই তেওঁৰ কাৰ্য্যালয়ৰ খাজাঞ্চিক ( কেচিয়াৰক ) কাৰ্য্যালয়ৰ কোনো নথি উপায়ুক্তৰ বিত্তীয় আৰু গাননিক বিষয়াক নিদিবৰ বাবে নিৰ্দ্দেশ দিয়াৰ বাবে বিত্তীয় আৰু গাননিক বিষয়াজনে নথি সমূহৰ শুদ্ধা-শুদ্ধ বিচাৰ কৰিব নোৱাৰিলে।

বিষয়টোৰ গুৰুত্বতা উপলব্ধি কৰি অসম চৰকাৰৰ ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীৰ কল্যান বিভাগে ২।৮।৯১ তাৰিখে নলবাৰী উপায়ুক্তলৈ এটা অনাতাঁৰ বাৰ্তা প্ৰেৰন কৰে। এই বাৰ্তাৰ দ্বাৰা উপায়ুক্তক নিৰ্দ্দেশ দিয়া হয় যে, তেওঁ তেওঁৰ বিত্তীয় আৰু গাননিক

বিষয়াৰ দ্বাৰা নলবাৰী মহকুমা কল্যান বিষয়াৰ কাৰ্য্যালয়ৰ কেচ বুক ঠিক মতে লিখা মেলা হৈছেনে নাই আৰু সেই কাৰ্য্যালয়ত বিত্তীয় অনিয়মতা হৈছে নেকি সেই বিষয়ে পুংখানু পুংখ ৰূপে পৰীক্ষা কৰাব লাগে। ইয়াৰ উপৰিও সেই একেটা বাৰ্তাভে, অতিৰিক্ত উপায়ুক্তৰ পৰ্য্যায়ৰ এজন জ্যেষ্ঠ বিষয়াৰ দ্বাৰা গোটেই বিষয়টো তদণ্ট কৰাই জনজাতি আৰু পিচপৰা শ্ৰেণীৰ কল্যান বিভাগলে তদন্তৰ প্ৰতিবেদন আৰু ফলাফল বা সিদ্ধান্ত অনতিপলমে পঠাবলৈ নিৰ্দ্দেশ দিয়া হয়।

এই নিৰ্দ্দেশৰ পৰিপেক্ষিতত, নলবাৰীৰ উপায়ুক্তই তেওঁৰ এজন অতিৰিক্ত উপায়ুক্তৰ হতুৰাই কৰোৱা তদন্তৰ ১৩।৮।৯১ তাৰিখৰ প্ৰতিবেদন আৰু তেওঁৰ বিত্তীয় আৰু গাননিক ৩।৮।৯১ তাৰিখৰ প্ৰতিবেদন ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীৰ কল্যান বিভাগলৈ প্ৰেৰন কৰে। উপায়ুক্তই দুয়োজন বিষয়াৰ তদন্ত প্ৰতিবেদনৰ ওপৰত চৰকাৰ বিহীত ব্যৱস্থাৰ অৰ্থে পঠায়। এই তদন্ত প্ৰতিবেদনৰ পৰা দেখা যায় যে, প্ৰায় ৫.৭৪ লাখ টকাৰ এটা বৃহৎ অংকৰ চৰকাৰী ধনৰ কোনো হিচাব নাই। এই টকাৰ সৰহ ভাগেই প্ৰাক-প্ৰবেশিকা বৃত্তিৰ ধন। কাৰ্য্যালয়ৰ মূল কেচ বুক, প্ৰাক-প্ৰবেশিকা বৃত্তি আৰু আৰ্থিক সাহাৰ্য্য দিয়াৰ বাবে ৰখা সহকাৰী কেছ বুক আৰু চেক বুক ৰখাৰ ক্ষেত্ৰত কোনো নীতি নিয়ম মানি চলা নাই আৰু সেইবিলাকত বহুতো গুৰুতৰ ধৰণৰ দোষ ত্ৰুটি আছে। ইয়াৰ উপৰিও আৰু এটা কথা পৰিলক্ষিত হৈছে যে, মহকুমা কল্যান বিষয়া শ্ৰীমতী বন্দনা বৰুৱাই তেওঁৰ কাৰ্য্যালয়ৰ মোটা অংকৰ চৰকাৰী পুঁজি বেংকৰ হিচাবৰ পৰা নিজে বিয়েৰাৰ চেক চহী কৰি উলিয়াইছে যদিও কাৰ্য্যালয়ৰ স্কুল কেছ বুক বা সহকাৰী কেছ বুকত এনেদৰে বেংকৰ পৰা উলিওৱা চৰকাৰী পুঁজিৰ কোনো হিচাব ৰখা নাই।

নলবাৰীৰ উপায়ুক্তই এই গোটেই বিয়টোৰ ওত্তৰত আঁতি গুৰি মাৰি তদন্ত কৰিবৰ বাবে পৰামৰ্শ আগবঢ়াইছে। এই বিস্তাৰিত তদন্তৰ

দ্বাৰাহে এই বিষয়টোত অন্য কোনো ব্যক্তি জড়িত আছেনে কি আৰু সঠিক কিমান টকাৰ খেলি মেলি হৈছে সেই কথাটো জানিব পৰা যাব। নলবাৰীৰ উপায়ুক্তৰ পৰা তদন্তৰ প্ৰতিবেদন পোৱাৰ পিচত চৰকাৰে সকলো কথা পৰীক্ষা কৰি চাই তলত দিয়া ধৰণেৰে ব্যৱস্থা ইতিমধ্যে লৈছে ঃ

১। অসম প্ৰশাসনীয় সেৱাৰ বিষয়া শ্ৰীমতী বন্দনা বৰুৱাক ৰাজিাক চৰকাৰে ৯।১।৯১ তাৰিখে চাকৰীৰ পৰা নিলম্বিত কৰিছে। নলবাৰী মহকুমা কল্যান বিষয়াৰ কাৰ্য্যালয়ৰ প্ৰাক-প্ৰবেশিকা বৃত্তি আৰু আৰ্থিক সাহাৰ্য্যৰ লেন দেনৰ বিষয়ে যি বিলাক বেংক সম্বৰক্ষীয় হিচাব পত্ৰ আৰু নথি পত্ৰ আছে এই সকলোখিনি জব্দ কৰি সুৰক্ষিত জিম্মাত ৰাখিবৰ বাবে চৰকাৰে নলবাৰীৰ উপায়ুক্তক নিৰ্দ্দেশ দিছে।

২। নলবাৰীৰ মহকুমা কল্যান বিষয়াৰ কাৰ্য্যালয়ত চৰকাৰী ধনৰ আত্ম-সাৎ আৰু বিত্তীয় অনিয়মৰ বিষয়ে অতি সোনকালে আৰু বিশেষ-ভাৱে অসমৰ মলা গাননিকৰ দ্বাৰা হিচাব পৰিদৰ্শন কৰোৱাৰ ব্যৱস্থা কৰিবলৈ ৰাজ্যিক চৰকাৰৰ বিত্তীয় বিভাগক অনুৰোধ কৰা হৈছে।

৩। ইতিমধ্যে অসম ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী বিভাগৰ সঞ্চালকক এই গোটেই বিষয়টোৰ ওপৰত অতি সোনকালে খৰচি মাৰি অনুসন্ধান কৰি চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিবৰ বাবে নিৰ্দ্দেশ দিয়া হৈছে।

৪। নলবাৰীৰ উপায়ুক্তৰ কাৰ্য্যালয়ৰ এজন উপায়ুক্ত অতিৰিক্ত সহকাৰী আয়ুক্তক নলবাৰীৰ মহকুমা কল্যান বিষয়া পদত চৰকাৰে নিয়োগ কৰিছে।

যি সকলে চৰকাৰী ধন আত্মসাৎ কৰে আৰু চৰকাৰী পুজিঁৰ হানি বা ক্ষতি সাধন কৰে তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লবলৈ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ।

অধ্যক্ষ মহোদয়, এইখিনিয়ে মোৰ প্ৰতিবেদন। আমাৰ মাননীয় সদস্য শ্ৰী শৰ্ম্মা ডাঙৰীয়াই এই বিষয়টো উৎথাপন কৰাৰ বাবে তেখেতক মই ধন্যবাদ জ্ঞাপন কৰিছো। এই বাতৰি কাকতত প্ৰকাশ পোৱা আৰু তেখেতে উল্লেখ কৰাৰ আগতে বিষয়টোৰ ওপৰত ব্যৱস্থা লোৱা হৈছে। তেখেতে আৰু কেইটা মান কথা উল্লেখ কৰিছে সেইটো মই নিশ্চয় জনাব লাগিব। এই বিষয়টোৰ লগত মন্ত্ৰীও জড়িত আছে নেকি বা কিবা অংশ পাইছে নেকি নাইবা কোনোৱা অফিচাৰক ভয় কৰিছে নেকি এনেকুৱা ধৰণৰ মতামত দিছে। আচলতে ইয়াৰ লগত কোনো মন্ত্ৰী জড়িত নাই আৰু আমি ইয়াৰ বিৰুদ্ধে কঠোৰ নীতি ব্যৱস্থা লব লাগে বুলি সিদ্ধান্ত লৈছো। ইয়াত কোনো ভয়ৰ কথা নাহে। যি অফিচাৰে নহওঁক আইন কানুনৰ ক্ষেত্ৰত সেইখিনি ব্যৱস্থা লবৰ কাৰণে আমি ভয় বা সংকা নকৰো।

শ্ৰী জয় নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ ওপৰত কিয় সন্দেহ প্ৰকাশ কৰিছো এই বিষয়ে কবলৈ ওলাইছো ৭ বিষয়টো যোৱা ২৯ তাৰিখে বাতৰিত ওলাইছে মই ৩০ তাৰিখে নটিচ দিছো। তেখেতসকলে তাৰ আগতে ৰিপৰ্ট পাইছে তথাপিও 'চাচ্‌পেন কৰা নাই। এইটো পলম কৰাৰ বাবেহে মোৰ সন্দেহ ওপজিছে। মন্ত্ৰী ডাঙৰীয়াই বেয়া কাম কৰিব বুলি মই নেভাবো। এনেধৰণৰ ৫ লাখ ৭০ হেজাৰ টকাৰ খেলিমেলি বাতৰি কাকতত ওলোৱাৰ লগে লগে কোনো ব্যৱস্থা নোলোৱাৰ কাৰণে মই সন্দেহ কৰিছিলো। এতিয়া মোৰ সন্দেহ মৰিছে। এতিয়া কথাহ'ল যে ইয়াৰ পিচটো যাতে 'ডিপাৰ্টমেণ্টেল' পচিডি অনাৰ পিচত যাতে এনে ধৰণৰ অভিযোগ থকা বিষয়া সকল সৰকী নাযায় তাৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি মই আশা কৰিলো।

শ্ৰী বৰ্গৰাম দেউৰী ( মন্ত্ৰী ) অধ্যক্ষ মহোদয়, নিৰ্দ্দেশটো দিয়াত পলম হোৱাৰ কথাটো মই আগতেই কৈছো। আমাৰ সচিবালয়ৰ কৰ্ম্মচাৰী বিভাগ এটা আছে। এই পাৰ্চনেল বিভাগৰ পৰা নিৰ্দেশ যায়। এই পাৰ্চনেল বিভাগৰ পৰা নিৰ্দ্দেশ যাওতে ২/১ দিন পলম হৈছিল।

শ্ৰী কৰেন্দ্ৰ বসুমাতাৰী : মাননীয় অধ্যক্ষ মহোদয়, আনাৰো যোৱা ৮ তাৰিখে এই বিষয়ে নটিচ দিছিল । এই বিষয়ত আমাৰো সন্দেহ হৈছিল, ইয়াত কোনোবা জড়িত আছে নেকি। মই ভাবো ইয়াৰ বাহিৰেও আৰু কোনোবা জড়িত আছে যদি সেইটো যাতে উদ্ধাৰ হয়। অনুসূচিত জাতি আৰু জনজাতিৰ যি বিলাক টকা আত্মসাৎ কৰিছে এনেকুৱা এক বন্দনা বৰুৱাই নহয় আৰু বহুত বন্দনা বৰুৱা আছে । এই কামটো এজন অফিচাৰে কৰিবলৈ অকলে সাহস কৰা নাই ইয়াৰ অন্তৰালত কোনোৱা নিশ্চয় আছে। সেইটো বিচাৰি উদ্ধাৰ কৰিব বুলি আশা কৰিছো ।

মাননীয় অধ্যক্ষ মহোদয় : ইয়াৰ পিচত ১ বজাৰ পৰা মুখ্যমন্ত্ৰীয়ে বাজেটৰ ওপৰত উত্তৰ দিব। ইতিমধ্যে আমাৰ মাননীয় ১৩ জন সদস্যই নটিচ দিছে তেওঁলোকক ৪০০ তিনি মিনিট কৈ কবলৈ অনুৰোধ কৰিছো।

শ্ৰী গিয়াচুদ্দিন আহমেদ : মাননীৰ অধ্যক্ষ মহোদয়, ময়ো নাম দিছিলো। কিন্তু মোৰ নামটো উল্লেখ নাই।

মাননীয় অধ্যক্ষ মহোদয় : আপুনিও নাম দিছিল নেকি ? তেতিয়া হলে আপুনি কব পাৰিব।

Now discussion on the Budget, Shri Thaneswar Boro.

Speech not corrected

শ্রী থানেশ্বৰ বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে এই বাজেটখন জনকল্যানমূলক বাজেট হোৱা নাই। এই বাজেট খন ঘাটি বাজেট হোৱাৰ বাবে উন্নয়নমূলক আচনি লোৱা হোৱা নাই। সেই কাৰণে এই বাজেটখন জনকল্যানমূলক বাজেট বুলি কব নোৱাৰি আৰু আমাৰ মনঃপুত হোৱা নাই। এতিয়া বিশেষকৈ অসমৰ উন্নতিৰ কাৰণে আমি ৰাজনৈতিক দলসমূহে কাম কৰিব লাগে। মই এটা পৰামৰ্শ আগবঢ়া ববিচাৰিছো যে এইবোৰ ৰাজনৈতিক সদে চিন্তা কৰিধ লাগে। বান নিয়ন্ত্ৰনৰ ক্ষেত্ৰত কেন্দ্ৰই শতকৰা ১০০ ভাগ ঋণ হিচাব দিয়ে। এইচিচটেমটো নাইকিয়া কৰিব লাগে। যদি সেইটো কৰিব নোৱাৰে ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰন কৰিব নোৱাৰে। শতকৰা ৯০ শতাংশ অনুদান আৰু ১০ শতাংশ হিচাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱাটো ব্যৱস্থা কৰিব লাগে। যদি সেইটো কৰা নহয় তেতিয়া হলে বাননিয়ন্ত্ৰনৰ ক্ষেত্ৰত 'ফাইনেনচিয়েল এচিচটেন' বিদেশৰ পৰা গ্ৰহণ কৰিবলৈ সুবিধা দিব লাগে। কেন্দ্ৰীয় চৰকাৰৰ যদি অৰ্থ নৈতিক অৱস্থা ভাল নহয় তেনেহলে বিদেশী ৰাষ্ট্ৰ সমূহে উন্নয়নমূলক আচনিত সহায় কৰিবলৈ বিচাৰিলে তাক গ্ৰহণ কৰিব লাগে। আমি এই দাবীটো কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উংথাপন কৰিব লাগে। তাৰোপৰি এটা কথা হৈছে, আমি সকলো কথা আলোচনা কৰিছো। যোৱাকালিও মই কৈছো আমাৰ উত্তৰ পূৰ্ব্বাঞ্চলৰ ৭ খন ৰাজ্য লৈ গঠন কৰিব লাগে। এই উত্তৰ পূৰ্ব্বাঞ্চলৰ ৭ খন ৰাজ্য উন্নতিৰ কাৰণে চৰকাৰে ব্যৱস্থা লোৱাটো ভাল হৈছে। ইয়াৰ লগত চিকিমকো অন্তৰভূক্ত কৰিছে, তেতিয়া হলে পশ্চিমবঙ্গকো কৰিব লাগিব। কিন্তু এই কথাটো নাহে। আমি এই বিষয়ত চিন্তা চৰ্চ্চা কৰিব লাগে আৰু জলপ্ৰসূ ভাৱে ৰাজনৈতিক সিদ্ধান্ত হব লাগে। যেতিয়া চাহবাগিচাৰ মণ্ডল কাৰ্য্যালয় ষ্টেট বেংক কাৰ্য্যালয়, ৰিজাৰ্ভ বেংক কাৰ্য্যালয় এনেকোৱা ধৰণৰ যিমান কাৰ্য্যালয় উত্তৰ পূৰ্ব্বাঞ্চললৈ আহিব তেতিয়া যুৱক সকলক নিযুক্তি

Speech not correct

দিয়াৰ সুবিধা হব। ইয়াৰ কাৰণে আমি ৰাজনৈতিক দল বিলাকে ৰাজনৈতিক ভাবে আৰু সামূহিক ভাৱে চিন্তা চৰ্চা কৰিব লাগিব।

অধ্যক্ষ : এতিয়া আৰু ২০ জন সদস্যই কব আছে। সময় মাত্ৰ ৪০ মিনিট আছে। দুই বা তিনি মিনিট মানকৈ হে কব পাৰিব।

শ্ৰী ৰমেন কলিতা : দল হিচাবে সকলোকে কোৱাৰ সুবিধা দিব লাগে।

মাননীয় অধ্যক্ষ : ইতিমধ্যে জিৰো আৱাৰতেই বহু সময় গল।

শ্ৰী মজিবুৰ ৰহমান : মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অব অৰডাৰ। অনুগ্ৰহ কৰি কিছু সময় বঢ়াই দিব লাগে। অন্ততঃ আধাঘণ্টা সময় বঢ়াই দিব লাগে।

শ্ৰী হিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, নতুন অসম পৰিষদ দলৰ ১৫ মিনিট সময় হাতত লৈ মাননীয় অধ্যক্ষ মহোদয়ৰ অনুমতি সাপেক্ষে মই বাজেটৰ ওপৰত দুআষাৰ কব লৈ আগবাঢ়িছো। যোৱা ৯ তাৰিখে অসমৰ বিত্তীয় বিভাগৰ দায়িত্বত থকা মূখ্যমন্ত্ৰী মহোদয়ে বাজেট খন দাঙি ধৰিছে। এই বাজেট খনৰ ওপৰত সকলোৱে তীক্ষ দৃষ্টি ৰাখে। বাজেট অধ্যায়ন কৰাৰ পাচত আমি দেখিলো যে এই বাজেট খনৰ নতুনত্ব একোৱেই নাই। এই বাজেট খন অতি গতানুগতিক বাজেট। এই বাজেট খন হৈছে ৰংচঙীয়া বাহিৰত সজাই থোৱা এখন অচল গাড়ীৰ নিচিনা। গতিকে এই গাড়ীখন কেনেকৈ চৰকাৰে আগবঢ়াই নিব সেইটোহে আচল কথা। এই বাজেট খনত থকা সকলো দীশেই ৰাজনৈতিক সমস্যা হৈছে নিবনুৱা সমস্যা। বাজেটত এই ক্ষেত্ৰত যিটো দিছে সেইটো অতিকৈ ৰাজনৈতিক আৰু নিৰাশাৰ দিশ। বছৰি ২ হাজাৰকৈ নিৰনুৱা লোকক চাকৰি দিয়া হব। এইটো এটা সম্পূৰ্ণ ৰাজনৈতিক দিশ। বছৰি দুই হাজাৰকৈ

নিৰনুৱা লোকৰ চাকৰিৰ প্ৰলোভনত ৫ বছৰ কটাই দিয়াৰ এটা ভাল নীতি চৰকাৰে হাতত লৈছে। এনে ভাৱে নিৰনুৱা সমস্যাৰ মূল দিশটো এৰাই যোৱা হৈছে। কেৱল ৰাজনৈতিক দিশটোলৈ নাচায় যদি প্ৰকৃততে নিৰনুৱা সমস্যা সমাধান কৰিবলৈ হলে মই তাৰো সমবায় ভিত্তিতত কৃষি পাম খুলিব লাগিব। কেৱল কৃষি পামেই নহয় প্ৰত্যেক খন গাৱেঁ ভূৱেঁ সমবায় ভিত্তিত কৃষি পামৰ ওপৰিও মীন পালন, গৰুমহ, হাহ কুকুৰা আদি সলবায় ভিত্তিত পালন কৰিবলৈ চৰকাৰৰ তৰফৰ পৰা ব্যৱস্থা হাতত ললেহে নিৰনুৱা সমস্যাৰ কিছু পৰিমানে লাঘব হব।

( সময় সংকেট )

মাননীয় উপাধ্যক্ষ মহোদয়, অধ্যক্ষ মহোদয়ে প্ৰত্যেক দলকে ১৫ মিনিট সময় দিছিল। আপুনি সময়ৰ সংকেট দিলেই। তাৰমানে মই আৰু কব নালাগে। মোৰ বক্তৃতাটো সম্পূৰ্ণ কৰিব নোৱাৰিলো।

মাননীয় উপাধ্যক্ষ : প্ৰত্যেক সদস্যকে তিনি মিনিটকৈ সময় দিয়া হৈছে।

শ্ৰী গিয়াছুদ্দিন আহমেদ : মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰত্যেক দলৰে ১৫ মিনিট সময় দিয়া হৈছে। আকৌ দলৰ এজনক তিনি মিনিটকৈ সময় দিয়া হৈছে। গতিকে এটা দলৰ যদি আন বক্তা নাথাকে তেখেতে অকলেই ১৫ মিনিট সময় পাব।

শ্ৰী মজিবুৰ ৰহমান : উপাধ্যক্ষ মহোদয় কোনোবা দলে ১৫ মিনিট সময় পাব আৰু কোনোৱা দলে নাপাব। এইটো কেনেকৈ হব?

শ্ৰী ৰমেন কলিতা : উপাধ্যক্ষ মহোদয়, আমাৰ নতুন অসম গনপৰিষদ দলৰ পৰা মোৰ আৰু হিতেশ ডেকাৰ নামটো দিয়া দিয়া হৈছিল। যিহেতুকে

মোৰ নামটো কাতি দিছে গতিকে মাননীয় সদস্য শ্ৰী হিতেশ ডেকাকেই ১৫ মিনিট কৰলৈ অনুমতি দিব লাগে।

শ্ৰী হিতেশ্বৰ ডেকা : মাননীয় উপাঅধ্যক্ষ মহোদয়, যিহেতুকে মাননীয় অধ্যক্ষ মহোদয়ে মোক ১৫ মিনিট কবলৈ অনুমতি দিছিল সেয়েহে মই তেখেতৰ অনুমতিক সন্মান জনাই কবলৈ আগবাঢ়িছিলো।

মাননীয় উপাধ্যক্ষ : শ্ৰী হিতেশ ডেকা আপোনাৰ বক্তব্য সম্পূৰ্ণ কৰিব পাৰে কিন্তু প্ৰত্যেক সদস্যক তিনি মিনিটকৈ সময় দিয়া হৈছিল।

শ্ৰী হিতেশ্বৰ ডেকা : মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা কথা অনুভব কৰো যে যদি সমবায় ভিত্তিত কৃষি পাম খোলা নহয় তেতিয়াহলে অসমৰ নিবনুৱা সমস্যা কেতিয়াও সমাধান কৰিব পৰা নহব। সেই কাৰণেই মই অনুৰোধ জনাইছো যে অসমৰ প্ৰতিখন গাৱঁতেই, প্ৰতিটো চুবুৰী-তেই, প্ৰতিখন নগৰে, চহৰে সমবায় ভিত্তিত কৃষি পাম খোলাৰ ব্যৱস্থা কৰিব লাগিব। এই দৰে যদি কৃষি পাম খুলি উৎপাদন বৃদ্ধি কৰিবলৈ চেষ্টা কৰা নহয় তেতিয়াহলে কেতিয়াও বস্তুৰ মুল্য কমাব নোৱাৰিব।

আজি শিক্ষা ব্যৱস্থাত এটা গতিহীনতা দেখিবলৈ পোৱা গৈছে। কি প্ৰাথমিক, কি মাধ্যমিক, বা কি উচ্চ পৰ্য্যায়ৰ স্কুল হওক সকলো বিলাকতেই এটা গতিহীনতা আহি পৰিছে। এই বিলাক গতিশীল কৰিবৰ কাৰণে কোনো চেষ্টা কৰা হোৱা নাই। কল কাৰখানা বৃদ্ধি হোৱাৰ দৰে ইংৰাজী মাধ্যমৰ স্কুল বিলাক গঢ়ি উঠিছে। এই বিলাক গঢ়ি উঠাত কোনো বাধাআৰোপ কৰা হোৱা নাই। যোৱা চৰকাৰৰ দিনত ৰাতাৰাতি কিছুমান স্কুলক উচ্চতৰ মাধ্যমিক স্কুল কৰা হ'ল। কিন্তু সেই বিলাক কাৰ্য্যকৰি কৰা হলনে নাই সেই কথা চাওঁতা কোনো নহল। স্কুল বিলাকৰ ক্ষেত্ৰত যিটো সমতা লাগে সেই সমতা জানিবৰ

কাৰণে কোনো চেষ্টা কৰা হোৱা নাই । সেই কাৰণে আমাৰ শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত যি ধৰণে গুৰুত্ব দিব লাগে সেই ধৰণৰ গুৰত্ব দিবলৈ মই চৰকাৰক অহ্বান জনাইছো

যোৱা ৬ বছৰীয়া আন্দোলনৰ ফলত যিখন অসম চুক্তি হল এই অসম চুক্তি ধৰা বিলাক ৰূপায়ন কৰাৰ কাৰণে কোনো চেষ্ট হোৱা নাই। অসম চুক্তি ৰূপায়নৰ কাৰণে কিবা কাৰ্য্যকৰী ব্যৱস্থা লোৱা হবনে নহয় সেই সম্পৰ্কত বাজেটত কোনো উল্লেখ নাই । আপোনালোকে নিৰ্বাচনী ইস্তাহাৰত যি বিলাক প্ৰতিশ্ৰুতি দিছিল সেই বিলাক ৰখা কৰক ।

আজি বানপানী নিয়ন্ত্ৰনৰ কাৰণে কোনো চেষ্টা হোৱা নাই । গতিকে মই আশা কৰিছো যে অসমৰ বানপানী নিয়ন্ত্ৰনৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব । ধন্যবাদ ।

শ্ৰী জীওৰাম বড়ো ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ মতে এইখন এখন ৰগগ্ৰস্ত অসুস্থ বাজেট । যোৱা কালি এই বাজেটৰ সম্পৰ্কত এজন বিধায়কে কৈছিল যে এই “বাজেট খন বাহিৰে ৰংচঙীয়া ভিতৰি কোৱা ভাতুৰি” । এই বাজেটৰ জনজাতীৰ লোক সকলৰ কাৰণে কোনো আশা কঢ়িয়াই অনা নাই। জনজাতীৰ কাৰণে ট্ৰাইবেল ডেভেলাপমেণ্ট অথৰিটি, ওৱেলফেয়াৰ বৰ্ড আদি যি বিলাক কৰা হৈছে বুলি কৈছে অকল সেই বিলাকৰ দ্বাৰাই জনজাতি সকলৰ সমস্য সমাধান হব নোৱাৰে । জনজাতী সকলৰ কাৰণে যি বিলাক আচঁনি আছে সেই বিলাক কাৰ্য্যকৰী কৰাৰ এই বাজেটত কোনো ইঙ্গিত নাই । আজি এজন বিধায়কে কৈছে যে এজন বিষয়াই ৬ লাখ টকা আত্মসাত্ কৰিছে । এইদৰে বিষয়াই টকা আত্মসাত কৰিলে উন্নয়নৰ কাম হব কৰপৰা ? সেই কাৰণেই মই কবলৈ বাধ্য হৈছো যে এই খন এখন অসুস্থ বাজেট । এই বাজেটখনক চিকিৎসা কৰাৰ প্ৰয়োজন আছে । আজি হাজাৰ হাজাৰ মানুহ চিকিৎসাৰ

অভাবত ঋগ ভোগ কৰি আছে । সেই সকলক দিবলৈ এটা চেলাইনৰো ব্যৱস্থা নাই । নিয়োগৰ ক্ষেত্ৰত জনজাতীয় লোক সকলৰ কেনেকৈ নিয়োগ কৰিব তাৰ কোনো ইংগিত এই বাজেটত নাই । আজি প্ৰায় ১৫ হাজাৰ বেকলগ আছে । এই বেকলগ বিলাক কেনেকৈ পুৰণ কৰিব তাৰ কোনো ইঙ্গিত এই বাজেটে বহন কৰা নাই । যিটো টেনথ চেপ্তাৰ আছে সেইটো কাৰ্য্যকৰী কৰা হোৱা নাই । গতিকে এই বাজেট খন বিধান সভাই গ্ৰহণ কৰা উচিত নহব । জনজাতীৰ কাৰণে যিবিলাক কাম কৰাৰ প্ৰয়োজন আছিল সেই বিলাক কৰাৰ কাৰণে এই বাজেটে কোনো ইঙ্গিত বহন কৰা নাই । এইখন জনকল্যাণমুখী বাজেট নহয় । জনজাতীয় অঞ্চলত যি বিলাক ভেন্সাৰ স্কুল আছে সেই বিলাক চৰকাৰে লোৱাৰ ব্যৱস্থা কৰা নাই ।

কৃষিৰ কাৰণে কোনো ব্যৱস্থা ইয়াত ৰখা নাই । কেনেকৈ অধিক উত্পাদন কৰিব আৰু কত কৰিব সেই বিলাকৰ কোনো উল্লেখ নাই । আমাৰ ইয়াত এগ্ৰেৰেষ্ট ইন্দ্ৰাষ্টি হব পাৰে । কিন্তু তাৰ বাবে কোনো ব্যৱস্থা লোৱা নাই ।

(সময়ৰ সংকেট)

মই ইমানকে কৈ সামৰনি মাৰিলো ।

শ্ৰী যতীন মালি : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে ১৯৯১-৯২ চনৰ বাবে যিখন বাজেট সদনত ডাঙি ধৰিছে, আৰু ইয়াৰ ওপৰত যি বিলাক বক্তব্য আহিছে মই এই বিলাক মই শুনি, এই সম্পৰ্কত মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো । এই বাজেটখনক এখন অসুস্থ, ঋগগ্ৰষ্ট বাজেট বুলি অভিহিত কৰিছে । অসমৰ জনসাধাৰণে এই বাজেটত যিখিনি পাব বুলি আশা কৰিছিল সেইটো পোৱা নাই । এই বাজেট ১৯৯২ চনৰ ৩১ মাৰ্চত শেষ হোৱাৰ আগতে জনসাধাৰণে অসমৰ যিখিনি উন্নয়নমূলক কাম হব বুলি আশা কৰিছিল এই গোটেই

Speech not correeted

খিনিৰ পৰাই জনসাধাৰণক বঞ্চিত কৰা হৈছে । জনসাৰণৰ যি আশা আ:িল সেই খিনি এই বাজেটে পুৰণ কৰিব পৰা নাই । এই বাজেটে আকাংশা জনসাধাৰণৰে পাবলগীয়া সুবিধা খিনিৰ পৰা বঞ্চিত কৰা হ'ল ।

এই চৰকাৰ গঠন হোৱাৰ পিচতেই বিভিন্ন প্ৰচাৰ মাধ্যমৰ জৰিয়তে জনাই দিয়া হ'ল যে ১০ লাখ নিবনুৱা লৰাক অহা ৫ বছৰৰ ভিতৰত চাকৰি দিয়া হব । ইয়াৰ অৰ্থ হৈছে যে প্ৰতি বছৰে ২ লাখ লৰাক চাকৰিত নিযুক্তি দিয়া হব । আৰু সেই মতে প্ৰতি মাহে ১৫/১৬ হাজাৰ নিবনুৱাক চাকৰি দিব লাগিব । কিন্তু এই চাকৰি বিলাক কত দিয়া হব, কেনেকৈ দিয়া হব তাৰ কোনো ইঙ্গিত নাই । অহা ৩ মাহৰ ভিতৰত ১০ হাজাৰ লৰাক চাকৰি দিব বুলি ঘোষনা কৰিলে । এতিয়া লৰা বিলাক দৰ্খাস্তলৈ মন্ত্ৰী বিধায়কৰ ঘৰে ঘৰে, অফিচে অফিচে ঘুৰি ফুৰিছে চাকৰি বিচাৰি । কিন্তু এতিয়ালৈকে কাকো নিযুক্তি দিয়া হোৱা নাই । চৰকাৰে কোৱা মতে এই বছৰ যি ২ লাখ লৰাক চাকৰি দিব লাগিব সেই সকলক চাকৰি দি দৰমহা দিয়াৰ কাৰণে এই বাজেটত কোনো প্ৰয়োজন ৰখা নাই । এতিয়ালৈকে চৰকাৰে বছৰি ২ লাখ লৰাক চাকৰি দিয়াৰ কথা ঘোষণা কৰিছে সেইটোৰ কোনো পৰিবেশ সৃষ্টি নকৰাৰ কাৰণে এই বিলাক চৰকাৰৰ কল্পনাপ্ৰসুত কথা বুলিহে মই কব বিচাৰিছো । অকল প্ৰাথমিক স্কুল, মজলীয়া স্কুল বা হাইস্কুলত শিক্ষক চকিদাৰৰ চাকৰি দি নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰি । আৰু এই বিলাকত ২ লাখ নিবনুৱাক কৰ্মসংস্থান দিয়াতোও সম্ভবপৰ নহয় । গতিকে এইটো দেখা গৈছে যে চৰকাৰে বছৰি ২ লাখ নিবনুৱাক কৰ্মসংস্থান দিব বুলি প্ৰতিশ্ৰুতিবদ্ধ হৈছে । সেই মতে কাম কৰিব পৰা নাই । আমি আশা কৰিছো যাতে চৰকাৰৰ ঘোষনা বিলাক 'ববাৰভে লঘু ক্ৰিয়া' নহয় ।

Speech not corrected

মাননীয় উপাধ্যক্ষ মহোদয়, বাননিয়ন্ত্রন সম্পৰ্কত মই কেইটামান কথা কব বিচাৰিছো। অসমৰ ভৌগলিক অৱস্থানলৈ চাই বাননিয়ন্ত্রন বিভাগে যি ধৰণে গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে ব্যৱস্থা লব লাগিছিল আৰু কেনে ধৰণে কাৰ্য্যকৰী ব্যৱস্থা লোৱা হব সেই সম্পৰ্কত কোনো ধৰণৰ নীতি লোৱা আমি দেখিবলৈ পোৱা নাই।

(সময়ৰ সংকেত)

গতিকেই মই কব বিচাৰিছো বানপানী আৰু গড়াখহনীয়াৰ প্ৰতিৰোধৰ কাৰণে যিবিলাক ঠাইত বিশেষ ভাবে প্ৰতিৰোধৰ ব্যৱস্থা ততাতয়াকৈ লব লগীয়া আছে সেইবিলাক ঠাই অসম ভৌগলিক অৱস্থানলৈ চাই সেই ঠাই বিলাক ডিটেকশ্যান কৰিব লাগে আৰু প্ৰোটেকশ্যনৰ ব্যৱস্থা ক্ষিপ্ৰ গতিত লব লাগে। কিন্তু বাজেট বক্তৃতাত এই সম্পৰ্কত কোনো ধৰণৰ প্ৰতিফলন আমি দেখিবলৈ পোৱা নাই। তাৰোপৰি বাজেতৰ জৰিয়তে চৰকাৰে যিবিলাক উন্নয়ন মূলক কাম হাতত লবলৈ প্ৰযাস কৰিছে সেইবিলাক কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কেনে দৰে নীতি হাতত লব লাগিছিল বা প্ৰাৰম্ভিক কাম হাতত লোৱা দেখা নাই, কিয়নো আজি এই চৰকাৰ শাসনত বহা প্ৰায় দুমাহৰ বেচি হ'ল কিন্তু মহকুমা ভিত্তিত বা জিলা ভিত্তিত যিবিলাক উন্নয়ন বোৰ্ড গঠন হব লাগিছিল আকৌ শিক্ষা বিভাগৰ ক্ষেত্ৰত যিবিলাক মহকুমা বা জিলা শিক্ষা বোৰ্ড গঠন হব লাগি-ছিল সেইবিলাক এতিয়ালৈকে গঠন কৰা হোৱা নাই। তাৰোপৰি এচ, চি, আৰ, এচ টিৰ যিবিলাক বোৰ্ড গটন হব লাগিছিল সেইবিলাকো হৈ নুঠিল গতিকে নিবণুৱা সমস্যা দূৰিকৰণৰ যিবিলাক ব্যৱস্থা বা ৰাজ্যখনৰ বিভিন্ন উন্নয়নমূলক আচঁনি কেনেকৈ কাৰ্য্যত ৰূপায়িত কৰিব। কাৰণ বোৰ্ড কমিটি গঠন হোৱাৰ পাচতহে বিভিন্ন ধৰণৰ উন্নয়নমূলক কাম বিলাক হাতত লবলৈ সুবিধা হব। কেৱল ৰেডিয়, টিভি বা বাতৰি কাকত যোগে বিৰাট বিৰাট আচঁনি লোৱা হৈছে, ইমান সংখ্যক নিৱনুৱা লোকক কৰ্ম্মসংস্থান দিয়া হব, ৰাজ্যখনৰ বিভিন্ন ঠাইত উন্নয়নমূলক আচঁনি লোৱা হব বুলি কলে কাম বিলাক হৈ নুঠে। তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা বিলাক হাতত লোৱা আমি বাজেটৰ জৰিয়তে প্ৰতিফলন হোৱা দেখা নাই।

(সময়ৰ সংকেত)

মাননীয় উপাধ্যক্ষ মহোদয়, নই মাত্র সমবায় বিভাগৰ দুটামান কথা কৈ শেষ কৰিম। আজি বিভিন্ন সমবায় সমিতি বিলাক গঠন হৈছে, গাৱঁত সমবায় সমিতি বিলাকৰ নিৰ্ব্বাচনৰ কাৰণে সমবায় সমিতি বিলাকৰ সদস্য সকলৰ নিজা অধিকাৰ আছে কিন্তু তেওঁলোকে আজি নিৰ্ব্বাচন পাতিব পৰা নাই কিয়নো আজি চৰকাৰৰ ফালৰ পৰা এই ক্ষেত্ৰত হস্তক্ষেপ কৰা হৈছে। ১৬ আগষ্টত নটিচ দিছে যে ১৫ দিনৰ ভিতৰত নিৰ্ব্বাচন পাতিব লাগে। গতিকে আজি গনতান্ত্ৰিক যি অধিকাৰ সমবায় সমিতি বিলাকৰ আছে সেইটো খৰ্ব্ব কৰা হৈছে। সেয়ে কৰাৰ কোনো প্ৰতিফলন বাজেট খনৰ জৰিয়তে প্ৰকাশ পোৱা নাই এই খিনিকে বক্তব্য ৰাখি সামৰণি মাৰিলো।

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় উপাধ্যক্ষ মহোদয়, পইণ্ট অব অৰডাৰ, বাজেটৰ ওপৰত আলোচনা চলি থকা সময়ত বিত্ত মন্ত্ৰী নতুবা বিত্ত ৰাজিক মন্ত্ৰী সদনত উপস্থিত থাকিব লাগে।

শ্ৰী মুজিবোৰ ৰহমান : মাননীয় উপাধ্যক্ষ মহোদয়, বিধান সভাৰ মজিয়াত মাননীয় মুখ্য মন্ত্ৰী তথা বিত্তিয় মন্ত্ৰীয়ে যি খন বাজেট বক্তৃতা অসমৰ ৰাইজৰ কাৰণে ডাঙি ধৰিছে এই বাজেটখনৰ পূৰ্ণ সমৰ্থন কৰি মোৰ কিছু বক্তব্য ৰাখিব বিচাৰিছো। এই বাজেট বক্তৃতাত ৰাজ্যখনৰ বিভিন্ন শিতানত কিমান টকা খৰচ কৰা হব আৰু উন্নয়নমূলক কামত কেনে-ভাবে টকা আবণ্টন কৰা হব সেই বিষয়ে এটা আনুমানিক হিচাব ডাঙি ধৰা হৈছে। সেই মৰ্ম্মে মই মাত্ৰ কেইটামান শিতানৰ কথাহে উল্লেখ কৰিব বিচাৰিছো। বানপানীৰ ফলত হোৱা জীৱন আৰু সম্পত্তি নাশৰ বিৱৰণ আৰু বান নিয়ন্ত্ৰনৰ বাবে বিস্তৃত ব্যৱস্থাৰ প্ৰয়োজনৰ ওপৰত বাজেট উল্লেখ কৰা হৈছে। চলিত বছৰতো মে মাহত বৰাক উপত্যকাত আৰু ৰাজ্যৰ বাকী অংশত জুলাই মাহত হোৱা বানপানীত ৪০ লাখৰো অধিক লোক ক্ষতিগ্ৰস্থ হয় অৰু ৮০ জন লোকে প্ৰাণ হেৰুৱায়, হেজাৰ হেজাৰ ঘৰ-বাৰী, ব্যাপক পৰিমানৰ খেতি-পথাৰ আৰু ৰাজহুৱা সম্পত্তিও

নষ্ট হয়। ৰাজ্যখনৰ সীমিত বিভিন্ন ক্ষমতাৰে দুৰ্দ্দশাগ্ৰস্থ লোক সকলক আৰু ব্যাপক হাৰত নিয়মীয়াকৈ হোৱা এনে ক্ষতিৰ ভাৰ বহন কৰিবলৈ আৰু সাহায্য দানদিয়াতো ৰাজ্য চৰকাৰৰ শক্তি আৰু সামৰ্থ্যৰ বাহিৰত। সেই কাৰণে ব্ৰহ্মপুত্ৰ আৰু বৰাক অববাহিকাৰ বাবে ব্ৰহ্মপুত্ৰ বোৰ্ডে প্ৰস্তুত কৰি দাখিল কৰা মাষ্টাৰ প্লেন খৰতকীয়া ভাবে ৰূপায়ন কৰাৰ কাৰণে পুঁজী দিবলৈ কেন্দ্ৰক সৈমান কৰাটোয়েই ৰাজ্য চৰকাৰে সৰ্ব্বোচ্চ অগ্ৰাধিকাৰ দিব। সম্প্ৰতি অসমত বানপানী এক বছৰেকীয়া অনুষ্ঠানলৈ পৰিবৰ্ত্তিত হৈছে। এই বানপানীত ক্ষতিগ্ৰস্ত কৰা লোক সকলৰ সাহায্য আৰু পুনৰসংস্থাপনৰ নামত বছৰি শশ টকা ব্যঁয় কৰা হয় আৰু এই ব্যয় সমূহৰ ভিতৰত পৰিকল্পনাৰ নিদ্ধাৰিত আৰু পৰিকল্পনাৰ বহিভূ'ত ব্যয় আছে। চৰকাৰে এই কামবিলাকত বছৰে বছৰে কোটি কোটি টকা খৰচ কৰি আহিছে যদিও বানৰ কবলত পৰা দৰিদ্ৰ জনসাধাৰণ লেখমাত্ৰয়ো উপকৃত হোৱা দেখা নাযায়। গতিকে সমস্যাৰ স্থায়ী সমাধান পাবলৈ হলে তাক প্ৰতিৰোধ কৰাতকৈ নিৰাময় কৰাহে যুগুত। বৰ্ষা কালিৰ হিচাবত ব্ৰহ্মপুত্ৰ পৃথিবীৰ আন বহুত নদীতকৈ সৰু কিন্তু জল পৰিবহনৰ ক্ষেত্ৰত ই তৃতীয় বৃহত্তম নদী। অৰ্থাৎ এই নদীয়ে আটাইতকৈ বেছি হাৰত পানী কঢ়িয়ায় আৰু সেই পানীয়ে পাৰ বাগৰি বান পানীৰ সৃষ্টি কৰে। গতিকে এই ধৰণে প্ৰতি বছৰে বানপানীৰ নামত কোটি কোটি টকা খৰচ কৰি দুৰ্দ্দশাগ্ৰস্ত লোকৰ দুখ-দুৰ্দ্দশা লাঘৱ নহয়। সেইকাৰণে মই কব বিচাৰিছো আমি যি মাষ্টাৰ প্লেনৰ আচঁনি লৈছো সেই আচঁনিটোত অগ্ৰাধিকাৰ দিব লাগে আৰু তাক কাৰ্য্যত ৰূপায়ন কৰিবৰ কাৰণে কেন্দ্ৰৰ ওচৰত পুঁজীৰ বাবে সৰ্ব্বদলীয় ৰাজনৈতিক দল এটা গৈ হেঁচা দিব লাগে। এই বছৰেই যাতে আমি কাম বিলাক আৰম্ভ কৰিব পাৰো তাৰ কাৰণে চেষ্টা কৰিব লাগে নহলে এই দুৰ্দ্দশাগ্ৰস্ত লোক খিনিৰ অৱস্থা আৰু বেয়ালৈ যাব। পশ্চিম বঙ্গত সৰ্ব্বদলীয় এটা সজাঁতি দলে কেন্দ্ৰৰ ওচৰত হেঁচা দিয়াৰ দৰে আমিয়ো কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেঁচা দিব পাৰো। আজকাল

পেপাৰত দিছে মই পঢ়ি দিব বিচাৰিছো। "আজকালের প্রতিবেদন-ভঙ্গাৰ ভাঙ্গন রোধে কেন্দ্রৰ কাছে আর্থিক সাহায্যের দাবিতে রাজ্য বিধানসভা থেকে ২৩ সদস্যৰ একটি সর্বদলীয় প্রতিনিধি দল সেচমন্ত্রী দেবব্রত বন্দোপাধ্যায়ের নেতৃত্বে দিল্লী যাবেন। বুধবার বিধানসভায় এ ব্যপারে একটি সর্বদলীয় প্রস্তাব নেওয়া হয়েছে।" আমাৰ যিবিলাক আচঁনি ৰানপানী প্ৰতিৰোধৰ কাৰণে অছে সেয়ে বানপানী সমস্যা সমাধানৰ সম্পৰ্কত মই তৎকালীন ব্যৱস্থাৰ কথা উন্নুকিয়াব বিচাৰিছো। যেতিয়ালৈকে বানপানী সমস্যা সমাধানৰ কোনো সূত্ৰ আবিষ্কাৰ নহয় তেতিয়ালৈকে অসমৰ বাবে কিছু ব্যৱস্থা লোৱাৰ আৱশ্যকতা দেখো অসমৰ বানপানীত আক্ৰান্ত হোৱা অঞ্চলবোৰ চিনাক্তকৰণ কৰিব লাগে। এই অঞ্চল-বোৰত বানপানীৰ সময়ত খাদ্য, চিকিৎসা সামগ্ৰী নাও ওখ ভেটি আদিৰ আগ-তীয়াকৈ ব্যৱস্থা কৰিব লাগে। খেতিৰ পদ্ধতি যুক্তি-যুক্ত ভাবে সলনি কৰিব লাগে। পাৰিলে জনজাতি ৰাইজৰ দৰে এটা হলেও চাং ঘৰৰ বৱস্থা ৰাখিব লাগে। চৰকাৰী সাহায্য যাতে অন্যায় ভাবে বিতৰণ নহয় তাৰ বাবে বান বীমাৰ দৰে বীমা কৰিব লাগে। বানপীডিত অঞ্চলৰ সকলো পৰিয়ালৰ বাবে ৰানবীমাৰ আচঁনি চৰকাৰে হাতত লব লাগে আৰু সম্পত্তিৰ হিচাব যথাযথ ভাবে লব লাগে। পাছত পীড়িত সকলৰ ক্ষতিপূৰণ ততালিকে দিব লাগে। তাৰ পাছত মই অসম চুক্তিৰ ওপৰত কেইটামান কথা কৈ শেষ কৰিম। অসম চুক্তিৰ ৰূপায়নৰ লগত জৰিত হৈয়েই অসম গনপৰিষদ চৰকাৰ ক্ষমতাত আহিছিল কিন্তু যোৱা কেই-বছৰে বিগত চৰকাৰে কিমান জন বিদেশীক খেদিলে আৰু তেওঁলোকে কেনেদৰে অসম চুক্তি ৰূপায়ন কৰিছিল তাৰ এটা নমুনা মই দিব বিচাৰিছো। অসম চুক্তি মতে কি আছিল ১৯৬৬ চনৰ পৰা ১৯৭১ চনৰ ২৪ মাৰ্চৰ কালছোৱাত অনুপ্ৰৱেশ কৰা বিদেশী লোকৰ সংক্ৰান্তৰ অসম চুক্তিত থকা দফা কেইটাৰ ধাৰা নং ৫ (৬) আছে চিনাক্তকৰণৰ পৰা দহ বছৰ কাল পাৰ হোৱাৰ পাচত ভোটৰ তালিকাৰ পৰা কৰ্ত্তন কৰা এই সকল ব্যক্তিৰ নাম পুনৰ তালিকা ভুক্ত কৰা হব। সেইদৰে ধাৰানং ৫ (৩) দেখুৱা মতে ১৯৬৬ চনৰ ১ জানুৱাৰীৰ পৰা ১৯৭১ চনৰ ২৪ মাচ তাৰিখলৈকে অহা বিদেশী সকলক ১৯৪৬ চনৰ বিদেশী আইন আৰু ১৯৬৪ চনৰ বিদেশী (ট্ৰাইবুকোনেল) অৰ্ডাৰৰ অধী-

নত চিনাক্ত কৰা হব। কিন্তু বিদেশী ন্যায়ধিকৰণ, নগাওঁ কাৰ্য্যালয়ৰ পৰা শ্ৰী নুৰ আহম্মদ সহ তিনিজন পৰিয়ালক বিদেশী বুলি সন্দেহ কৰি তেওঁলোকক ১-১-৬৬ চনৰ পিছত আৰু ২৫-৩-৭১ চনৰ আগতে ভাৰতীয় নাগৰিক নোহোৱা স্বত্বেও ভাৰতৰ পাওঁ-বৰদলৈ পথাৰ, থানা-লংকা জিলা নগাওঁত অবৈধ ভাবে বসবাস কৰি আছে বুলি অভিযুক্ত কৰিছে। আৰু তেওঁলোকক ১৬-২-৯১ ইং তাৰিখে সাত দিনৰ ভিতৰত ভাৰত ত্যাগ কৰিবলৈ নিৰ্দ্দেশ দিছে। কিন্তু এই নিৰ্দ্দেশটো অসম চুক্তিৰ ধাৰাত দিয়া মতে তেওঁলোকৰ ওপৰত হাৰা-শাস্তি কৰা হৈছে। কিয়নো এই মানুহ বিলাক অত্যন্ত দৰিদ্ৰ তেওঁলোকে এই আপত্তি বিলাক দৰ্শাই হাইকোৰ্ট বা তেনে কৰ্ত্তৃপক্ষৰ ওচৰত আহিবলৈ সমৰ্থ নহয়। গতিকেই এই কথাবিলাকৰ প্ৰতি মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিলো।

মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে বাজেট বক্তৃতাত বনাঞ্চল সমূহত বৃক্ষৰোপনত বেছি গুৰুত্ব দি উল্লেখ কৰিছে আৰু এই বনাঞ্চলৰ পৰা ৰাজহ বৃদ্ধি কৰাৰ কথাও উল্লেখ কৰিছে। কিন্তু মই এটা কথা অনুৰোধ কৰিব বিছাৰিছো যে সংৰক্ষিত বনাঞ্চলত যাতে ৰাস্তাঘাট কৰা নহয় ডিনামাইটৰ ঘাটি নহয়, বনাঞ্চলত যাতে গেলা পচা মৰাশৰ কবৰ খণ্ড নহয় আৰু সন্ত্ৰাসবাদৰ প্ৰশিক্ষন কেন্দ্ৰ নাপাতে তাৰ প্ৰতি সততে চকু ৰাখিব লাগিব সেইখিনিৰ ওপৰত কড়া নজৰ ৰাখিব পাৰিলে বনাঞ্চলৰ পৰা ৰাজহ আহিব পাৰে। নিয়োগৰ কথা মুখ্য মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে, আমি সকলোবে আশাবাদী হৈছো। নিয়োগৰ কথাটো আমাৰ ইস্তাহাৰত উল্লেখ আছে। এই নিয়োগৰ ক্ষেত্ৰত জনসংখ্যাও প্ৰতিফলিত কৰা হব বুলি আৰু সকলো সম্প্ৰদায়ৰ সমন্বয় ঘটিব বুলি আমি সকলোৱে আশ্বস্ত হৈছো। এইখিনি কৰিব পাৰিলে আমাৰ দেশত জাতীয় সংহতি গঢ়ি উঠিব কিন্তু সেইটো নহলে আমাৰ মাজত ক্ষোভ বাৰিব আৰু তাৰ পৰা নানা আহুকালৰ সৃষ্টি হব।

এই সকলো দিশ চিন্তা কৰি মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যি বাজেট উৎথাপন কৰিছে তাত সকলো কথাই ৰূপায়িত হৈছো আৰু সেয়ে মই এই বাজেটক সম্পূৰ্ণ সমৰ্থন আগবঢ়াইছো

আলাউদ্দিন সৰকাৰঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখন বাজেট সদনত দাঙি ধৰিছে সেই বাজেটক সমৰ্থন জনাব নোৱাৰো। বাজেট এখন দাখিল কৰিব লাগে কাৰণেই বাজেট দিয়া হৈছে। এই বাজেটত ৰাজ্যখনৰ আৰ্থিক দিশটো প্ৰতিফলিত হোৱা নাই । ৰাজ্য খনৰ যিখন বাজেট তাৰ গুনগত অৱস্থালৈ যদি চাওঁ—

"ক্ষুধাৰ ৰাজ্যে পৃথিবী গদ্যময়
পূৰ্ণিমাৰ চাঁদ যেন ঝলসানো ৰূটি ।"

গোটেই ভাৰতবৰ্ষৰ জনমুৰী আয় দাঙি ধৰা হৈছে কিন্তু অসম ৰাজ্যৰ জনমুৰী আয় কিমান হব তাৰ সঠিক সংখ্যা নাই । আজি গোটেই ভাৰতবৰ্ষতে শতকৰা ৪৮ ভাগ মানুহ এতিয়াও দাৰিদ্ৰ সীমা ৰেখাৰ তলত আছে । আমাৰ ৰাজ্যৰ হিচাবেই নাই । গতিকে বাজেটো তেনেকৈ ৰচনা কৰা হৈছে । আমাৰ ৰাজ্যত পৰিকল্পনাৰ ৭টা বছৰ পাৰ হৈ গ'ল কিন্তু উন্নতিৰ ফালে আমি কি দেখিছো । ৭ টা পঞ্চম বাৰ্ষিক পৰিকল্পনাত ধন ব্যয় কৰা হ'ল কিন্তু আজিও আমি ধৰুৱা । অসমীয়া জাতিটোৱে আজি ধৰুৱাত পৰিণত হৈছে । কিন্তু আজি বিত্ত মন্ত্ৰী মহোদয়ে উংথাপন কৰা বাজেটত যদি চায় প্ৰতি বছৰেই ঘাটি বাজেট অৰ্থাৎ প্ৰতি বছৰেই ধাৰ। এই ধাৰৰ বোজা আজি সৰ্ব্বসাধাৰণ ৰাইজে কঢ়িয়াব লগা হৈছে যাৰ কৰণে অসমখনে কোনো ক্ষেত্ৰতে উন্নতি কৰিব নোৱাৰে । ৰাজ্যত যিবিলাক পৰিকল্পনা কৰা হয় তাত মূলধন ব্যয় কৰিব নোৱাৰে সদায়ে ঋনৰ বোজা কঢ়িয়াব লাগিব । গতিকেই ৰাজ্যখনৰ উন্নতি নহোৱাটো স্বাভাবিক । এই পটভুমিতে ৰাজ্য চৰকাৰে সম্যক বিচাৰ কৰিব লাগিব । বাজেট খনক আমি সূৰ্য্যৰ পোহৰৰ লগত ৰিজাব পাৰো আমাৰ এটা স্বভাব হৈছে আমি সদায়ে দিল্লীৰ ফালে অশাবাদী হৈ চাই থাকো । আমাৰ নিজৰ সম্পদ আছে তাক কিন্তু কামত খটাব নোৱাৰো ।

Speech not corrected

মুখ্যমন্ত্ৰী মহোদয়ে পৰিকল্পনা শিতানত এইবাৰ ৫ কোটি টকা বেছিকৈ ধৰা বুলি কৈছে। এই টকা কেনেকৈ কামত খটায় তালৈ আমি লক্ষ্য কৰিব লাগিব। ৰাজ্যপালৰ ভাগণত এই বছৰতে ২ লাখ নিৰনুৱাক চাকৰি আৰু ৫ বছৰত ১০ লাখ নিৰনুৱাক চাকৰী দিয়া হব বুলি উল্লেখ কৰিছে। কিন্তু মই এই ক্ষেত্ৰত আচৰিত হৈছো। এই নিৰনুৱা সকলক ক'ত নিয়োগ কৰা হব আমি আজিলৈকে চৰকাৰৰ কোনো উদ্যোগীকৰণৰ আচনি দেখা নাই। যদি অসমখনক উদ্যোগীকৰণেই কৰিব নোৱাৰে তেনেহলে কেনেকৈ নিৰনুৱা সমস্যাৰ সমাধান কৰিব ? সেই কাৰণে কৈছো বাজেটত টকা ধাৰ্য্য কৰিলেই নহব তাক কামত খটাব জানিবও লাগিব। আজি জোৱাহৰ ৰোজগাৰ আচনিৰ কথা কৈছে। আমাৰ তাত এখন স্কুলত ৮৫ হাজাৰ টকাৰ মঞ্জুৰী দিয়া হৈছিল। স্কুলখন আমাৰ প্ৰাক্তন উপাধ্যক্ষ মহোদয়ৰ সমষ্টিতে কিন্তু স্কুলখনৰ ছবি দেখিলে আচৰিত হব। স্কুলখনৰ নাম বাইকাটা প্ৰাইমাৰী স্কুল। মাত্ৰ ৪টা খুটা পোতা আছে, বেৰ নাই চাল নাই কিন্তু বিল পাছ হৈ গৈছে। আমাৰ অগপ বন্ধু সকলৰ দিনতে। তেখেত সকলে বেয়া পাব নালাগে। এনেকুৱা ধৰণৰ বহুত ঘটনা হৈছে মই ধুবুৰীৰ কথাহে কৈছো। আজি কৃষিৰ ক্ষেত্ৰত কি দেখিছো বাৰে বাৰে ব্ৰহ্মপুত্ৰই সকলো শেষ কৰে। মহাবাহু ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণ কৰাৰ কিবা আচনি আছে জানো ? বাৰে বাৰে হোৱা বানপানীয়ে ৰাজ্যখনক শেষ কৰি যায়। মহাবাহু ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণ কৰাৰ কিবা উপায় আছে নে ? ব্ৰহ্মপুত্ৰক জাতীয় জলপথ আচনি আৰু দিহিং শোৱনশিৰীৰ গতি ৰোধ কৰাৰ আচনি কেন্দ্ৰীয় চৰকাৰে কি কৰিলে ?

ইয়াৰ পিচত উপাধ্যক্ষ মহোদয়, অসম চুক্তিৰ কথা ভাবিলেই মোৰ বুকু হম হমাই উঠে। মোৰ নিজৰ ক্ষেত্ৰতে দেখিছোঁ মোৰ নামটোত কোনোবাই হুটা এল লিখাৰ বাবেই গণ্ডগোল। নাম বিভ্ৰাটৰ

কাৰণেও হাৰাশাস্তি হব লগা হৈছে । এই গণ্ডগোলৰ কাৰণে কোনো কোনো লোক বিদেশী হব লগা হৈছে । এই সকলোবিলাক কথা ভালকৈ চাই চিন্তি আমি আগবাঢ়িব লাগিব, আমি সকলোৱে মিলি সমস্যা সমাধান কৰিব লাগিব ।

(সময়ৰ সংকেট)

এই অশা ৰাখি মই সামৰণি মাৰিলোঁ ।

Shri Dewan Jainal Abedin : Mr. Deputy Speaker, Sir. A bubget reflects the programmes and policies of the Government in the field of economy, industry and agriculture sectors. Sir, if the budget is considered from that point of view we must conclude that this budget is just a stereo typed budget prepared by some officials of the Budget Deptt and read out by the hon'ble Chief Minister. Sir, what impression does this Budget give us regarding the economic condition of the state. We get an impression that this state is a parasite state and is a bankcrupt state entirely dependent upon the Central Government almost in every field We have seen that our indebtedness has exceded 6400 crores of rupees. With this economic condition what can we expect. Sir, Government has promised certain things in the Governor's address. But we do not find any mention of them in the buget. Where are the schemes for implementation of those promises. It has been said that the Govt.

Speech not correeted

will give jobs to lakhs of people. Sir, to provide employment to Lakhs of people we must build up some industries and for that matter infra structure must built up· But we do not find any provision in the budget. I do not know how the Govt will provide jobs to the unemploed youth as promised by thcm. In the Education sector the allocation has been enhanced by 7 p.c, But we do not see any revolutionary chang in the education policy of the State, which can provide a better future to the citizens of the State. Now, about agriculture, it is said, Assam is the richest State in respect of agri-cnlture. But the cultivators are the poorest of all. Sir, we have euormous natural reseurces. When our state has got so much natural resourecs and rich in agriculture why should we look forward for central assistance. Can't we do something to explore our own resources. We are disappointed to see that the Govt. has no such plan in the budget to explore our own resources to build up a self-reliant economy like West Bengal. Look at West Bengal. Though they deficit ; they have become a surplus state and intfoducing double and tripple cropping system in the field of agriculture. But we have done nothing and looking forward for central assistance. Now, Sir, the State is facing a grim problem. It is a political problem ; everyone knows it. It has not fallen from

